# বাজেট অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৰৰণী

## তাৰিখঃ ১২/০৩/২০২০ বৃহস্পতিবাৰ

**ইংৰাজী ১২-০৩-২০২০ তাৰিখে ৰাতিপুৱা ৯.৩০ বজাত অসম বিধান সভাৰ মাননীয় অধ্যক্ষ শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী মহোদয়ৰ অধ্যক্ষতাত পূৰ্বৰ নিৰ্ধৰীত সময় মতে অসম বিধান সভাৰ কাৰ্যসূচী আৰম্ভ হয়।**

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং ১০১, হাফিজ বছিৰ আহমেদ।

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ ঃ** চাৰ, চাৰ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ ঃ** চাৰ, চাৰ।

**মাননীয় অধ্যক্ষ ঃ** এজন এজন লওঁক, যিকোনো এজনে লওঁক আৰু সেইফালৰ পৰা এজনে লওঁক। এই ফালৰ কেইজনে মিলাই লওঁক। এতিয়া মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী ভৰেশ কলিতা, মন্ত্ৰী ঃ** সন্মানীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মেজত ৰখা হৈছে।

**শ্ৰী হাফিজ বছিৰ আহমেদ ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি মোৰ প্ৰশ্ন আছিল অসমত কিমানখন (জিলা ভিত্তিক) বি এড কলেজ আছে? উত্তৰত সমগ্ৰ অসমত মাত্ৰ ৮ খন বি এড কলেজ থকা বুলি জানিবলৈ দিয়া হৈছে। সম্প্ৰতি শিক্ষা বিভাগে উচ্চ মাধ্যমিক বিদ্যালয় , উচ্চতৰ মাধ্যমিক বিদ্যালয়ত শিক্ষক হোৱাৰ কাৰণে বি এড টো বাধ্যতামূলক কৰিছে। এই ক্ষেত্ৰত আমি যদি বিবেচনা কৰি চাওঁ তেনেহলে এই ৮ খন বি এড কলেজ যথেষ্ট কম। প্ৰকৃততে যিবোৰ জিলাত বি এড কলেজ নাই, চৰকাৰে জিলা ভিত্তিক এখনকৈ বি এড কলেজ স্থাপন কৰাৰ কিবা পদক্ষেপ ল'ব নেকি? দ্বিতীয়তে, ধুবুৰী জিলা অসমৰ ভিতৰত আটাইতকৈ জনবহুল, আটাইতকৈ জনসংখ্যা বেছি প্ৰায় ২০ লাখতকৈ অধিক আৰু শিক্ষাৰ ক্ষেত্ৰত আটাইতকৈ পিছপৰা। যি সময়ত অসমত ৭৩ শতাংশ শিক্ষিতৰ হাৰ, সেই সময়ত ধুবুৰী জিলাত ৬১ শতাংশ মাত্ৰ। এই সকলো বোৰ দিশ লক্ষ্য কৰি ধুবুৰী জিলাত অহা বিত্তীয় বৰ্ষত এখন বি এড কলেজ স্থাপন কৰাৰ চৰকাৰে সিদ্ধান্ত ল'ব নেকি?

**শ্ৰী ভৰেশ কলিতা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সন্মানীয় সদস্য বছিৰ আহমেদ ডাঙৰীয়াই এই পবিত্ৰ সদনত যিটো প্ৰশ্ন আনিছে, যে অসমত মাত্ৰ ৮ খন বি এড কলেজ আছে, সেইটো অধ্যক্ষ মহোদয়, সচা। সচাটো সচা কম। ৮ খন আছিল, কিন্তু আৰু অতিৰিক্ত ১০ খন বি এড কলেজ আমাৰ চৰকাৰে আৰম্ভ কৰিছে, ইতিমধ্যে কাম চলি আছে। তাৰ কাৰণে যাবতীয় যি পদ লাগে সেই পদ ক্ৰিয়েচনৰ ব্যৱস্থা চলি আছে আৰু আশা কৰো অতি সোনকালে অতিৰিক্ত যি ১০ খন হ'ব, আমাৰ ৮ খন আছিল, এতিয়া ১৮ খন হ'ব। আৰু দুখন অগ্ৰগনি প্ৰতিষ্ঠান হিচাপে গুৱাহাটীত থকা বানীকান্ত বি এড কলেজ আৰু যোৰহাটৰ যিখন বি এড কলেজ আছে মুঠ সংখ্যা ২০ খন হ'ব। আমাৰ চৰকাৰ অতি উদ্বিগ্ন আৰু বহুত গুৰুত্ব দিছে মাননীয় মুখ্যমন্ত্ৰী মহোদয় আৰু ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত শিক্ষা বিভাগক আৰু কিদৰে আমি মনোগ্ৰাহী আৰু সুন্দৰ এক আন্তগাঠনিৰ ব্যৱস্থা কৰি গোটেই ব্যৱস্থাটোক আমাৰ শিক্ষক সকলক কিদৰে ট্ৰেনাপ কৰি সুন্দৰ শিক্ষা, বিজ্ঞান সন্মত শিক্ষা, প্ৰণালী বদ্ধ শিক্ষা দিয়াৰ কাৰণে আমি চেষ্টা কৰিব পাৰো চৰকাৰ

সদায় কন্‌চাৰ্ণ আছে। আমাৰ সন্মানীয় সদস্য ডাঙৰীয়াক নিশ্চিত ভাৱে মই ধন্যবাদ জ্ঞাপন কৰিছো। সচায় আমি শিক্ষক সকলক ভালদৰে, প্ৰণালী বদ্ধ যাক মেথৰোলজি বুলি কয়, এই মেথৰোলজিত লৈ যাব লাগিব। আমি শিক্ষক সকলক যদি সুন্দৰ ভাৱে বিজ্ঞান সন্মতভাৱে তেওঁলোকক ট্ৰেনাপ কৰি লৈ আমাৰ উঠি অহা প্ৰজন্মৰ ছাত্ৰ-ছাত্ৰী সকলক শুদ্ধ শিক্ষাৰে শিক্ষিত কৰিব পাৰো এই ক্ষেত্ৰত আমাৰ চৰকাৰ আৰু বিভাগ খুব দায়িত্বশীল। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** আপোনাৰ আৰু কিবা আছে নেকি ?

**শ্ৰী হাফিজ বছিৰ আহমেদ ঃ** মই বিচাৰিছিলো যে ধুবুৰী জিলাত এখন গাঁৰত স্থাপন কৰিব নেকি ?

**মাননীয় অধ্যক্ষ ঃ** আমিনুল ইছলামৰটো একেলগে সুধি দিয়ক, একেলগে আপোনাৰ লগতে উত্তৰ দিব।

**শ্ৰী হাফিজ বছিৰ আহমেদ ঃ** ইয়াত এই প্ৰশ্নটোতে আছিল যে চৰকাৰে এইবাৰ ঘোষণা কৰিছিল যে প্ৰত্যেক সমষ্টিতে এখনকৈ বিজ্ঞান মহাবিদ্যালয় দিয়াৰ কথা, যিবোৰ কলেজত নাই সেইবোৰত সংযোগ কৰাৰ কথা কৈছিল। সেই হিচাপে ৫০ টা সমষ্টিৰ নাম ঘোষণা কৰা হ'ল। পৰৱৰ্তীত আকৌ আমাৰ পৰা লিষ্ট দিয়া হ'ল। মাজতে আমাৰ শিক্ষা মন্ত্ৰী সলনি হৈছিল, তেখেতক আমি দিছিলো। কিন্তু এতিয়ালৈকে তাৰ কোনো ফলাফল আমি পোৱা নাই। আমি বিচাৰিছো যে যি বোৰ সমষ্টিত আৰু মোৰ সমষ্টিত এখনে কলেজ আছে য'ত বিজ্ঞান শাখা নাই, চৰকাৰে এই ক্ষেত্ৰত বিজ্ঞান শাখা খোলা হ'ব বুলি কিবা আশ্বাস দিব নেকি ।

**শ্ৰী ভৰেশ কলিতা, মন্ত্ৰী ঃ** হয়, অধ্যক্ষ মহোদয়, আমাৰ সন্মানীয় সদস্য বছিৰ আহমেদ ডাঙৰীয়াই যিটো প্ৰশ্ন কৰিছে, বিজ্ঞান শিক্ষাৰ ক্ষেত্ৰত। আমি ইতিমধ্যে ৫৫ নম্বৰ কলেজত প্ৰপোজেল দিয়া হৈছে, ইতিমধ্যে ৫০ খনত ইনক্লোচন হৈছে। পৰৱৰ্তী সময়ত আমি যিমান পাৰো আগুৱাই নিয়াৰ কাৰণে চেষ্টা কৰিম। সচাই আমাৰ কলেজ বোৰত বিজ্ঞান শাখাটো খুবেই প্ৰয়োজন। বেছিভাগ কলেজত আমাৰ যিহেতু কলা আৰু বানিজ্য শাখাটো থাকেই আৰু বিজ্ঞান শিক্ষাৰো প্ৰয়োজন আছে। আমাৰ লৰা-ছোৱালীক আমি বিজ্ঞান শাখাত নিব লাগিব, উচ্চতৰ মাধ্যমিকত বিজ্ঞান লাগিব আমাক, ডিগ্ৰীত বিজ্ঞান লাগিব। স্নাতকত বিজ্ঞান নাথাকে, শিক্ষকৰ নাটনি থাকে, নিশ্চিতভাৱে তেখেতে সুন্দৰ প্ৰশ্ন আনিছে আৰু পৰৱৰ্তী সময়ত আমাৰ বিভাগৰ তৰফৰ পৰা তেখেতে যিটো প্ৰশ্ন আনিছে যে বিলাসীপাৰা বা দাতিকাষৰীয়াত যি কলেজ আছে সেই কলেজ খিনিত আমি কি দৰে বিজ্ঞান শাখা খুলিব পাৰো।

**মাননীয় অধ্যক্ষ ঃ** ঋতুপৰ্ণ বৰুৱা।

**শ্ৰী ঋতুপৰ্ণ বৰুৱা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ৰ এটা কথাৰ দৃষ্টিগোচৰ কৰিছো যে আমাৰ এজন ছাত্ৰ-ছাত্ৰীয়ে ভৱিষ্যতে যদি এল পি স্কুল বা হাইস্কুল বা হায়াৰ চেকেণ্ডাৰীৰ শিক্ষক হ'ব বিচাৰে কোনো সুনিৰ্দিষ্ট কোৰ্চ নাই পঢ়িবৰ কাৰণে। গতিকে আমি নতুন চিন্তা চৰ্চাৰে Integrate কোৰ্চ আৰম্ভ কৰিব পাৰো নেকি ? যি এজন ছাত্ৰই ভৱিষ্যতে যদি শিক্ষক হ'ব বিচাৰে সি অকল শিক্ষকৰ লাইনতে পঢ়িব পাৰিব। গতিকে আজি যেনেকৈ হাই চেকেণ্ডাৰী পঢ়াৰ পিছতে মেডিকেললৈ যাব পাৰে, ইঞ্জিনিয়াৰিঙত যাব পাৰে। কিন্তু হাই চেকেণ্ডাৰীৰ পৰা এজন ছাত্ৰই ভাৱে যে মই হাইস্কুলৰ শিক্ষক হ'ম, তাৰ বাবে সুনিৰ্দিষ্ট পাঠ্যক্ৰম নাই।

**মাননীয় অধ্যক্ষ ঃ** চাপ্লিমেন্টৰীটো।

**শ্ৰী ঋতুপৰ্ণ বৰুৱা ঃ** Integrate কোৰ্চ আৰম্ভ কৰিবলৈ চৰকাৰে চিন্তা চৰ্চা কৰিব পাৰে মই ভাৱো খুব ভাল হ'ব এই বিষয়টো আৰু বি এড কলেজ প্ৰতিখন জিলাতে এখন এখন হ'ব লাগে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে।

**শ্ৰী ভৱেশ কলিতা, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, আমাৰ সন্মানীয় সদস্য ঋতুপৰ্ণ বৰুৱা ডাঙৰীয়াই যিটো প্ৰশ্ন আনিছে খুব সুন্দৰ প্ৰশ্ন। আমি পঢ়িছিলো, ইঞ্জিনিয়াৰ পাছ কৰি কিন্তু অধ্যক্ষ মহোদয় বিলত হে চহী কৰিব লাগে। তাৰ পৰা ইনোচেটিভ বা ইনোভেটিভ একো কাম কৰিব নোৱাৰো। তেখেতে সচা ভাল কথা কৈছে যে যি সকলে শিক্ষক হ'ম বুলি, শিক্ষাৰ নিচিনা মহান ব্ৰতত ব্ৰতি হ'ম বুলি আশা কৰে জীৱনটোত, তেখেত সকলক ঠিক তেনেকুৱা লাইনত নিয়াৰ প্ৰয়োজন আছে। নিশ্চয় ভৱিষ্যতৰ দিনত আনি সেইবিলাক পলিচিত আনিব লাগিব। তেখেতে যিটো কথা কলে মই ভাৱো যিহেতু ইঞ্জিনিয়াৰিং পাছ কৰি ইঞ্জিনিয়াৰ হ'ব পাৰে, ডাক্তৰ পাছ কৰি ডাক্তৰ হ'ব পাৰে কিন্তু আমাৰ জেনেৰেল বিএ বি এচচি বিকম পাছ কৰি আমাৰ শিক্ষক হয়। যদি এই ক্ষেত্ৰত কিছু সংশোধনী আমি আনিব পাৰো নিশ্চয় ভাল হ'ব আৰু যি সকলে শিক্ষক হ'ম বুলি পঢ়িব সচাই ভাল কথা। শিক্ষাৰ নিচিনা ব্ৰত য'ত আমি সুনাগৰিক সৃষ্টি কৰিব পাৰিম ভৱিষ্যতৰ দিনত। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** কমলাক্ষ্য দে পুৰকায়স্থ।

**শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ ঃ** মাননীয় অধ্যক্ষ মহোদয়, সদায় আমি শুনা পাওঁ যে টিম অসম সবকা সাথ সবকা বিকাশ, অধ্যক্ষ মহোদয়, সঞ্চালক হাইচেকেণ্ডাৰী কাহিলিপাৰা গুৱাহাটীৰ পৰা ১৭ জুলাই ২০১৯ ত এখন চাৰ্কোলাৰ ওলাইছিল। চৰকাৰে জানে চাগে সেইটো।

**মাননীয় অধ্যক্ষ ঃ** চাপ্লিমেন্টৰীটো ।

**শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ ঃ** Introduce of the B. Ed course in the exisiting provincialized colleges in Assam.

**মাননীয় অধ্যক্ষ ঃ** What is your supplementary?

**শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ ঃ** অধ্যক্ষ মহোদয়, ৫০ টা বি এড কলেজ লোৱা হ'ল। সবকা বিকাশ সবকা সাথ কয়।

**মাননীয় অধ্যক্ষ ঃ** সেইবিলাক কথা নানিব।

**শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ ঃ** বৰাক ভেলীত এটাও বি এড কলেজ দিয়া নাই অধ্যক্ষ মহোদয়, ইয়াৰ কাৰণটো কি ? আৰু আমাৰ জাকিৰে কৈছে যে সৰুক্ষেত্ৰী সমষ্টিটো নাই এইটোও চাব লাগে।

**শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ, বিধায়ক ঃ** বৰাক ভেলীত এটাও বি এড কলেজ দিয়া হোৱা নাই । আমাৰ প্ৰশ্নটো হৈছে যে বৰাক ভেলীত এটাও বি এড কলেজ দিয়া নাই এইটো ৰ কাৰণটো কি ? এইটো বিষয় চাব লাগে ।

**মাননীয় অধ্যক্ষ ঃ** মই বিচাৰো চাপ্লিমেন্টৰি শুদ্ধ হ'ব লাগে আৰু মন্ত্ৰীয়েও উত্তৰ দিব লাগে তেতিয়া আমি আগবাঢ়িব পাৰিম ।

**শ্ৰী ভৱেশ কলিতা, মন্ত্ৰীঃ** চবকা সাথ, চবকা বিকাশ নীতিৰে আমাৰ চৰকাৰ চলি আছে । কমলাক্ষ্য পুৰকায়স্থ ডাঙৰীয়াক ধন্যবাদ জনাইছো, তেখেতে ও পাইছে। Govt. ৰ যিখিনি policy লোৱা হৈছে, যিখিনি development কাম লোৱা হৈছে আৰু সকলো বিলাক policy য়ে পাবলৈ সক্ষম হৈছে ।

**মাননীয় অধ্যক্ষ ঃ** বি এড কলেজৰ কথাটো কওঁক ।

**শ্ৰী ভৱেশ কলিতা, মন্ত্ৰীঃ** ইতিমধ্যে আমাৰ ৬৮ খন কলেজত বি এড ৰ পাঠ্যক্ৰম integrated কৰিছো । নিশ্চিত ভাবে আপোনালোকৰ জিলাতো কৰা হ'ব। এই সন্দৰ্ভত scope আছে ।

**মাননীয় অধ্যক্ষ ঃ** Question Hour ত এনেকুৱা হ'লে কি হ'ব । next Ramendra

Narayan Kalita.

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, বিধায়কঃ** माननीय অধ্যক্ষ মহোদয়, চৰকাৰে ১০ খন বি এড কলেজ কৰিছে, মই ধন্যবাদ জনাইছো । কিন্তু মোৰ সমষ্টিত গুৱাহাটীত এখন চৰকাৰী বি এড কলেজ আছে। ইতিমধ্যে আমাৰ জালুকবাৰী ইউনিভাৰচিটিৰ ওচৰত এখন পশ্চিম গুৱাহাটী বি এড কলেজ আছে, আন্তঃগাঠনি সম্পুৰ্ণ কৰা হৈছে। গতিকে সেই মহাবিদ্যালয় খন চৰকাৰীকৰণ কৰাৰ ক্ষেত্ৰত গোটেই প্ৰক্ৰিয়া সম্পুৰ্ণ কৰা হৈছে । সেই কলেজ খন চৰকাৰীকৰণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব নেকি ?

**শ্ৰী ভৰেশ কলিতা, মন্ত্ৰীঃ** অধ্যক্ষ মহোদয়, শ্ৰদ্ধেয় বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াই কৈছে যে পশ্চিম গুৱাহাটী বি এড কলেজ খন, আমাৰ যি সকলক সন্মানীয় শিক্ষক নিযুক্তি দিয়া হৈছে আৰু চৰকাৰী নিয়ম অনুসৰি তাত যদি আছে বা গোটেই খিনি curiculam তাত আছে নিশ্চিত ভাবে পৰৱৰ্তী সময়ত পৰা যাব । কিন্তু গুৱাহাটীত আমি সকলোৱে জানো যে আমাৰ বাণীকান্ত যি খন বি এড কলেজ আছে আৰু এখন জিলাত এখনকৈ বি এড কলেজ স্থাপনৰ যিটো সিদ্ধান্ত চৰকাৰে আগবাঢ়ি গৈ আছে ভৰিষ্যতৰ দিনত নিশ্চিত ভাবে তাত কৰিবলৈ বিশেষ অসুবিধা নহ'ব ।

**মাননীয় অধ্যক্ষ ঃ** পৰৱৰ্তী প্ৰশ্ন বিনন্দ কুমাৰ শইকীয়া ।

**শ্ৰী আব্দুৰ ৰছিদ মণ্ডল, বিধায়ক ঃ** অধ্যক্ষ মহোদয়,

**মাননীয় অধ্যক্ষ ঃ** Please dont surf like this.

(সদনত হুলস্থুল)

**মাননীয় অধ্যক্ষ ঃ** please do not do this. I am telling you please seat down.

**শ্ৰী আব্দুৰ ৰছিদ মণ্ডল, বিধায়ক ঃ** মই চাপ্লিমেন্টৰি বিচাৰিছো ।

**মাননীয় অধ্যক্ষ ঃ** As per rule I can give only two suplementary. Question no. 102

**শ্ৰী বিনন্দ কুমাৰ শইকীয়া, বিধায়ক ঃ** মাননীয় অধ্যক্ষ মহোদয়, স্বাস্থ্য বিভাগৰ মোৰ প্ৰশ্নৰ উত্তৰটো পাইছো কিন্তু অধ্যক্ষ মহোদয় মই শুধিছিলো যে মোৰ যিখন চিপাঝাৰত BPHE আৰু সেইখনৰ লগতে মোৰ CHC খনো আছে আৰু এই খন এইটো FRU লৈ উন্নতিকৰণ কৰা হৈছে । তিনি খন হস্পিতাল মোৰ একেটা চৌহদ, যিটো বহুত পুৰণি চৌহদ। এতিয়া ৰোগীৰ সংখ্যাও দিনে দিনে বাঢ়িছে। ৰাষ্ট্ৰীয় যিবিলাক কাৰ্য্যক্ৰম আছে স্বাস্থ্য বিভাগৰ বা ৰাজ্যিক স্বাস্থ্য সেৱা বহুত আঁচনি হৈছে যিটোৰ কাৰণে over crouded হয় । আৰু তাত তিনি খন হস্পিতাল চলাটো অলপ অসুবিধা হয় । আৰু সেই কাৰণে আমাৰ মাননীয় কেবিনেট মন্ত্ৰী মহোদয় এবাৰ যাওঁতে তেখেতে পৰামৰ্শ দিছিলে যে PHC আৰু CHC part টো Extra কৰি বেলেগ এখন ঠাইত কৰিব পাৰি । সেইমতে আমি ইতিমধ্যে তাত মাটি ঠিক কৰিলো আৰু যিখন District Health Society তেওঁলোকে proposal ও দিলে যে সুকীয়াকৈ গৃহটো বনাব লাগে । মই মন্ত্ৰী মহোদয়ক শুধিছো যে এইটো সোনকালে ব্যৱস্থাটো কৰিব নেকি ?

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া ।

**শ্ৰী পিয়ুষ হাজৰিকা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, মাননীয় সদস্য বিনন্দ শইকীয়া ডাঙৰীয়াই যিটো প্ৰশ্ন কৰিছে, তাত বৰ্তমান তিনিখন হস্পিতাল এই মুহুৰ্তত নাই । অধক্ষ্য মহোদয়, যেতিয়া

ৰক্ত সংৰক্ষণৰ সুবিধা আৰু c section ৰ সুবিধা উপলব্ধ হয় তেতিয়া সেইটো আমি FRU status দিওঁ। গতিকে এই মুহুৰ্তত তাতে FRU আছে, CHC নাই । কিন্তু BPHC খনৰ Administrative building টো তাত থকাটো সত্য । মই উপলব্ধি কৰো যে FRU, BPHC খন একেলগে থকাত যিহেতু ঠাই খিনি কম তাত অসুবিধা নোহোৱা নহয় । গতিকে অধ্যক্ষ মহোদয়, আমাৰ বিভাগে মাটিৰ ব্যৱস্থাও কৰিছে পৰৱৰ্তী সময়ত যিমান সোনকালে পাৰো BPHC খন, আকৌ কৈছো যে তাত treatment নহয়, অকল administration part টোহে আছে । BPHC ৰ under ত আমাৰ sub-centre সমূহ control কৰা হয় । মাত্ৰ treatment ৰ ব্যৱস্থাটো FRU ত আছে। যি নহওঁক মাননীয় সদস্য গৰাকীৰ লগত তেখেতৰ সমষ্টিৰ healt related issue সম্পৰ্কত যথেষ্ট কথা বতৰা পাতো। তেখেতৰ লগত আকৌ যিমান খিনি পাৰো গুৰুত্ব সহকাৰে আলোচনা কৰিম । আৰু অতি সোনকালে পুঁজি সাপেক্ষে আমি আমাৰ BPHC buliding টো আমি বেলেগ এটা ঠাইলৈ নিয়াৰ ব্যৱস্থা কৰিম ।

**মাননীয় অধ্যক্ষ ঃ** Next Question-103, Naren Sonowal. He is absent. Next Question-104, Suren Phukan।

**শ্ৰী সুৰেণ ফুকন, বিধায়কঃ** অধ্যক্ষ মহোদয়, মই প্ৰতিনিধিত্ব কৰা ডিগবৈ সমষ্টিটোত ইতিমধ্যে সমগ্ৰ অসমৰ লগতে মোৰ জৰাজীৰ্ণ পথৰ ৮০ শতাংশতকৈ অধিক ৰাস্তা নিৰ্মাণ কৰা হৈছে অতি সুন্দৰ ভাবে। তাৰ বাবে অসম চৰকাৰৰ গড়কাপ্তানি বিভাগৰ মন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা দেৱক ধন্যবাদ দিছো । অধ্যক্ষ মহোদয়, মোৰ সমষ্টিটোত এটা কাম আহিছিল CRF ৰ ২২ কোটি টকাৰ । GK construction য়ে ২ বছৰ আগতে নিৰ্মাণ কৰিবৰ বাবে হাতত লৈছিল । মই ইয়াত এটা বিসংগতি পাইছো। ইয়াত ২১ মাহৰ সময় দিছিল কামটো সম্পুৰ্ণ কৰিবৰ কাৰণে । কাম আৰম্ভ কৰা ২ বছৰৰ অধিক হ'ল, এতিয়ালৈকে তেওঁলোকে ৩০ শতাংশ কাম সম্পূৰ্ণ হোৱা বুলি কৈছে । মোৰৰ ঘৰৰ কাষত ১০ শতাংশতকৈ অধিক কাম কৰা নাই । Sub-contractor ৰ দ্বাৰা কাম বিলাক কৰি আহিছে । কাম বিলাক একেবাৰে ভাল হোৱা নাই । এই বিষয়টো মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু গড়কাপ্তানি বিভাগৰ মন্ত্ৰী ডাঙৰীয়াক অৱগত কৰিছিলো । তেওঁলোকক তদন্ত কৰিব দিছিলো । contractor সকলে যিখিনি পৰিচালনা কৰে সিহতে চৰকাৰৰ কোনো ধৰণৰ নীতি নিয়ম মানি নচলে । গতিকে আ পোনাৰ যোগেদি উচ্চ পৰ্য্যায়ৰ তদন্ত কৰিব ৰ কাৰণে মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাইছো ।

**মাননীয় অধ্যক্ষ ঃ** Minister Please.

**শ্ৰীযোগেন মোহন,মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক সুৰেন ফুকন ডাঙৰীয়াই তেখেতৰ সমষ্টিৰ মাকুম আলি পথটোৰ নিৰ্মাণৰ কাম লেহেমীয়া গতিৰ কথাটো উল্লেখ কৰিছে। উত্তৰ সদনৰ মজিয়াত দিয়া আছেই । এই ক্ষেত্ৰত মই কওঁ যে এই চি,আৰ,এফৰ কামটোৰ বাবে ২১ মাহৰ সময় দিয়া আছিল। গড়কাপ্তানী বিভাগৰ ফালৰ পৰা ৩১ মাৰ্চ,২০২০লৈকে তেওঁক সময় দিয়া আছে।জে,কে,এম কনষ্ট্ৰাকশ্যনক ২২ কোটি ৭৫ লাখ টকাৰ এই ১০.১০ কিলো মিটাৰ ৰাস্তাটো নিৰ্মাণ কৰিবলৈ দিয়া হৈছিল। গড়কাপ্তানি বিভাগৰ তদন্ত ৰিপোৰ্টৰ পৰা জানিব পৰিছো যে ৰাস্তাটো বিভিন্ন কামত লেহেমীয়া হৈ আছে। existing ৰাস্তাটো ৩.৭৫ কিঃমিঃ আছিল।যেতিয়া চি,আৰ,এফলৈগুচি গ'ল তেতিয়া ৫.৫কিঃমিঃ এক্সটেনশ্যন কৰিবলগীয়া হয় আৰু তেতিয়া বিভিন্ন ধৰণৰ সমস্যা আহি যায়। তাতexisting. যিবিলাক ইলেকট্ৰিচিটি পোষ্ট আছে ,সেইবিলাক চিফটিংও হোৱা নাই।তাৰ কাৰণে যিটো এষ্টিমেট আহিছে ৫০ লাখ টকাৰ , এই টকাটো আমাৰ বিভাগৰ ফালৰ পৰা এছ,অ',পি,ডিয়ে পুনৰ অনুমোদন দিব লাগিব।এনেকুৱা ধৰণৰ কিছু সমস্যা

থকাৰ কাৰণেকামটো লেহেমীয়া হৈছে। নিম্ন মানডণ্ডৰ কথাটো আহিব নোৱাৰে। ইতিমধ্যে শতকৰা ৩০ ভাগ কাম সম্পূৰ্ণ হৈছে বুলি আমাৰ বিভাগে জনাইছে।গতিকে এই ৰাস্তাটো আমি অতি সোণকালে নিৰ্মাণ কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিম। জে,কে,এম কনষ্ট্ৰাকশ্যনক বিভাগৰ ফালৰপৰা ইনষ্ট্ৰাকশ্যন দিয়া আছে যাতে সময়মতে কামটো শেষ কৰি দিয়ে। গতিকে আমি ২০২১চনৰ ৩১মাৰ্চৰ ভিতৰত কামটো সম্পূৰ্ণ কৰিম বুলি আমাৰ বিভাগৰ পৰা সিদ্ধান্ত লোৱা হৈছে।

**মাননীয় অধ্যক্ষ ঃ** চাপ্লিমেন্টৰি আছে নেকি ?

**শ্ৰীসুৰেন ফুকন,বিধায়ক ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ দলঙৰ কথাও আছিল। দুখন দলং সম্পূৰ্ণ হোৱা বুলি ইয়াত উত্তৰটো আহিছে। এখন দলং সম্পূৰ্ণ হৈছে আৰু এখন দলঙৰ কাম এতিয়ালৈকে আৰম্ভ কৰা নাই। বিষয়টো অনুসন্ধান কৰি ব্যৱস্থা গ্ৰহণ কৰিবলৈ মই মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাইছো। যিটো নিম্ন মানদণ্ডৰ ৰাস্তা হোৱা নাই বুলি কৈছে তাৰ ওপৰত এটা তদন্ত কৰিবলৈ মই মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিছো কাৰণ তাত যিটো ড্ৰেইন বনাইছে,সেই ড্ৰেইনটো অতি নিম্ন মানডণ্ডৰ।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী

**শ্ৰীযোগেন মোহন,মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৰাস্তাটোৰ ড্ৰেইনৰ কাম নিম্ন মানদণ্ডৰ হোৱা বুলি যিহেতু কৈছে, আমাৰ কোৱালিটি কন্ট্ৰোল বিভাগৰ কৰ্তৃপক্ষক আমি অনুৰোধ জনাইছো,তেওঁলোকে নিৰীক্ষণ কৰিব। তেখেতৰ দুখন দলং আৰ,আই,ডি,এফ-২৪ত অনুমোদন হৈছে। অসমত দলং নিৰ্মাণৰ কাম ইতিমধ্যে চলি আছে। পি,এম,জি,এছ,ৱাই, আৰ,আই,ডি,এফ - এছ,অ',পি,ডিকে আদি কৰি বিভিন্ন শিতানত দলঙৰ নিৰ্মাণকাৰ্য চলি আছে। ২০১৬ চনৰ পৰা ২০২০ চনলৈকে পি,এম,জি,এছ,ৱাইৰ ৩৫০খন দলং ইতিমধ্যে সম্পূৰ্ণ হৈছে। ১০০০খন দলঙৰ কাম বৰ্তমান চলি আছে। ইয়াৰ উপৰিও আৰ,আই, ডি,এফ - ২৪ত২৮৫খন দলং, আৰ,আই,ডি,এফ - ২৫ত১৪৬খন,এছ,অ',পি,ডি টো ১১৮ খন দলং নিৰ্মাণৰ কাম চলি আছে। গতিকে অধ্যক্ষ মহোদয়, এইটো এটা অভিলেখ ভংগ হৈছে। অসমত বৰ্তমান মুঠ ১৩০০খন দলঙৰ নিৰ্মাণকাৰ্য চলি আছে। এইখিনি সম্পূৰ্ণ হৈ গ'লে কাঠৰ বা বাঁহৰ দলংবোৰ নাথাকিব। আমাৰ লাচিত চিলাৰায় সেঁতু দলং নিৰ্মাণৰ কামো চলি আছে। গতিকে বিভিন্ন শিতানত বিভিন্ন দলং নিৰ্মাণৰ কাম চলি আছে। দলংবোৰ সম্পূৰ্ণ হোৱাত বিভাগীয় কৰ্তৃপক্ষৰ লগতে ৰাইজ, বিধায়ক সকলেওঁ যদি সহায় - সহযোগ কৰে, ফিল্ডত চাই দিয়ে এই কামখিনি দ্ৰুতগতিত হোৱাত সহায় হব।

মাননীয় অধ্যক্ষ ঃ ধন্যবাদ, পৰৱৰ্তী প্ৰশ্ন- বিজয় মালাকাৰ। বিজয় মালাকাৰ নাই,গতিকে মই পৰৱৰ্তী প্ৰশ্ন নং-১০৬ লৈ গৈছো, ডাঃ মতিউৰ ৰহমান মণ্ডল।

**শ্ৰীপীযুষ হাজৰিকা, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**ডাঃ মতিউৰ ৰহমান মণ্ডল ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমৰ এন,আৰ,এইচ,এমৰ অধীনত ১৭,৫৩৯ জন যিখিনি কৰ্মচাৰী ঠিকাভিত্তিত কাম কৰি আছে তেওঁলোকে যোৱা ১০ বছৰৰ ওপৰত চাকৰি কৰি আছে। তেওঁলোকে ফিক্স পে'ত কাম কৰি আছে বাবে অন্যান্য সুবিধাসমূহও পোৱা নাই।আনহাতে, সৰ্বশিক্ষাত অন্যান্য কৰ্মচাৰী সকলৰ লগত সমহাৰত বেতন পাই আছে। মই সুধিছিলো এওঁলোকক অন্যান্য বিভাগৰ কৰ্মচাৰীৰ সমহাৰত সা-সুবিধা দিয়া হ'ব নে নাই? Pay structure নাই বুলি কৈছে।যদিহে কেন্দ্ৰীয় চৰকাৰে বিবেচনা কৰে, অসম চৰকাৰে বিবেচনা কৰিব বুলি কৈছে। মই অনুৰোধ কৰিব পাৰো নেকি যে অসম চৰকাৰৰ অধীনত ১০ বছৰ ধৰি কাম কৰি থকা কৰ্মচাৰীখিনিয়ে অন্যান্য বিভাগৰ কৰ্মচাৰীৰ সমহাৰত বেতন পাবলাগে, অন্যান্য সা-

সুবিধা পাব লাগে।

**শ্ৰীপীযুষ হাজৰিকা, মন্ত্ৰী** ঃ অধ্যক্ষ ডাঙৰীয়া, ভাৰত চৰকাৰৰ যি নীতি-নিয়ম সেইমতে এন,এইচ,এমৰ কৰ্মচাৰী সকলক আমি দৰমহা বা সা-সুবিধা দিয়াৰ ব্যৱস্থা কৰো ।এটা কথা অনস্বীকাৰ্য যে এন,এইচ,এমৰ যিসকল বিষয়া-কৰ্মচাৰী, সেই সকলে আজিৰ সময়ত অসমৰ শ্ৰেষ্ঠ ক্ষেত্ৰখনত অত্যন্ত অতুলনীয় অবদান আগবঢ়াইছে। অধ্যক্ষ ডাঙৰীয়া, আমি এন,এইচ,এমৰ কৰ্মচাৰী সকলৰ সুবিধা বা তেখেত সকলৰ ভৱিষ্যতৰ বিষয়েচৰকাৰ অত্যন্ত সংবেদনশীল। মই পৱিত্ৰ সদনক জনাবলৈ পাই সুখী হৈছো যে কেনেকৈ অসম চৰকাৰৰ অধীনত কাম কৰা এন,এইচ,এমৰ কৰ্মচাৰী সকল বা শিক্ষা বিভাগত কাম কৰা ঠিকাভিত্তিক কৰ্মচাৰীসকলক অসম চৰকাৰৰ যিখিনি স্থায়ী কৰ্মচাৰী আছে, সেইসকলৰ (ৰেগুলাৰ নহয়)পৰ্যায়ৰ সুবিধা দিবপৰা যায় এই ক্ষেত্ৰত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু বিত্তমন্ত্ৰী ডাঙৰীয়াই পৰ্যালোচনা কৰি আছে আৰু এই ক্ষেত্ৰত নিশ্চয়কৈ আমি এটা ভাল খবৰ লাভ কৰিম।

**মাননীয় অধ্যক্ষঃ** চাপ্লিমেন্টৰি আছে নেকি?

**ডাঃ মতিউৰ ৰহমান মণ্ডল ঃ** অসমত এন,এইচ,এমৰ পে' ষ্ট্ৰাকচাৰ নাই, কিন্তু সৰ্বশিক্ষাত পে' ষ্ট্ৰাকচাৰ আছে।এখন ৰাজ্যৰ ভিতৰত থাকি এন,এইচ,এমৰ পে' ষ্ট্ৰাকচাৰ নাই আৰু সৰ্বশিক্ষাত পে' ষ্ট্ৰাকচাৰ আছে, ইয়াৰ কাৰণ মই জানিব বিচাৰিছো আৰু লগতে উৰিষ্যাত এন,এইচ,এমৰ ষ্টাফ এবজৰ্বকৰিছে,আমাৰ ইয়াত হোৱা নাই, কৰিব নেকি?

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী

**ড০ হিমন্ত বিশ্ব শৰ্মা, স্বাস্থ্যমন্ত্ৰীঃ** অধ্যক্ষ মহোদয়, গোটেই কথাটো নিৰ্ভৰ কৰে এডভাৰটাইজটোৰ ওপৰত। এন,এইচ,এমত অ'ৰিজিনেল এডভাৰটাইজটো হৈছিলে যে আপোনালোকে ফিক্স পে'ত হ'ব।সৰ্বশিক্ষাত এডভাৰটাইজটো হৈছিলে যে আপোনালোকে পে' স্কেলত পাব। গতিকে গোতেই কথাটো বিজ্ঞাপনৰ ওপৰত নিৰ্ভৰ কৰিব যে বিজ্ঞাপনটোত কি কোৱা হৈছিল? সৰ্বশিক্ষা অভিযানৰ কৰ্মচাৰী সকলক আমি ৰেগুলাৰ পে' স্কেল দিয়া নাই, অকল শিক্ষক সকলক দিছো।শিক্ষক সকলৰ কথাটো আমি বিজ্ঞাপন দিওঁতেই কৈছিলো যে আপোনালোকক চৰকাৰী পে' স্কেল দিয়া হ'ব। তেনেদৰে এন,এইচ,এমত লোৱাৰ সময়তো আমি কৈছিলো যে আপোনালোকক কনট্ৰেকচুৱেল ফিক্স পে'ত লোৱা হ'ব। দুয়োটাৰ character টো equivalent কৰিব নোৱাৰি। আমাৰ সমস্যাটো হ'ল যে এন,এইচ,এমত আমি ১৪০০কোটি টকা ভাৰত চৰকাৰৰ পৰা পাওঁ। যদি আমি কৰ্মচাৰী সকলক পে' স্কেল দি দিওঁ, ১২০০ কোটি টকা অকল দৰমহাত গুচি যাব তেতিয়া এন,এইচ,এমৰ ফালৰ পৰা বাকী কাম আমি কি কৰিম! সেই কাৰণেএই গোটেই সিদ্ধান্তটো ভাৰত চৰকাৰে সময়ত লব। আমি এন,এইচ,এমৰ কৰ্মচাৰী সকলৰ সা-সুবিধাৰ বাবে মাত্ৰ কেইদিনমান আগতে ৫ লাখ টকালৈকে মেডিকেল ৰি-ইম্বাৰচ্মেন্ট কৰি দিছো। অকল দৰমহাত গুছি যাব, তেতিয়া NHM টোৰ ফালৰ পৰা বাকী কাম আমি কি কৰিম। সেইকাৰণে এই গোটেই সিদ্ধান্ততো ভাৰত চৰকাৰে সময়ত লব। কিন্তু আমি NHM ৰ কৰ্মচাৰীসকলৰ সা-সুবিধা মাত্ৰ কেইদিনমান আগতে তেওঁলোকক ৫ লাখ টকালৈকে মেডিকেল reimbursement কৰি দিছো। সৰ্বশিক্ষা অভিযানত এইটো facility নাই। কিন্তু NHM ত আমি facility দিছো, NHM নাৰ্চ GNM, ANM যে আপোনালোকে NHM ত কাম কৰিলে আপোনালোকক regularise কৰা হ'ব। 20 % তেওঁলোকক কোটা দিছো। এতিয়া কথা হ'ল যে original NHA formed কৰোতে যিবিলাক নাৰ্চ আছিল, এতিয়া নাই, সকলোবিলাক এতিয়ালৈকে চৰকাৰী

হৈ গৈছে। original NHA formed কৰোতে যিবিলাক ডক্তৰ আছিলে by now every-body have absorved in the Govt. ইয়াৰে অকল BPMU staff কৰিব পৰা নাই। যদি laboratary technician চাই, original যিবিলাগ laboratary technician মই ২০০৬ নিযুক্তি কৰিছিলো। তাৰেও প্ৰায় বিলাকৰে চৰকাৰী হৈ গৈছে। গতিকে আমাৰ NHM ৰ পলিচিটো হ'ল যে NHM ত কাম কৰিলে আমি experience ৰ নম্বৰ দিওঁ। আৰু regular appointment কৰোতে আমি তেওঁলোকক regularise কৰিবলৈ যন্ত কৰো, provided age আছে, qualification আছে। সৰ্বশিক্ষাত সেই ব্যৱস্থাটো নাই। সৰ্বশিক্ষাত যেতিয়া কোনোবা চুক্তিবদ্ধ কৰ্মচাৰী regular হ'ব খুজিব তেওঁ একেবাৰে নতুন লৰা -ছোৱালীৰ লগত complete কৰিব লাগিব। গতিকে কিছু সুবিধা NHM ত আছে। কিছু সুবিধা সৰ্বশিক্ষাত আছে, দুয়োটা সমান কৰাতো উচিত নহয়। কিন্তু আমি ভাৰত চৰকাৰৰ লগত নিৰন্তৰ প্ৰচেষ্টা চলাই আছো। এই সদনৰ মণত আছে প্ৰথম যেতিয়া NHM হৈছিলে, এটা বাতৰি কাকত শংকা কৰা হৈছিল যে পাচঁ বছৰ পিছত NHM বন্ধ হৈ গলে কি হ'ব। আজিতো দহ বছৰ চলি থাকিলে। কিন্তু আমি সচেনত, এই বিষয়তো প্ৰত্যেক বছৰে কিবা নহয় কিবা improve কৰাৰ যন্ত কৰি থাকো। ৰাজ্য চৰকাৰ সাধনৰ ভিতৰত আমি কিমান কাম কৰিছো, আগতে জানে যে কৰ্মচাৰী এজন মৃত হ'লে তেখেতৰ পৰিয়ালে একো পোৰা নাছিলে NHM ত। আজি কৰ্মচাৰী এজন মৃত হ'লে তেওঁৰ পত্নীক আমি পাচঁ লাখ টকা দিওঁ। গতিকে প্ৰত্যেক বছৰে আমি এটা হলেও ভাল কাম কৰি আছো। কিন্তু একেবাৰে regu-lar যদি কৰি দিওঁ তেতিয়া NHM নালাগিছিল। প্ৰথমতে regular কৰি দিব পাৰিলোহেতেন। সেইকাৰণে সেইটো পৰ্য্যায়ক্ৰমে হৈ থাকিব। আমাৰ ৰাজ্যিক স্বাস্থ্যমন্ত্ৰীয়ে কোৱাৰ দৰে তেওঁলোকৰ বৰঙনিতোক আমি স্বীকাৰ কৰো। চৰকাৰখনৰ প্ৰচেষ্টা থাকিব যে তেওঁলোকৰ service stan-dard টো আমি বঢ়াই যাব পাৰো।

**ড০ মতিউৰ ৰহমান মণ্ডল, মানকাছাৰ** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো আৰু অনুৰোধ কৰিব খুজিছো যে অতি সোনকালে তেখেতসকলে সকলো সুবিধা পাই তাৰ ব্যৱস্থা হাতত লব। ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে। এতিয়া মাননীয় সদস্য ৰফিকুল ইছলাম।

**শ্ৰীৰফিকুল ইছলাম, জনিয়া** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিছে যে NHM ত কৰ্মৰত কৰ্মচাৰী আছে, তেখেতসকলৰ কাৰণে চিন্তা-চৰ্চা কৰি আছে। মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যিসকল NHM ৰ অধীনত কৰ্মচাৰী আছে, তেখেতসকলে NHM পৰাই পইচা পাই আছে। যিহেতু অসম চৰকাৰ অধীনত কাম কৰা কৰ্মচাৰী আছে, সেইসকলৰ দা - দৰমহা বেছি , যথেষ্ট পাৰ্থক্য আৰু একেলগে বহি দিনে নিশাই একে কাম কৰে। যেতিয়া সময়ত পাৰ্থক্য আহি পৰে তেখেতসকলৰ মণ ভাঙি যায়। গতিকে অসম চৰকাৰ পৰা এটা পুজি দি দৰমহা হিচাপে, কেন্দ্ৰীয় চৰকাৰ বা NHM ৰ পৰা যিখিনি পাম সেইখিনিতো পাই আছে। লগত আৰু এটা পইচা যোগ দি ওচৰা ওচুৰি আমাৰ অসম চৰকাৰৰ লগত যিসকল কৰ্মচাৰী আছে, সেইসকলৰ প্ৰায় সমানে সমানে এনেকুৱা এটা সিদ্ধান্ত লব পাৰো নেকি।

দ্বিতীয়তে মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে দহ বছৰ চলিল। হয় চলিব, আমি আশাবাদী যে চলিব লাগে, বন্ধ নহ'ব। কিন্তু যেনেকুৱা আমি হাইস্কুলৰ contractual teacher বিলাকৰ ক্ষেত্ৰত কৰিলো যে সেই শিক্ষকসকলক contractual থাকিব, কিন্তু ৬০ বছৰলৈকে থাকিব পাৰিব। তেনেকুৱা এটা আশ্বাস যদি এইসকল কৰ্মচাৰীয়ে পায় যে তেখেতসকলৰ চাকৰি কোনো দিনে

cancel নহয়। এই দুটা কথা মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**ডঃ হিমন্ত বিশ্ব শৰ্মা, স্বাস্থ্যমন্ত্ৰীঃ** - মাননীয় অধ্যক্ষ মহোদয়, মই আগতেও কৈছো যে তেওঁলোকক যদি কওঁ যে আপোনালোকে NHM ত ৬০ বছৰলৈকে চাকৰি কৰিব পাৰিব। সেই মানুহখিনিয়ে দুখ পাব, তেওঁলোকক লাগে চৰকাৰীকৰণ কৰিব লাগে। গতিকে সৰ্বশিক্ষা অভিযানক যিটো মই প্ৰতিশ্ৰুতি দিওঁ একেটা প্ৰতিশ্ৰুতি মই NHM ত দিলে খেলিমেলি হৈ যাব। NHM ৰ মানুহে যেতিয়া আমাক লগ কৰিবলৈ আহে মই প্ৰতিশ্ৰুতি দিওঁ যে আপোনালোকে interview দিয়ক, আমি আপোনালোকৰ চাকৰি regular কৰিবলৈ যন্ত কৰিম। এতিয়া গুৱাহাটী মেডিকেল কলেজৰ কেন্সাৰ হস্পিতালত ২০০ টা নাৰ্চৰ vacancy ওলাছিল। গোটেই কেইজনীক আমি NHM ত কাম কৰা ছোৱালীক দি দিছো। আমাৰ লক্ষ্য হ'ল পুৰনা NHM ত কাম কৰা নাৰ্চসকলৰ চাকৰি regular কৰি দিয়া, নতুন ছোৱালি আহি থাকিব। এইটো এটা সুতিৰ দৰে। পুৰনা সকল regularise হয়, নতুন সকল আহি আছে। এতিয়া আপোনালোকে যদি ধাৰণা কৰি লয় যে ২০০৬ চনৰ NHM চলি আছে, সেইটো নহয়। ২০০৬, ২০০৭,২০০৮,২০০৯,২০১০ চনৰ বহুত মানুহ চৰকাৰী চাকৰিত regular হৈ গ'ল। গতিকে স্বাস্থ্য বিভাগৰ পলিচিটো হ'ল যে NHM ৰ কৰ্মচাৰী সকল যিহেতু অভিজ্ঞ, তেওঁলোকক আমি চৰকাৰী খণ্ডলৈ লোৱাতো। এতিয়া লখিমপুৰ মেডিকেল কলেজ হ'ব ২০০ টা নাৰ্চৰ পদ লোৱা হ'ব, অসমৰ বিভিন্ন স্থানত লখিমপুৰ, ধেমাজী, তেজপুৰত NHM ৰ ছোৱালীবিলাক GNM ত কাম কৰি আছে, আমাৰ লক্ষ্যতো হ'ব তেওঁলোকক চাকৰি regular কৰি দিয়াতো। গুৱাহাটী মেডিকেল কলেজত ৩০০ টা নাৰ্চৰ পদত advertisement চলি আছে। ৩০০ টা নৰ্চাৰ ভিতৰত ২০০ টা আমি NHM ৰে দি দিম। গতিকে চৰিত্ৰতো দুয়োটা ঠাইৰে বেলেগ বেলেগ। সৰ্বশিক্ষাত দুদিন আগত নিযুক্তি পোৱা জনে আহি কব যে আমাৰ regular কৰক। কিন্তু regular কাক কৰিব। যোনে ২০১২ চনত নিযুক্তি পালে তেওঁক হে কৰিব। সৰ্বশিক্ষা বুলি কলে শুধিব লাগিব যে তোমোলোক যোৱাকালিৰ সৰ্বশিক্ষা নে দহ বছৰৰ সৰ্বশিক্ষা। কাৰণ এইটো বোৱতি সুতিৰ দৰে। এইটো একেটা constant হৈ নাথাকে। NHM of 2006 & NHM of 2017 is different. যোৱাকালিও এজন NHM ত নিযুক্তি পাইছে। এতিয়া সেইজনক মই কিয় ৬০ বছৰৰ কথা কম, তেওঁক কামৰ সময়তহে গম পাম। সেইকাৰণে NHM বুলি কোনো সংজ্ঞা নাই। NHM 2006, NHM, 2007, NHM 2008 এইটো এটা সংজ্ঞা হ'ব পাৰে। NHM বুলি সংজ্ঞা হ'ব নোৱাৰে। সেইকাৰণে NHM 2006, NHM, 2007, NHM 2008, NHM-2009, NHM-2010 ৰ লৰা-ছোৱালীক, তেওঁলোকৰ increment বোৰ বেছিকৈ আমি দিওঁ। যাতে মোতামুতি সমান পৰ্যায়ত আহে। সেইকাৰণে NHM ৰ প্ৰশ্ন কৰোতে NHM গোটেই কাৰ্যপ্ৰণালী চাব লাগিব। আপোনালোকে কৈ যে দৰমহা কম। NHM 2006 চনত নিযুক্তি পোৱা লৰা -ছোৱালীজনৰ দৰমহা আজি regular হোৱা জনৰ লগত কম নহ'বও পাৰে। কাৰণ তেওঁতো বহুত কেইটা ২০০৬ চনৰ পৰা ২০১৭ চনলৈকে increment পাই গ'ল। সেইকাৰণে যেতিয়ালৈকে প্ৰশ্নটো specific and depth কোনজন কৰ্মচাৰীৰ কাৰণে কৰিছে সেইটো নকৰে। general উত্তৰ এটা confusion কৰিব। এতিয়া যেনেকৈ venture স্কুলতে বহুত sacrifice কৰিছো। কোন চনত আপোনালোকে চাকৰি লৈছে, যে তিনি বছৰ মান হ'ল। এতিয়া তিনিবছৰ আৰু ত্ৰিশবছৰত পোৱা জনৰ sacrifice একে নহয়। sacrifice শব্দটোৰ এটা বহুত ডাঙৰ অৰ্থ থাকে। সেইকাৰণে যিহেতু আপোনাৰ প্ৰশ্নত কোনো specfic নাই যে কাৰ হৈ কব খুজিছে। তেতিয়া উত্তৰ দিয়াতো কঠিন। যেতিয়া অহা বাৰ কব খুজিব যে এই ব্যক্তিজনৰ

হৈ কব খুজিছো। তেতিয়া চৰকাৰে এটা সদ উত্তৰ দিব পাৰিব। NHM বুলি কলে যোৱা কালিও চহী কৰিছো নিযুক্তিৰ বাবে। গতিকে তেওঁৰতো NHM বুলি sacrifice য়ে নাই। NHM ত genuine problem এটা হৈ আছে যিখিনি boat programe management unit ত কাম কৰে, BPMU, TPM, District Programe Manager তেওঁলোকৰ Health Department ত চাকৰি নাই। সেইকাৰণে তেওঁলোকক আমি আনিব পৰা নাই। They are facing a genuine problem. সেইখিনি আমি examine কৰি আছো যে BPMU staff টোক আমি কেনেকৈ অলপ আগুৱাই নিব পাৰো। বাকী pharmasis, Lab Technician, Nurses এইবিলাক চৰকাৰত সোমাই আছে। গতিকে NHM বুলি এটা composition নাই। সেইকাৰণে গোটেইটো আমি disect কৰি প্ৰশ্নটো আনক। কিন্তু মই genuinely আপোনালোকক কৈছো যে BPMU, DPMU staff টোৰ কাৰণে আমি আৰু কি কৰিব পাৰো, আমি সক্ৰীয়ভাৱে বিবেচনা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। এতিয়া মাননীয় সদস্য শ্বেৰমান আলি আহমেদ।

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ বাঘবৰ সমষ্ঠিত মন্দিয়া হাস্পতাল, মন্দিয়া BPHC কেআদি কৰি কেইবাটাও স্বাস্থ্য কেন্দ্ৰ আছে। কিন্তু, এই গোটেইকেইটা স্বাস্থ্যকেন্দ্ৰ AYUSH Doctor ৰে চলি আছে। মন্দিয়া মডেল হাস্পতালত প্ৰায় ৯ জন ডাক্তৰ থাকিব লাগে, কিন্তু , তাত এজনো Specialist নাই। মাত্ৰ Allopathyৰ এজন ডাক্তৰ আছে যাৰ শাৰীৰিক অৱস্থাৰ বিষয়ে মন্ত্ৰী মহোদয় জ্ঞাত। আনক চিকিৎসা কৰাৰ বাবে তেখেত fit নহয়। গতিকে, মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে atleast মন্দিয়া মডেল হাস্পতালত Child Specialist, Gynecology Specialist & Medicine Specialist- এই তিনিজন Allopathy ৰ ডাক্তৰ তাত দিব নেকি?

**শ্ৰী পীযুষ হাজৰিকা, মাননীয় ৰাজ্যিকমন্ত্ৰী, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ ইত্যাদি ঃ** অধ্যক্ষ মহোদয়, মই কেইদিনমান আগতেও কৈছো যে আমাৰ ডাক্তৰৰ সংখ্যা বহুত কম নহয়। W.H.O. ৰ standard ৰ অনুসৰি ১০০০ জন ৰোগীৰ বিপৰীতে এজন ডাক্তৰক দিয়া হয়। কিন্তু, আমাৰ ১৬০০-১৭০০ জন ৰোগীৰ বিপৰীতে এজন ডাক্তৰক দিয়া হৈছে। আমাৰ মেডিকেল কলেজৰ সংখ্যা কম আছিল বুলি মই এই কেইদিনমান কৈ আছো আৰু আমি তৰান্বিত গতিত মেডিকেল কলেজৰ সংখ্যা বঢ়াবলৈ গৈ আছো। গতিকে, অনাগত ৫-৬ টা বছৰৰ ভিতৰত চাগে আমি W.H.O. ৰ standard ৰ ডাক্তৰ পাই যাম আৰু তেতিয়া এই সমস্যাখিনি নাইকিয়া হ'ব। যোৱা বিধানসভাতো মাননীয় শ্বেৰমান আলী আহমেদ ডাঙৰীয়াই মোক Chamber ত লগ ধৰি ডাক্তৰ নথকাৰ কথা কৈছিল। আমি যেতিয়া এই সম্পৰ্কে বিচাৰ কৰিলো, তেতিয়া গম পালো যে ডাক্তৰ নথকা নহয়, ডাক্তৰ আছে আৰু AYUSH সকলো ডাক্তৰেই হয়। গতিকে শ্বেৰমান আলী আহমেদ ডাঙৰীয়াই মোক যদি আকৌ এবাৰ ব্যক্তিগত ভাৱে লগ ধৰে, তেন্তে মই তাত Allopathy ৰ ডাক্তৰ দিবলৈকে চেষ্টা কৰিম।

**মাননীয় অধ্যক্ষঃ** Thank You. Question No. 107, Rupjyoti Kurmi.

**শ্ৰী ভৱেশ কলিতা, মাননীয় ৰাজ্যিক স্বতন্ত্ৰ মন্ত্ৰী, জলসিঞ্চনঃ** অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে ।

**মাননীয় শ্ৰী ৰূপজ্যোতি কুৰ্মী, (মৰিয়নী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্ন আছিল যে অসমৰ শিক্ষানুষ্ঠানসমূহ যেনে-Medical Colleges, University, High School,

Higher Secondary School, M.E. School, L.P. School ত কিমান সংখ্যক vacancy আছে। এই প্ৰশ্নৰ উত্তৰত চৰকাৰে তথ্য দাঙি ধৰিছে আৰু তাৰ বাবে মই মন্ত্ৰী মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছো। কিন্তু, ইয়াত এটা দুখ লগা প্ৰতিচ্ছবি দেখিবলৈ পাইছো- 'There are 355 nos. of vacant posts faculty members under Directorate of Medical Education and 57 nos. of vacant post of faculty members under Directorate of AYUSH. এই post কেইটা অলপ উচ্চ পৰ্যায়ৰ post, গতিকে অন্য বিষয়াৰ জৰিয়তে নিশ্চয় চলাব পাৰিব বা চলাইও আছে। কিন্তু তাৰ পিছৰ উত্তৰটো দিছে- 'There are 355 nos. of vacant posts of Assistant Professor in different Provincialized Colleges.' অধ্যক্ষ মহোদয়, গ্ৰামাঞ্চলত ছাত্ৰ-ছাত্ৰীসকলে L.P., M.E., Higher Secondary level পাৰ হৈ কলেজত এটা আশা-ভৰসা লৈ যায়। কিন্তু এনেদৰে যদি কলেজসমূহত vacancy থাকে, তেন্তে ল'ৰা-ছোৱালীবোৰক কোনে শিক্ষা দিব? ইয়াৰ পিছত উত্তৰ দিছে যে, 'There are 22,938 nos. of different categories of posts lying vacant under Directorate of Secondary Education , Assam.' এইটো এটা দুখ লগা ছবি, অধ্যক্ষ মহোদয়। এই ক্ষেত্ৰত যদি মই মৰিয়নী সমষ্টিটো চাওঁ, তেতিয়া দেখিবলৈ পাওঁ যে High & Higher Secondary ত ১৭৪ টা post vacant হৈ আছে। ন-কছাৰী মৌজা বা ন-কছাৰী অঞ্চলত প্ৰায় ৬ জন মান Higher Secondary level ত Science teacher নাই, ফলত সেই অঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলে যদি ৩০ কিঃমিঃ বাট বাই অন্য মহাবিদ্যালয়লৈ Science পঢ়িবৰ বাবে যাবলগীয়া হয়, তেওঁলোকৰ বাবে বহুত অসুবিধা হয়। গতিকে, High School, Higher Secondary School আৰু Provincialized College সমূহৰ vacancy বোৰ fill-up কৰাৰ ক্ষেত্ৰত চৰকাৰে কেনেধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিছে, জনাব।

**ড° হিমন্ত বিশ্ব শৰ্মা, (শিক্ষা মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, প্ৰশ্নবোৰৰ উত্তৰ যেতিয়া লিখা হয়, তেতিয়া ই এক বেলেগ পৰিৱেশ পায় আৰু যেতিয়া ইয়াৰ ওপৰত আলোচনা কৰা হয়, তেতিয়া আকৌ বেলেগ পৰিৱেশ প্ৰতিফলিত হয়। অধ্যক্ষ মহোদয়, অসমৰ ৩০০খন Provincialized কলেজৰ ভিতৰত মুঠ ৩২২টা পদ খালী হৈ আছে। অৰ্থাৎ গড়ে ১ টাকৈ পদ খালী আছে। প্ৰত্যেক বছৰে ১ টাকৈ পদ খালী থাকিবই। আপুনি মোক ধন্যবাদ জ্ঞাপন কৰিব লাগে কাৰণ আমি গড়ে ১ টাকৈ vacancy maintain কৰি আছো। আমি কলেজৰ প্ৰধান শিক্ষকসকলক vacancy fill-up কৰাৰ বাবে blanket permission দিছো। এই কেইদিন বাতৰি কাকত চালে আপোনালোকে গম পাব যে সদায়ে উৎসৱৰ নিচিনাকৈ খালী পদবোৰ পূৰণ কৰাৰ বাবে Interview চলি আছে। ইয়াৰ দ্বাৰা কলেজৰ খালী পদবোৰ আৰু নাথাকিব। এল. পি. স্কুলৰ ২২ হাজাৰ vacancy ৰ ঠাইত State pool ত অতিৰিক্ত ১২ হাজাৰ নিযুক্তি দি থোৱা হৈছে। ইয়াৰ বাবে বাজেট চৰকাৰৰ পৰাই গৈ আছে। অসমত ৪৮ হাজাৰখন এল.পি. স্কুল আছে আৰু তাৰে ১০ হাজাৰটা পদ খালী হৈ আছে। তাৰমানে per school wise আধা vacancy ও নাই। Vacancy দেখুৱাব গ'লে বহুত, আকৌ নেদেখুৱালে তাৰ উত্তৰো আমাৰ লগত আছে। কিন্তু, কথাটো হ'ল Rationalization. বহু ঠাইত শিক্ষক থুপ খাই আছে, আনহাতে বহু ঠাইত শিক্ষক নাই। ১০ বা ১১ হাজাৰ এল.পি. স্কুলৰ টেট শিক্ষকৰ Provisional list অহাকালিৰ পৰা ওলাব। ইয়াৰ ভিতৰত High Court ৰ দুটা কেচ আছে, এই কেচ দুটাই যদি

High Court ৰ দেওনা অতিক্ৰম কৰিব পাৰে তেন্তে বিহুৰ আগত ১১ হাজাৰ পদত নিযুক্তি হৈ যাব। আনহাতে, ৩২২ খন কলেজত থকা যি খালী পদৰ কথা উল্লেখ কৰা হৈছে, সেই বিষয়ত আপুনি বিধান সভাৰ পৰৱৰ্তী অধিবেশনত প্ৰশ্ন কৰিবলৈ নাপাব। যোৱা পৰহি, হাইস্কুল আৰু মাধ্যমিক টেটৰ আমি ৰিজাল্ট দি দিছো। কেইদিনমান পিছত transfer বন্ধ কৰা আইনখন সদনত আহিব। আপোনালোকে যদি সাহসেৰে pass কৰি দিয়ে তেন্তে এনেকুৱা সমস্যাবোৰ কমি যাব। আগতে আমি system ত জোৰ দিয়া নাছিলো, গতিকে কিছু ৰৈ গৈছিল, এতিয়া আমি জোৰ দি কৰিলে সকলো systematic হৈ যাব। মেডিকেল কলেজত যি ৩২২ টা খালীপদ দেখুৱাইছে, সেই সম্পৰ্কত মই কওঁ যে আজিকালি মেডিকেল কলেজ সাতখন হ'ল। এই সাতখন মেডিকেল কলেজৰ, লখিমপুৰ মেডিকেল কলেজো অন্তৰ্ভুক্ত কৰি faculty position হ'ল- ৩৫০০-৪০০০, গতিকে ইয়াৰ বিপৰীতে vacancy হ'ল ১০% যাৰ ভিতৰত আকৌ ডাক্তৰসকলৰ লগত সংগতি নথকা Physiology, Anatomy আদি বিষয়ৰ পদসমূহো অন্তৰ্ভুক্ত হৈ আছে। যদি Orthopaedic, Medicine, Surgery বিষয়সমূহত vacancy চায়, তেন্তে hardly ১৫০ ৰ পৰা ১৭০ হে হ'ব। গতিকে, alarming situation ক'তো হোৱা নাই। গোটেই কলেজসমূহ ভালদৰে চলি আছে আৰু মই নাভাৱো এল.পি. স্কুল বা হাইস্কুলক বাদ দি vacancy ৰ ক্ষেত্ৰত ক'তো alarming situation হোৱা নাই। কিন্তু, অহা ৪৫ দিনৰ ভিতৰত এল.পি. স্কুল আৰু হাইস্কুলৰ vacancy সমুহো সুন্দৰভাৱে পূৰণ হৈ যাব বুলি মই আশা কৰোঁ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, (মৰিয়নী)ঃ** অধ্যক্ষ মহোদয়, মোৰ যদি পঢ়াত ভুল হোৱা নাই তেন্তে চৰকাৰে মোৰ প্ৰশ্নৰ উত্তৰত specifically mention কৰিছে যে- There are 355 nos. of vacant posts of Assistant Professor in different Provincialized Colleges. ইয়াত ইমান সংখ্যক কলেজৰ ভিতৰত ইমান সংখ্যক পদ খালী হৈ আছে বুলি কোৱা নাই।

**ড° হিমন্ত বিশ্ব শৰ্মা, (শিক্ষা মন্ত্ৰী) ঃ** Different Provincialized College মানে total no. is 319. আমি যদি সকলো ইয়াত লিখিয়েই দিওঁ আপুনি supplementary question কেনেকৈ কৰিব? আমি supplementary ৰ scope ৰাখিবই লাগিব। আপুনি যেতিয়া supplementary question কৰিব তেতিয়াহে আপোনাৰ আৰু আমাৰ কথাবোৰ মানুহে টি.ভি.ত চাব।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, (মৰিয়নী)ঃ** অধ্যক্ষ মহোদয়, আমাৰ মৰিয়নী কলেজত ১২ টা vacant posts থকা বুলি উত্তৰত show কৰিছে আৰু এইটো সঁচা। আমি Governing Body ৰ মিটিঙো কৰিলো, Directorate লৈ চিঠিও দিয়া হ'ল, তাৰ পিছত WPT & BC Department লৈ গৈছে। কিন্তু তেওঁলোকে মৰিয়নী কলেজৰ Roster টো এতিয়াও clear কৰি দিয়া নাই। এই সম্পৰ্কত মই নিজেই গৈ Director ক লগ কৰিছো। মাননীয় অধ্যক্ষ মহোদয়, 'ৰঙা ফিটাৰ মেৰপাকত নাথাকে ফাইল' বুলি কথাষাৰ চৰকাৰে প্ৰথম আহিয়েই কৈছিল। এই কথাষাৰ আপোনাৰ যোগেদি মই চৰকাৰক মনত পেলাই দিব বিচৰিছো । চৰকাৰে কৈছিল যে অতি সোনকালে ফাইলবোৰ move হ'ব; ই কোনো বিভাগতে ৰখি নাথাকে। তেন্তে, আমাৰ ফাইলটো WPT &

BC Department ৰ পৰা আহিবলৈ ইমান দিন কিয় লাগিছে? এনে হোৱাৰ ফলত মৰিয়নী কলেজৰ ছাত্ৰ-ছাত্ৰীসকলে বহুত suffer কৰিবলগীয়া হৈছে। গতিকে এইটো সোনকালে সমাধান কৰিবৰ বাবে চৰকাৰে কি কৰিব? ইয়াৰ লগতে আৰু এটা কথা মই সুধিব বিচাৰিছো- পূব শিঙিমাৰী কলেজৰ Librarian গৰাকীৰ ওপৰত Lower Court ত কেচ চলি থকাৰ পিছতো এতিয়ালৈকে তেওঁক কিহৰ ভিত্তিত ৰাখি থোৱা হৈছে? মই এই বিষয়ে Director ক সোধোতে তেখেতে কৈছে- Legal opinion ল'ব। গতিকে, এই কেচটো বৰ্তমান কি পৰ্যায়ত আছে মন্ত্ৰী মহোদয়ে জনাব লাগে আৰু মৰিয়নী কলেজৰ Roster ৰ সন্দৰ্ভতো জনাব লাগে।

**মাননীয় অধ্যক্ষঃ** মন্ত্ৰীৰ ওচৰত তথ্য থাকিলে জনাব।

**ড° হিমন্ত বিশ্ব শৰ্মা, (শিক্ষা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কলেজ সমূহত যেতিয়া আমি ভেকেঞ্চি সমূহ পূৰণ কৰি দিওঁ, বহুত কলেজত আজিকালি চুপ্ৰিম কোৰ্টে এটা নতুন Law Pass কৰিলে আৰু Roster ৰ Calculation Point টো নতুনকৈ দেখুৱালে। যিহেতু নতুনকৈ দেখুৱালে সেই কাৰণে WPT&BC য়ে এইটো আৰু এবাৰ নতুনকৈ চাই দিবলগীয়া হৈছে। মোৰ দৃষ্টিত যদি Roster খন ঠিকেই বনাইছো, তেতিয়াহ'লে প্ৰত্যেকটো ফাইল WPT&BC লৈ যোৱাৰ প্ৰয়োজন নাথাকে। কিন্তু WPT&BC মোৰ অধীনৰ বিভাগ নহয়। মন্ত্ৰী মহোদয়ে এটা নিৰ্দ্দেশ দিব লাগে যে যদি ঠিকেই আছে, যাব লাগে। কাৰোবাৰ Right Violation হ'লেহে WPT&BC লৈ যাব লাগে। নহ'লে যাব নালাগে। এইটো এটা systamatic reform. এইটো ৭০ বছৰৰ পৰা হৈ আছে। বহুত সংশোধন কৰা হৈছে। এইটো sactor অলপ বাকী আছে, হৈ যাব। WPT&BC বৰ্তমান অসুবিধাটো হৈছে যে ৩০০ খন কলেজৰ পৰা ফাইল আহিছে। যিহেতু গোটেইকেইখন কলেজত ভেকেঞ্চি Blanket order খুলি দিলো। ৩০০ খন কলেজৰ এটা এটাকৈ পৰীক্ষা কৰোতে কাৰোবাৰ ফাইল অলপ ওপৰত আৰু কাৰোবাৰ ফাইল অলপ তলত গৈছে। মাননীয় বিধায়ক ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই যদি WPT&BC ৰ চেক্ৰেটাৰীৰ তাত আজি গৈ চাহ একাপ খাই আহিলে কালি ৰাতিপুৱা লৈকে ফাইলটো clear হৈ যাব। যি কেইগৰাকী বিধায়কে অলপ চেষ্টা কৰিছে, তেখেতসকলৰ ফাইল অলপ আগত গৈছে। আপোনাৰ হৈ মইয়ো আজি ফোন এটা কৰি দিম যে আপোনাৰ ফাইলটো সোনকালে কৰি দিয়াৰ বাবে। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া বিমল বৰা ডাঙৰীয়াই কওঁক।

**শ্ৰী বিমল বড়া, (টিংখং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যৰ শিক্ষা খণ্ডক আগুৱাই লৈ যাবৰ বাবে আমাৰ চৰকাৰে বহু কাম কৰিছে। ছাত্ৰ-ছাত্ৰী সকলক বিনামূলীয়া নাম ভৰ্ত্তি, পাঠ্যপুথি, সাজ-পোছাক আদি প্ৰদান কৰিছে। বিগত দিনত কোনো চৰকাৰে এনেধৰণে কাম কৰা পৰিলক্ষিত হোৱা নাছিল। তাৰ কাৰণে মই মাননীয় মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো। মোৰ সমষ্টিত এখনেই প্ৰাদেশীকৃত কলেজ আছে-টিংখং মহাবিদ্যালয়। তাত বিজ্ঞান শাখা খুলিবলৈ নতুনকৈ আমাৰ চৰকাৰে অনুমোদন জনাইছে। কিন্তু সেই বিজ্ঞান শাখাত পঢ়িবলৈ স্নাতক পৰ্য্যায়ত উচ্চতৰ মাধ্যমিকৰ ছাত্ৰ-ছাত্ৰী লাগিব। কিন্তু আমাৰ ৰাজগড়ত কেৱল এখন মাত্ৰ বিজ্ঞান শাখাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় আছে-ৰাজগড় উচ্চতৰ মাধ্যমিক বিদ্যালয়। তাত শিক্ষকৰ একেবাৰে অভাৱ। যিহেতু টিংখং কলেজত হ'ব, সেয়েহে টিংখং Higher Secondary School তো যদি এটা বিজ্ঞান শাখা দিব পৰা যায়, তেতিয়া টিংখং কলেজখনৰ বিজ্ঞান শাখাটো ভালকৈ চলিব। আমাৰ যিখিনি চৰকাৰী কলেজ আছে, তাত নাম ভৰ্ত্তি বিনামূলীয়াকৈ হয়। কিন্তু যিসকল ছাত্ৰ-ছাত্ৰী অপ্ৰাদেশীকৃত কনিষ্ঠ মহাবিদ্যালয় বা কলেজত অধ্যয়ণ কৰে, তেওঁলোকৰো নাম ভৰ্ত্তি বিনামূলীয়া কৰিব পাৰো

নেকি ? ধন্যবাদ।

**ড° হিমন্ত বিশ্ব শৰ্মা, (শিক্ষা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উচ্চতৰ মাধ্যমিক স্কুল সমূহত ভেকেঞ্চিৰ পজিশ্বন এটা আছে আৰু মই এই বিষয়ে অতিকৈ concern. কেইদিনমান আগতে বিশ্বনাথ চাৰিআলিৰ পৰা Higher Secondary বিজ্ঞান শাখাৰ পৰা প্ৰিঞ্চিপাল এজনে মোক Whats App এটা দিছিল যে তেওঁৰে একমাত্ৰ বিজ্ঞান শাখাৰ পদাৰ্থ বিজ্ঞান বিভাগৰ এজন শিক্ষক আছিল আৰু তেওঁৰো বদলি হৈ গ'ল। তাৰ মানে Higher Secondary কলেজত যদি পদাৰ্থ বিজ্ঞান, ৰাসায়ণ বিজ্ঞান আৰু বায়োল'জিৰ পদ খালি হৈ যায়, তেতিয়াহ'লে ছাত্ৰ-ছাত্ৰী সকলে বিজ্ঞান পঢ়িব নোৱাৰা হৈ যায়। এই Higher Secondary কলেজসমূহ বচাব লাগিলে মই ভাৱো আমি কিছু নতুন পদক্ষেপ লোৱাৰ প্ৰয়োজনীয়তা আছে। Higher Secondary ৰ কাৰণে "টেট" পৰীক্ষা এটা ঘোষণা কৰিম। যাতে অহা চেপ্তেম্বৰৰ ভিতৰত আমি নিযুক্তি প্ৰদান কৰিব পৰো। মই আজি বাজেটৰ উত্তৰ দিয়াৰ পিছত ইয়াৰ পৰা গৈ এই সম্পৰ্কে ঘোষণা কৰিব বিচাৰিছো। খালি পদসমূহ এই বছৰ পূৰণ হৈ যাব। কিন্তু সমস্যাটো হৈছে যে পূৰণ হ'লেও পিছত De Stabilised হৈ যায়। মাননীয় ৰাজ্যপাল মহোদয়ৰ UGC আদি সকলোফালৰ পৰা হেঁচা প্ৰয়োগ কৰা হৈছে যে Higher Secondary কেইখনক মহাবিদ্যালয়ৰ পৰা কাটি Higher Secondary স্কুলত দিব লাগে। কিন্তু আমি যদি অনুষ্ঠানটো Stabilised কৰিব নোৱাৰো, তেতিয়াহ'লে আমাৰ উচ্চতৰ মাধ্যমিক শাখাটো বেয়া হৈ যাব আৰু উচ্চতৰ মাধ্যমিক শাখাটো বেয়া হৈ গ'লে ডাক্তৰ, ইঞ্জিনিয়াৰ আদি আমাৰ অসমৰ পৰা ওলাব নোৱাৰিব। এই বিষয়টো লৈ মই অতি concern আৰু দুই-এদিনতে এটা প'লিচি কৰি আপোনালোকক আৰু ৰাইজক জনাব পাৰিম। বাকীযিখিনি আমাৰ প্ৰশ্ন আছে যে অ-প্ৰাদেশীকৃত কনিষ্ঠ মহাবিদ্যালয়ত আমি বিনামূলীয়া নিদিও কিয় ? অধ্যক্ষ মহোদয়, প্ৰাদেশীকৃত আইনৰ আওতাত নপৰা কলেজসমূহ লাহে লাহে বন্ধ হ'ব লাগে। কাৰণ আমি যদি সদায় প্ৰাদেশীকৰণ কৰি থাকো আৰু স্কুল-কলেজো খুলি থাকে এসময়ত গোটেই চৰকাৰী যন্ত্ৰটো Cripple হৈ যাব। এতিয়া RT আইনৰ বাহিৰত স্কুল-কলেজ হৈছে। আমাৰ কাম হৈছে, স্কুল-কলেজ সমূহক সৱল কৰা। যদি সদায় স্কুল-কলেজ হৈ থাকে, তেতিয়াহ'লে কোনোও নোৱাৰিব। সেইকাৰণে এই প্ৰাদেশীকৃত আইনৰ আওতাত পৰা আৰু বা দুই-এটা সৰু-সুৰা এমেণ্ডমেণ্ট কৰি সোমাব পাৰি, এই প্ৰক্ৰিয়াটো সমাপ্ত হোৱাৰ পিছত এই অধ্যায়টোৰ পৰা অসম ওলাই আহিব লাগে। আপোনালোকে শুনি আচৰিত হ'ব যে আইন খন ২০১৬ চনত পাচ হৈছিল আৰু আমি আইনখনত কৈছিলো যে ২০১৪-১৫ আৰু ২০১৬ চনৰ ৰিজাল্ট চাম। ৰিজাল্ট সমূহ ভাল হ'ল কাৰণ কাষৰ ভাল স্কুল সমূহৰ পৰা ছাত্ৰ-ছাত্ৰী সকলক এই স্কুললৈ লৈ আহিল। কালি মোক ছেবাৰ চেয়াৰমেনে কৈছে যে এই একেখন স্কুলৰ ২০১৭-১৮-১৯ চনত ৰিজাল্ট নাই। তাৰ মানে প্ৰাদেশীকৰণ হ'ব লাগে বুলি তিনি বছৰ ৰিজাল্ট ভাল কৰিলে আৰু ২০১৭-১৮-১৯ চনত ৰিজাল্ট ৩ শতাংশলৈ নামি গ'ল। মই সকলোবোৰ স্কুলৰ কথা কোৱা নাই। এই গোটেই বিষয়টো আমাৰ সন্মানীয় সদস্যসকলে খুব হৃদয়েৰে অনুধাৱন কৰা উচিত যে তাত মানৱতা আৰু চাকৰি আৰু শিক্ষাটো অতি কম। সাধাৰণ স্কুলতেই ল'ৰা-ছোৱালী নাই। তাত আকৌ ক'ত ল'ৰা-ছোৱালী পাব। কাৰণ সাধাৰণ অসমীয়া স্কুলত আমাৰ শিক্ষক কমি গৈছে আৰু ছাত্ৰ-ছাত্ৰী কমি গৈছে। আজি টি.চি. স্কুল আৰু কলেজীয়েট স্কুলত ছাত্ৰ-ছাত্ৰী নোহোৱা হৈছে। আমাক এটা বহুত ডাঙৰ সংস্কাৰ লাগে। এই প্ৰাদেশীকৰণে আমাক আগবাঢ়ি যাব নিদিয়ে। ৰখাই দিয়ে। এইটো হয় যে যেতিয়া শিক্ষক সকল আহে, দুখ কৰে, কান্দে তেতিয়া আম্‌াৰ মনটো বেয়া লাগে।

কিন্তু তাৰ সমাধানটো এইটো হ'ব নোৱাৰে যে মনটো বেয়া লাগে কাৰণে আমি কম এই টো বিনামূলীয়া কৰি দিয়ক। ৰাজনীতি কৰিলে আমি কঠোৰো হ'ব লাগিব। এতিয়া মোৰ দৃষ্টিত প্ৰায় deserving খিনি সোমাল আৰু ক'ৰাবত সোমাব বাকী আছে আমি সোমাই দিম। কিন্তু আৰু এখন যদি মোক খুলি ল'ব কয়, য'ত স্কুল খুলিছে তাত বিনামূলীয়া কৰি দিয়াৰ বাবে। তাত আৰু ছাত্ৰ-ছাত্ৰী গুচি যাব। অৰ্থাৎ অহা ৫ বছৰ পিছত আৰু এখন প্ৰাদেশীকৃত আইন লাগিব। অসমৰ স্বাৰ্থত এই ভেঞ্চাৰ শব্দটো উঠি যাব লাগে। এই সকলোবোৰ বন্ধ হ'ব লাগে। এই এইটো লাইনত কাম কৰি আছো। মই ভাৱো যে এইবাৰ প্ৰাদেশীকৰণ হ'ব আৰু দুই-এটা সৰু-সুৰা এমেণ্ডমেণ্টৰ পিছত সমস্যা নাথাকিব আৰু এখন নতুনকৈ খুলি ল'ব বিচৰা নাই। এইবাৰো আমি নতুনকৈ খুলা স্কুল সমূহৰ লগত প্ৰাদেশীকৃত স্কুল এমালগেমেট কৰি দিম। ১ কিলোমিটাৰত ৫খন স্কুল কেনেকৈ চলিব। কেতিয়াবা দিল্লীৰ পৰা enquiry আহিব আৰু সকলো বন্ধ কৰি দিব। ১ কিলোমিটাৰত এখনকৈ স্কুল লাগে আৰু ৩০ টা ষ্টুডেণ্ট লাগে। কিন্তু তাত ৫ জন মানকৈ ছাত্ৰ-ছাত্ৰী আছে। কাৰো শিক্ষকতা হোৱা নাই আৰু ছাত্ৰা-ছাত্ৰী হোৱা নাই। এইবাৰ আমি যিমান কৰিব পাৰো কৰি দিম। অহা বছৰ শিক্ষাত এটা ব্যাপক সংস্কাৰ কৰি এই গোটেই সমস্যাসমূহ শেষ কৰিব লাগিব। অহা ৫ টা বছৰ এইটো এটা ডাঙৰ এজেণ্ডা কৰি ল'ব লাগিব। আজি বেয়া লাগে যে পুৰণি টি.চি স্কুল, কটন কলেজীয়েট স্কুল, কামৰূপ একাডেমী স্কুলৰ পৰা কোনেও ষ্টেণ্ড নকৰে, ভাল ৰিজাল্ট নকৰে। আমি এইবোৰ চি বি এচ চি কৰিব নোৱাৰো আৰু অসমীয়া মাধ্যমতো গুৱাহাটীৰ ল'ৰা-ছোৱালী নপঢ়ে। গোটেই খন কিবা এটা অদ্ভুত হৈছে। অভিভাৱকে কয় আমি অসমীয়া স্কুলত নপঢ়াও, চি বি এচ চিত পঢ়াম আৰু সংগঠনসমূহে কয় অসমীয়া মাধ্যম খুলি ৰাখিব লাগিব। কথাবিলাক নিমিলা হৈ গৈছে। সেইকাৰণে মই ভাৱো গোটেই কথাবিলাকৰ ওপৰত অহা বিধান সভাত ৩-৪দিনৰ বাবে নিৰ্মূহভাৱে কিছু কথা আলোচনা কৰি সিদ্ধান্ত ল'ব লাগিব। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** Next আমিনুল ইছলাম ডাঙৰীয়াই কওঁক।

**শ্ৰী আমিনুল ইছলাম, (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত recruitment policy এই কথাটোৰ বাবে অসুবিধা হয়। Higher Secondary ত ২৩ হাজাৰ পদ খালী হ'ল আৰু প্ৰাইমাৰীত ১৫ হাজাৰ পদ খালী হ'ল। আচলতে খালী পদমূহৰ ক্ষেত্ৰত এটা প'লিচি লোৱা হয় যে গোটেই অসমত পদসমূহ খালী হৈ থাকে আৰু একেলগে মেলাৰ নিচিনাকৈ পদসমূহ পূৰণ কৰা হয়। কিন্তু যিখন স্কুলত যেতিয়া পদ খালী হয়, লগে লগে যাতে পদসমূহ পূৰণ কৰা হয়। মোৰ এখন স্কুলৰ দলগাওঁ হাই স্কুলৰ ২৪ টা পদৰ ১৩টা খালী হৈ আছে ৮-৯ বছৰৰ পৰা। তাত আগতে ৰিজাল্ট ভাল হৈছিল, এতিয়া বেয়া হৈছে। গতিকে লগে লগে পদসমূহ পূৰণ কৰিব পাৰিলে ভাল হয়। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়, শ্বেৰমান আলী ডাঙৰীয়াই এটা প্ৰশ্ন সুধিব বিচাৰিছে, উত্তৰটো একেলগে দিব।

**শ্ৰীশ্বেৰমান আলী আহমেদ, বাঘবৰঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টিৰ মইনবৰী হায়াৰ চেকেণ্ডাৰীৰ ১৪ টা পদ খালী। বামুনংৰা হায়াৰ চেকেণ্ডাৰী ১২ টা পদ খালী, মণ্ডিয়া হায়াৰ চেকেণ্ডাৰীৰ Physics, Maths ৰ শিক্ষক নাই, তিনিবছৰ। Elementary Sector ত এতিয়াও ৪৫ খন স্কুল single teacher হৈয়ে আছে আৰু ৫০০ শিক্ষকৰ অভাৱ আছে। গতিকে এইখিনি অতি সোনকালে সমাধান কৰে।

**ড° হিমন্ত বিশ্ব শৰ্মা, (শিক্ষা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সমস্যাটো হ'ল, যে এতিয়াও

আমি appointment list উলিয়াম, তিনিটা হাইকোৰ্টৰ কেচত আমি বহি আছো। হাইকোৰ্টে কৈছে যে, select list ত উলিয়াব নোৱাৰা প্ৰচেচটোহে কৰিব পাৰিবা। ব্যৱহাৰিক অসুবিধা আছে, theory ত নাই। প্ৰত্যেক বছৰে টেট হ'ব লাগে, নিযুক্তি হ'ব লাগে। ব্যৱহাৰিক অসুবিধাবোৰ বহুতখিনি কষ্ট হয়, প্ৰচেষ্টা চলি আছে। ২০১১ চনৰ পৰা তিনিবছৰ, এই দুইবছৰত প্ৰায় এক লাখ মানটো শিক্ষক নিযুক্তিয়ে কৰিলো। আজি শ্বেৰমান চাহাবে কৈছে যে, ৪৫ খনত মাত্ৰ এজন শিক্ষকৰে চলি আছে। এটা সময়ত আছিল যে শিক্ষকেই নাই। আজিতো অলপ lmprove হৈছে। এইবাৰ ৰিজাল্টও দিলে। অহা বিধান সভাত যেতিয়া শ্বেৰমান চাহাব আহিব, তেওঁ ক'ব দুজন হৈছে। গতিকে আপোনালোকে সহযোগিতা কৰক যাতে এই recruiment খিনি দিব পাৰো। তাৰ পাছত বছৰে বছৰে হৈ যাব।

**মাননীয় অধ্যক্ষঃ** মই point of order নিয়মমতে নিদিয়াকৈও থাকিব পাৰো। দিছো for the greater interest. যে প্ৰশ্ন সমূহৰ যাতে যথাযথ উত্তৰ সদস্য সকলে পায়। মই আজি সেইকাৰণে কৈছিলো, অথনি এটা supplementary ত এজন সদস্যই তেওঁ নিজৰ উষ্মা প্ৰকাশ কৰি আতৰি গৈছে। হাউচত, মোৰ ইয়াত rulling টো final, ভাল পায় বেয়া পায়, সেইটো আপোনালোকৰ কথা। There provision how to remove me, no issue. কিন্তু গোটেই কথাটো হৈছে, গোটেই বস্তুটো আমি supplementary ত, আগতে rule বিলাকৰ direction আছে। আমি hardly চাৰিটামন প্ৰশ্নলৈ যাওঁ। মই সেইকাৰণে আজি আগবাঢ়িছো, ছয়টা হ'লগৈ, আঠটা আছিল যদিও। দুটা নাই কাৰণে। গতিকে সদস্য সকলৰ প্ৰত্যেকটো প্ৰশ্ন গুৰুত্বপূৰ্ণ, প্ৰত্যেকটো supplementary ও গুৰুত্বপূৰ্ণ। মই কাৰো কম বুলি কোৱা নাই। ইয়াত কাগজো দিছে। মানুহে চিধাই আহি কয়, মোক এইটো দিব। আগতেই দি দিয়ে কাগজ। গতিকে আমি এই ধৰণে কামবিলাক কৰো। মই জানো যে, মই সদস্য থাকোতে supplementary নাপালে আমাৰো খং উঠে। নাপাও, কেতিয়াবা পাও আৰু আপোনালোকৰ কেইজনমানে ইমান সোধে যে আপোনালোকে পাই থাকে বুলি বাকীসকলে ভাৱে। কাৰণ দুই এজনে কেতিয়াবা এবাৰ হাত দাঙে, কিন্তু তাৰ পাচফালে কেইজনমানে আগতেও হাত দাঙি থয়। এই সমস্যাটো আছে। গতিকে মই ভাবো যে, rule কেইটা পঢ়িব, supplementary ৰ ক্ষেত্ৰত কি rule আছে, প্ৰশ্নৰ ক্ষেত্ৰত কি rule আছে, supplementary ৰ কেনেকৈ উত্তৰ দিব লাগে, মন্ত্ৰীয়ে কেনেকৈ উত্তৰ দিব লাগে, সকলোখিনি আছে। কিন্তু supplementary যেতিয়া বহল হৈ যায়, মন্ত্ৰীয়ে বহল হলেও উত্তৰ দিয়ে, দীঘল হৈ যায়। সেইকাৰণে supplementary সদায় sharp হ'ব লাগে। লিখি আনিব লাগে, যে প্ৰশ্নটো কি হ'ব। এতিয়া point of order কি আছে কওঁক। আজি বাজেট আলোচনাৰ শেষ দিন, সেইকাৰণে সময় দিব লাগিব।

**শ্ৰী জাকিৰ হুচেইন সিকদাৰ, সৰুক্ষেত্ৰীঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, Question No. 108, Starred Question. তাতে মাননীয় মন্ত্ৰী ডাঙৰীয়াক প্ৰশ্ন শুধা হৈছিল আৰু উত্তৰ দিলে যে মুখ্য মন্ত্ৰী, কৃষি সা-সজুলি যোজনাৰ অধীনত অসমত মুঠ চাৰি লাখ আঠাইশ হাজাৰ সাতশ তিনি জন কৃষকক পুঁজি আৱণ্টনৰ বাবে বাচনি কৰা হৈছিল আৰু যদি জিলা হিচাপে তথ্য দিছে, বৰপেটা জিলাত চাৰি হাজাৰ পাচশ একাশীজন কৃষকক বাচনি কৰা হৈছে। অধ্যক্ষ ডাঙৰীয়া ইয়াৰ আগতে পবিত্ৰ বিধান সভাত মাননীয় কৃষি বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই আমাক কথা দিছিল যে বৰপেটা জিলাত আঠটা বিধান সভা সমষ্টিৰ মাত্ৰ দুখন বিধান সভা সমষ্টিতে কৃষকসকলৰ কাৰণে বাচনি কৰা হৈছিল, ছয়খনত বাচনি বন্ধ হৈছিল। দ্বিতীয় পৰ্য্যায়ৰ কাৰণে ইতিমধ্যে বাচনি চলি আছে কিন্তু

প্ৰথম পৰ্য্যায়ত ছয়টা বিধান সভা সমষ্টিত এতিয়ালৈকে প্ৰথম পৰ্য্যায়ত কৃষকসকলৰ বাচনি বন্ধ কৰি থৈছে। গতিকে এইটো অতিকৈ জৰুৰী বিষয়, যে গোটেই অসমৰ কৃষকসকল উপকৃত হ'ব, বৰপেটা জিলাৰ ছয়টা বিধান সভা সমষ্টিৰ কৃষকসকল বঞ্চিত হ'ব। এই ক্ষেত্ৰত মন্ত্ৰী ডাঙৰীয়াৰ আগতে দৃষ্টি গোচৰ কৰিছিলো আৰু আজিও আপোনাৰ জৰিয়তে মন্ত্ৰী ডাঙৰীয়াক দৃষ্টি গোচৰ কৰিলো যাতে এই বিষয়টো অতিকৈ জৰুৰী হিচাপে গণ্য কৰি আজি এটা নিৰ্দেশ দিব লাগে বৰপেটা জিলাৰ কৃষি বিষয়ালৈ নিৰ্দেশ দিব ছয়টা বিধান সভা সমষ্টিত কৃষকসকল উপকৃত হয়।

**মাননীয় অধ্যক্ষঃ** শ্ৰী দেৱব্ৰত শইকীয়া।

**শ্ৰী দেবব্ৰত শইকীয়া, নাজিৰাঃ** চাৰ, ১০৬ নম্বৰত যিহেতু NHM ৰ বিষয়লৈ এটা প্ৰশ্ন আহিছিল। মোৰ সেই সৰ্ম্পকে কিছু ক'ব লগা আছিল। কিছু কাগজ পত্ৰ আছে, সেইখিনি আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়লৈ দিব বিচাৰিছো। ভাৰত চৰকাৰৰ নিৰ্দেশনা কিছুমান আছে আমি সেইখিনি অসমত ফল' কৰিলে NHM ৰ কৰ্মচাৰী সকলৰ সুবিধা হ'ব।

**মাননীয় অধ্যক্ষঃ** মোৰ এইখিনি মন্ত্ৰী ডাঙৰীয়ালৈ Action ৰ কাৰণে পঠিয়াম।

**শ্ৰী দুৰ্গা ভূমিজ, ডুমডুমা ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, প্ৰশ্ন নং ১০৯। ইয়াত উত্তৰ পাইছো, যে নম্বৰত NH -37 to Hukanguri TE। পি এম জি এচ ৱাইৰ ৰাষ্টা কমপ্লিট দেখুৱা হৈছে। Annexure -A.

**মাননীয় অধ্যক্ষঃ** Annexure -A ত আছে, কিন্তু তাত একো আপুনি পোৱা নাই।

**শ্ৰী দুৰ্গা ভূমিজ, ডুমডুমা ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, ইয়াত ৰাষ্টা কমপ্লিট বুলি দেখুৱা হৈছে। ৰাষ্টাটো নিৰ্মাণেই হোৱা নাই। কমপ্লিট কেনেকৈ হ'ল। কোনে এইটো কমপ্লিট কৰিলে।

**মাননীয় অধ্যক্ষঃ** You give in writting I will take action. আপুনি মোক আজিয়ে দি দিব।

**শ্ৰী দুৰ্গা ভূমিজ, ডুমডুমা ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া নম্বৰ আৰু এটা আছে। বিজয় নগৰ ৰ'ড যিটো বনোৱা হৈছে সেই ৰাষ্টাটোৰ মাজত কাৰেণ্টৰ খুটা চাৰিটা আছে। কোনে কমপ্লিট দেখুৱালে এইটো।

**মাননীয় অধ্যক্ষঃ** উত্তৰটোত যিহেতু বিসংগতি দেখিছে, সেই বিসংগতিকেইটা লিখি মোৰ তাত আজিয়েই দি দিব। So I can take necessary action on that. আপুনি যিকেইটা দেখিছে, সেইকেইটা শুদ্ধ উত্তৰ হোৱা নাই।

**শ্ৰী দুৰ্গা ভূমিজ, ডুমডুমা ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, আৰু এটা আছে ডুমডুমা দীঘলটৰাং ৰোড।

**মাননীয় অধ্যক্ষঃ** একেটা প্ৰশ্নতে নহয় জানো?

**শ্ৰী দুৰ্গা ভূমিজ, ডুমডুমা ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, একেটা প্ৰশ্নৰে।

**মাননীয় অধ্যক্ষঃ** আপুনি যিকেইটা দেখিছে, সেইটো শুদ্ধ উত্তৰ হোৱা নাই। আপুনি সেইকেইটা point note কৰি মোক দিব I will take action.

**শ্ৰী দুৰ্গা ভূমিজ, ডুমডুমা ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, ডুমডুমা Dighaltarang Road, নতুন লাইন হৈ ৰূপবাম। মই মন্ত্ৰী মহোদয়ক লিখি দিছিলো সেইদিনাখন।

**মাননীয় অধ্যক্ষঃ** এইটোতো প্ৰশ্ন উত্তৰ নহয়। আপোনাক মই কৈছো যিকেইটা বিসংগতি আছে লিখি দিব, আপুনি উত্তৰ পাব। নাপালে মোক আহি প্ৰশ্ন কৰিব। প্ৰথম শূণ্যকালীন ঘণ্টা, শ্ৰী ৰূপজ্যোতি কুৰ্মী।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, মৰিয়নি ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, বিধান সভাৰ Rule Zero Hours দিনত এটা গুৰুত্বপূৰ্ণ বিষয় খবৰ বাতৰি কাকতত প্ৰকাশিত ১০ তাৰিখৰ বাতৰিত সোনোৱাল চাহ বাগিচা Lock out এই সন্দৰ্ভত আপুনি ক'বলৈ সুযোগ দিয়াৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছো। আমি যদি চাওঁ, বনাচ মানে চাহ বাগিচাৰ লোক সকলৰ বাবে গোটেই বছৰটো কাম কৰি এটা তেওঁলোকে এটা সন্মান, উপহাৰ মালিক পক্ষৰ পৰা পায়, আৰু এইটো ১৯৬৫ বনাচ এক্টৰ অধীনত তাহানিৰ পৰা পাই আহিছিল। চাহ বুলি ক'লে আজি অসমৰ পৃথিৱীত চিনাকী চাহলৈ, ইয়াৰ লগতে কাজিৰঙাৰ যি এশিঙিয়া গড়, মাজুলী আৰু আমি এনেকৈ তিনি চাৰিটা চিহ্ন অসমৰ ক'ব পাৰো যিসমূহ লৈ আমি অসম গৌৰৱ কৰো, আমাৰ অসমৰ এটা চিনাকী আছে গোটেই বিশ্বত। কিন্তু এই চাহৰ লগত জড়িত যিসকল শ্ৰমিক, এই শ্ৰমিক সকলে আজি যেনেকুৱাকৈ নিজৰ প্ৰাপ্য যিটো উপহাৰ বা কষ্টৰ যিটো শ্ৰমৰ মূল্য পাবলৈ তেনেকৈ হাহাকাৰ কৰিবলগীয়া হৈছে, এইটো অতি পৰিতাপৰ বিষয়। মই এইখিনিতে ক'ব বিচাৰো যে, ২০১৪ চনত অচ্ছে দিন শব্দৰে কেন্দ্ৰত এখন নতুন চৰকাৰ আহিছিল, ২০১৬ চনত জাতি মাটি ভেটি ৰক্ষাৰ নামত যি এখন চৰকাৰ আহিছিল, জাতি বুলি কলে অসমীয়া জাতিৰ আমি চাহ জনগোষ্ঠী সমূহ নিশ্চয় এই অসমীয়া জাতি এটাত বৃহত্তৰ অংগ বুলি আমি নিজকে ধাৰণা কৰো। কিন্তু আজি এই চাহ বাগিচাৰ শ্ৰমিকসকল আজি দুখত থাকিবলগীয়া হৈছে, নিজৰ প্ৰাপ্যৰ কাৰণে হাহাকাৰ কৰিবলগীয়া হৈছে। আজিৰ পৰা প্ৰায় আঠমাহ মান আগত হাতীখিৰা চাহ বাগান পাথাৰকান্দি সমষ্টিৰ কৰিমগঞ্জৰ Lock out হ'ল দূৰ্গা পূজাৰ সময়ত। তাৰ কেইদিনমানৰ পিছতে শিঙৰাজান চাহ বাগান সোনাৰী সমষ্টিৰ প্ৰায় Lock out দৰে হ'ল শ্ৰমিকে হাজিৰা পোৱা নাই। ৰেচন পোৱা নাই সৌ সিদিনা মই হাতীখিৰা চাহ বাগান, আমাৰ বন্ধু উত্তৰ কৰিমগঞ্জৰ বিদায়ক শ্ৰী কমলেক্ষ্য দে পুৰকায়স্থৰ লগত, জিলা উপায়ুক্তৰ কাৰ্য্যালয়ৰ সন্মুখত ধৰ্না, অনাশন প্ৰতিবাদী কাৰ্য্যসূচী, থানাত মালিকপক্ষৰ ওপৰত এজাহাৰ দিয়া হ'ল। জিলাৰ উপায়ুক্তৰ যোগেদি মাননীয় মুখ্য মন্ত্ৰীলৈ স্মাৰক পত্ৰ পঠোৱা হ'ল। দুজনকে বিধায়ক আমি মাননীয় মুখ্য মন্ত্ৰীলৈ স্মাৰক পত্ৰ প্ৰেৰণ কৰাৰ পাছতো, আজিলৈকে হাতীশিলা চাহ বাগান Lock out পৰা মুক্ত নাপালে। মই কৈ আছিলো হাতীশিলা চাহ বাগানৰ কথা কেইদিন মান আগলৈকে। অন্য সমষ্টি, সোনাৰি সমষ্টিৰ শিঙৰাজান বাগানৰ কথা কৈ আছিলো। কৈ থকাৰ মাজতে মোৰ মৰিগাওঁ সমষ্টিৰ হনোৱাল চাহ বাগিচা লগতে আৰু দুটা ডিভিজন আছে, হাতীজুৰি আৰু নগাডুলি এই দুটা বাগানৰ লগতে Lock out কাৰণটো হ'ল দূৰ্গা পূজাৰ সময়ত বনাচ পাব লাগে ২০ শতাংশৰ ঠাইত, তেওঁলোকে ১০ শতাংশ পাইছে। বাকী ১০ শতাংশ মালিক পক্ষই তেওঁলোকক কৈছিল যে মাঘৰ বিহুৰ সময়ত দিয়া হ'ব, বা হ'লীৰ সময়ত দিয়া হ'ব। মাঘৰ বিহুৰ সময়ত দিব নোৱাৰিলে, কলে যে ফাকুৱাৰ সময়ত দিয়া হ'ব। ফাকুৱাৰ এদিনৰ আগত দিয়া কথা অৰ্থাৎ ৭ তাৰিখে দিয়াৰ কথা আছিল। কিন্তু ৭ তাৰিখে ৰাতি মেনেজাৰ, গোটেই ষ্টাফ বাগান তলা মাৰি Lock out কৰি পলাই গুছি গ'ল। এতিয়া প্ৰশ্নটো হ'ল যে হাতীশিলা চাহ বাগান, শিঙিৰাজান চাহ বাগিচা, হনোৱাল চহবাগান বন্ধ হৈ যোৱাৰ মাজতে এপিজি কোম্পানীৰ অধীনত ১৪ খন বাগান এতিয়া Lock out হোৱাৰ পৰ্য্যায়ত পাইছে। তেওঁলোকক দূৰ্গাপুজাত ১৩ শতাংশ বনাচ দিলে। ৭ শতাংশ বনাচ তেওঁলোকক কোৱা হৈছিল হ'লীৰ আগত দিয়া হ'ব, অৰ্থাৎ ৩.৫ শতাংশ এতিয়া দিয়া হ'ব। কিন্তু এতিয়া হ'লীৰ আগত তেওঁলোকক কোৱা হ'ল, হয় ৭ শতাংশৰ আধাহে দিয়া হ'ব। বাকী ৩.৫ শতাংশ পিছলৈ পাব। যেতিয়া শ্ৰমিকে মানি নললে Law and Order দৰে এটা পৰিবেশ সৃষ্টি হ'ল। এতিয়া তেওঁলোকে কৈছে যে ৩১ মাৰ্চৰ ভিতৰত আমি ৭ শতাংশ

বনাচ দিম, কিন্তু নিশ্চয়তা নাই। আমি এইখিনিতে বহু মেনেজাৰ মালিক পক্ষৰ লগত আজি দুদিন ধৰি বহু ৰাতিলৈকে মই যোগাযোগ কৰিবলৈ চেষ্টা কৰি আছো, আৰু জানিব চেষ্টা কৰিছিলো তেওঁলোকে কি হৈ আছে। চৰকাৰক মই এটাই আহ্বান জনাম,যে এইটো তেওঁলোকৰ Artificial crisis নে real crisis এই কথাটো অলপ জনাওক। নহলে কিন্তু চাহবাগিচা সমূহ এটা এটাকে Lock out হৈ গৈ আছে। ধাৰাবাহিক ভাবে এটা ভয়ানক পৰিস্থিতিৰ সৃষ্টি হ'ব। মই জনাব বিচাৰো ভাৰতবৰ্ষৰ ২য়টো শ্ৰেষ্ঠ employment generate কৰা উদ্যোগেই হৈছে চাহ উদ্দ্যোগ। After Indian Railway যদি কিবা কাৰনত চাহ বাগান যদি বেয়া হ'ব লাগা হয়, তেতিয়া গোটেই economy এটা collapse হৈ যোৱাৰ লগে লগেই এটা আইন শৃংখলাজনিত পৰিবেশৰ সৃষ্টি হ'ব।

**মাননীয় অধ্যক্ষ** ঃ- আজি অলপ চমু কৰিলে ভাল হ'ব, কাৰন বাজেটৰ দিচকাচন আছে, তাত অলপ সময় দিব লাগিব।

**শ্ৰী ৰূপজ্যোতি কুৰ্ম্মী, সদস্যঃ**- এইখিনিতে ক'ব বিচাৰো মাননীয় বিত্ত মন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্ম্মা ডাঙৰীয়া, কৃষি বিশ্ববিদ্যালয়ত কেইদিন মান আগতে গৈছিল। বাতৰি কাকতত আমি পঢ়িব পাইছো, চাহ উদ্যোগৰ ভৱিষ্যৎটো অলপ বেয়া। তেখেতে কৈছিল এই চাহ উদ্যোগটোৰ অৱস্থা অলপ বেয়া। মাননীয় অন্যতম গুৰিধৰোতা Parliamentary Affairs Minister চন্দ্ৰমোহন পাটোৱাৰী ডাঙৰীয়াই নিজেও সদনত চিন্তিত হৈ তেখেতৰ বক্তব্যত কৈছিল যে চাহ উদ্যোগ টোৰ কথা অলপ চিন্তনীয়। মই আপোনাৰ জৰিয়তে উদ্যোগ মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাম তেখেতক মই এটা আহ্বান জনাইছিলো যোৱা ২৪ জুলাইত মোৰ জন্ম দিন আৰু ২৫ জুলাইত এই সদনতে মই অনুৰোধ জনাইছিলো এখন সভা আহ্বান কৰিব লাগে। তেখেতে সভা আহ্বান কৰিছিল। চাৰে পাঁচ ঘন্টাযোৱা সভাখনত তেখেতে আৰম্ভনিৰ পৰা শেষলৈকে বহি আছিল। বহু আহিল বহু গুছি গ'ল। আপুনি আৰু আমি কিন্তু শেষলৈকে বহি থাকিলো। আপোনাৰ মন আছে, ইচ্ছা আছে কিন্তু আমি এই চাহ উদ্যোগ টোৰ কথা যদি এতিয়াই চিন্তা নকৰো, পৰিবেশ অলপ বেয়া হ'ব যেন আমি অনুভৱ কৰিছো। CCPAৰ Chairman, তেখেতে কৈছে Tea Industry was reeling under a 'prolonged' crisis and will not be able to pay more bonus to its workers. We may not be able to pay more other than the minimum 8.33% under the payment of Bonus Act, 1965 সেই টো CCPA ই কৈছিল ছেপ্তেম্বৰ মাহত। প্ৰথমবাৰৰ বাবে ITA য়ে Indian Tea Association, যে তেওঁলোকে প্ৰেচমিট কৰি ক'ব লগা হৈছে যে Tea Industry is in crisis.এইখিনিতে ক'ব বিচাৰিছো ITA ৰ Chairman, Vivek Goenka ই কৈছিল The Industry was in need of a financial package which should provide working capital loans with interest subvention along with a provision for a two year moratorium'' এতিয়া ইয়াত কথাটো হৈ গ'ল আপোনাৰ যোগেদি উদ্যোগ মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো চাহ উদ্যোগৰ ক্ষেত্ৰত মাননীয় উদ্যোগ মন্ত্ৰী মহোদয়কঅনুৰোধ জনাইছো চাহ উদ্যোগৰ ক্ষেত্ৰত মাননীয় উদ্যোগ মন্ত্ৰী মহোদয়ে অতি শীঘ্ৰেই উচ্চ পৰ্য্যায়ৰ মাননীয় মুখ্যমন্ত্ৰীক লৈ আমাৰ ষ্টেক হ'লডাৰ সকলক লৈ, ষ্টেক হ'লডাৰ নহয়, মালিক আহক, কোম্পানীৰ, উইলিয়ামচন মেগৰৰ দৰে বৃহৎ কোম্পানীৰ মালিক আহক, আমাকো পাৰিলে মাতক আৰু অতি শীঘ্ৰেই এই চাহ উদ্যোগৰ লগত এটা আলোচনা কৰক, আৰু পাৰিলে অসম বিধান সভাৰ পৰা এটা

resolution লোৱাটো ভাল। কেন্দ্ৰীয় চৰকাৰলৈ যে ১০০০ কোটি টকা বা ডাঙৰ পেকেজ চাহ উদ্যোগৰ বাবে দিয়াৰ কাৰণে এটা ব্যৱস্থা কৰা বওঁক বুলি আহ্বান জনাইছো।

মাননীয় অধ্যক্ষ -ঃ- মই আজি এটা কথা কৰ খুজিছো যে আমাৰ সময় কম আছে, সেয়েহে যিমান পাৰে সিমান চমু কৰিব, আৰু যদি দীঘল ষ্টেটমেন্ট হয়, তেতিয়া লে' কৰিব। কাৰন আমাৰ বাজেটৰ ওপৰত ক'বলগীয়া কেইজনমান ব্যক্তি আছে। আমি দি লৰ লাগিব। আপুনি কওঁক।

**শ্ৰী সঞ্জয় কিষাণ, মন্ত্ৰী** ঃ- মাননীয় অধ্যক্ষ ডাঙৰীয়া মই খুব কম সময়ৰ ভিতৰতে উত্তৰটো দিব ওলীইছো। মই ধন্যবাদ জনাইছো, কুৰ্ম্মী ডাঙৰীয়াক. অধ্যক্ষ ডাঙৰীয়া যোৰহাট জিলাৰ মৰিয়নী সমষ্টিত অৱস্থিত হনুৱাল চাহ বাগিচা। অধ্যক্ষ ডাঙৰীয়া, এই বোনাচৰ যি ব্যৱস্থা, এই ব্যৱস্থাৰ কাৰনে আচলতে মালিক পক্ষ, শ্ৰমিক সংগঠন তেওঁলোকৰ মাজত চুক্তি হয়, আৰু এই হনোৱাল চাহ বাগিচাতো তেনেধৰণৰ চুক্তি এটা হৈছিল আৰু এই চুক্তি অনুসৰি ১০ শতাংশ পূজাৰ আগত শ্ৰমিক সকলক আদায় দিয়া হয় আৰু চুক্তি মতে বাকী ১০ শতাংশৰ ২য় কৃস্তিৰ ৫ শতাংশ মাৰ্চ মাহৰ ভিতৰত আৰু অৱশিষ্ট ৫ শতাংশ জুলাই মাহৰ ভিতৰত আদায় দিয়াৰ কথা। কিন্তু বোনাচ যিহেতু বাগানৰ শ্ৰমিক সকলৰ কাৰনে ডাঙৰ উৎসৱ আৰু শ্ৰমিক সকলে বোনাচৰ আগতেই হনোৱাল চাহ বাগিচাত আমি জনা তথ্য মতে ১০ শতাংশ বোনাচ বিচাৰিছিল মালিক পক্ষৰ পৰা। কিন্তু এই বোনাচ দিব পৰা ক্ষমতা নাই বুলি পৰিচালকে কোৱাত শ্ৰমিক সকলে গনতান্ত্ৰিক প্ৰক্ৰিয়াৰে আন্দোলন আৰম্ভ কৰে। সেই কাৰনে যোৱা ৬ তাৰিখেই মেনেজমেন্টে উক্ত চাহ বাগিছাখন তলাবন্ধ ঘোষনা কৰিলে, আৰু যোৱা ৭ তাৰিখে আমাৰ শ্ৰম বিভাগ, কল্যাণ বিভাগ সকলোৱে উক্ত চাহবাগিছাত গ'ল। জিলা প্ৰশাসনৰ বিষয়ববীয়াও গ'ল। তাতে বিভিন্ন প্ৰতিনিধিৰ লগত আলোচনা বিলোচনা হ'ল। ইতিমধ্যে যিহেতু পৰিচালক মণ্ডলী তাৰ পৰা পলায়ন কৰিছে এবিটাৰ প্ৰতিনিধিবৰ্গ গৈ তাতে আলোচনা বিলোচনা কৰিছে। অতি শীঘ্ৰেই চাহ বাগিচাখন আগৰ অৱস্থালৈ আনিবৰ কাৰনে ব্যৱস্থা কৰি থকা হৈছে। অহা কালি শ্ৰম বিভাগৰ কাৰ্য্যালয়ত আমাৰ ট্ৰেড ইউনিয়ন আৰু আমাৰ এবিটা মালিক গোষ্ঠীৰ যি প্ৰতিনিধি তেখেত সকলক লৈ অহাকালি এখন সভা আয়োজন কৰা হৈছে। আমি আশা ৰাখিছো অধ্যক্ষ ডাঙৰীয়া যে অহা কালিৰ ভিতৰতে আমি এই চাহ বাগিচাখন খোলাৰ এক পৰিবেশ আহিব তাতে, আৰু আমি আশা কৰিছো যে পৰিচালক মণ্ডলী আৰু মালিক পক্ষই আমাক সহযোগিতা কৰিব। অতি শীঘ্ৰেই এই চাহ বাগিচাখন স্বাভাৱিক অৱস্থালৈ ঘুৰি আহিব। কাৰন হনোৱাল চাহ বাগিচা এখন ভাল চাহ বাগিচা। যোৱা দিন বিলাকত তেনে ধৰনৰ কোনো তাত পৰিবেশ নাি গতিকে আমি আশা কৰিছো যে অতি শীঘ্ৰেই এই চাহ বাগিচাখন পুনৰ খোলাই অনাৰ ব্যৱস্থালৈ আমি লৈ আনিব পাৰিম।

**শ্ৰীসুজাম উদ্দিন লস্কর (কাঠলিছড়া)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাদের ৯-৩-২০২০ তারিখের দৈনিক যুগশঙ্খ পেপারের খববের উপর বলার সুযোগ করে দেওয়ার জন্য আপনাকে অশেষ ধন্যবাদ। "দৈনিক যুগশঙ্খ" সংবাদ পত্রে " ক্লোজড এ এস আই টিংকু, তদন্তের নির্দেশ।" হাইলাকান্দি দাঙ্গা নিয়ে পুলিশ কর্তার ভিডিও ভাইরাল। মাননীয় অধ্যক্ষ মহোদয় গত ১০ মে ২০১৯ সালে জুম্মার নামাজের দিন বেলা ১ ঘটিকার সময় মটর সাইকেলের সিট কাটা নিয়ে হাইলাকান্দিতে একটি সাম্প্রদায়িক দাঙ্গা হয়। সেই দিন গুলি করে এক জনকে হত্যা করা হয়, ও আরও দশ জন জখম হন। গুলিতে জখম হওয়া ব্যক্তিকে শিলচর মেডিক্যাল কলেজ থেকে রেফার্ড করা হয়েছিল গুয়াহাটি মেডিক্যাল কলেজে। এই তদন্তে টিংকু গোস্বামী এ এস আই হাইলাকান্দি সদর থানায় ছিলেন। উনার উপরে এফ আই আর হয়েছিল । হাইলাকান্দি পি এস কেস নাম্বার ৪৪১ /১৯ জি

আর কেস নং ১০৯৩/১৯ আণ্ডার সেকশন ৩০২/ ৩৪ কিন্তু দুঃখের বিষয় এই কেস টা এক মাসের ভেতরে রেফার হয়ে যায়। আর সাময়িকভাবে টিংকু গোস্বামীকে বরখাস্থ করা হয়। এক মাসের পরে উনাকে মোহনপুর পেট্রোল পোষ্টে আবার বহাল রাখা হয়। বর্তমানে একটি ভি ডি ও বের হয়েছে তিনি নিজের মুখ দিয়ে বলছেন যে আমি একজনকে গুলি করে হত্যা করেছি, আরও দশ জনকে জখম করেছি। কিন্তু আমাদের সরকার কিছু করতে পারেনি। সেই ভিডিও টি সমগ্র অসম জুরে চলছে । আমার জেলা থেকে কয়েক শো ফোন আসছে যে, বিধায়ক সাহেব এই কথাটি বিধান সভায় তোলেন। অসমের বর্তমান পুলিশ প্রশাসন কেমন? একজনকে হত্যা করা হল তার নাম জমিরুদ্দিন তরফদার আরও দশ জন আহত হলেন আর সেই পুলিশ অফিসার আবার কিভাবে ডিউটি করছেন? এই ভিডিও ভাইরাল হওয়ার পর আমাদের ডি সি ও এস পি মহোদয় দুই জনের সঙ্গে আমার টেলিফোনে কথা হয়। বিভিন্ন সংস্থা এবং এন জি ও হাইলাকান্দি জেলা বন্ধ দেওয়ার জন্য ঘোষণা করছে। তাই আমি এই কথাটি বলতে চাই আজ টিংকু গোস্বামীকে ক্লোজড করে গুয়াহাটি সি আই ডি ব্রাঞ্চে আনা হয়েছে, উনাকে বরখাস্থ করা হোক। এফ আই আর যেটা ৪৪১/২০১৯ সেটাকে তদন্তের আওতায় নেওয়া হোক। কিভাবে কোন পুলিশ অফিসার যে ফাইনাল রিপোর্ট দিয়ে দিলেন। হাইলাকান্দি জেলা একটি শান্তিপ্রিয় জেলা কোনদিন এইরকম ঘটনা হয়নি। সেই সাম্প্রদায়িক দাঙ্গা হয়েছিল গত রমজান মাসে। এই ঘটনার জন্য সমগ্র জেলা বাসীকে বহু ভোগতে হয়েছে। টিংকু গোস্বামী একটি গাড়ী নিয়ে আসছিলেন, সেখানে একজন কনস্টেবলও গাড়ীর ভেতরে ছিল তার নাম দেবব্রত দাস ১৫ আই আর এভি ভি এম। আর জাভেদ বলে একটি ছেলেকে নিয়ে আসছিলেন সেখানে তিনি নিজের মুখে বক্তব্য দিচ্ছেন আমি একজনকে গুলি করে মেরেছি। আরও দশ জনকে আহত করেছি। আমি আমার বক্তব্য দীর্ঘ করতে চাই না, বিশেষ অনুরোধ আমাদের মাননীয় মুখ্যমন্ত্রী আওতায় এই হোম বিভাগ, যে কোন উপায়ে এই টিংকু গোস্বামীকে যেন কঠোর শাস্তি দেওয়া হয় । ভবিষ্যতে আর কোন পুলিশ অফিসার যেন এইরকম কাজ করতে পারে না । এই বলে আমি আমার বক্তব্য শেষ করছি। ধন্যবাদ।

**শ্রীৰমেন্দ্র নাৰায়ন কলিতা, পশ্চিম গুৱাহাটী ঃ** অধ্যক্ষ মহোদয়, সেই অভিযোগ খিনিৰ ভিতৰত - প্ৰথম অভিযোগটো হৈছে যে, IDOL ত ৮ টা পাঠ্যক্ৰমৰ বাবে অনুমোদন দিয়া হৈছিলে। Distance Education Council আৰু University Grant Commission (UGC) ৰ দ্বাৰা অনুমোদন দিয়া হৈছিল। মই ইয়াত Annexure সংলগ্ন কৰি দিছো। এইখিনি মই আপোনাক দাখিল কৰিম। আইডলত বাকী ২১ টা পাঠ্যক্ৰমৰ বাবে Distance Education Council আৰু University Grant Commission (UGC) ৰ অনুমোদন নাছিল। ২১ টা পাঠ্যক্ৰমৰ অনুমোদন নোহোৱাকৈ সেই সময়ৰ IDOL ৰ Director গৰাকীয়ে এই পাঠ্যক্ৰমখিনি নিজাববীয়াকৈ প্ৰৱৰ্ত্তন কৰিছিল। এই অনুমোদন নোহোৱা পাঠ্যক্ৰমখিনিত শিক্ষাৰ্থী আছিল মুঠ-৭৩,৯১২ গৰাকী। ইয়াৰ বাবদ শিক্ষাৰ মাচুল সংগ্ৰহ হৈছিল-৩৯.০৬ কোটি টকা । এতিয়া যিসকল শিক্ষাৰ্থীয়ে এই ২১ টা অনুমোদন নোহোৱা পাঠ্যক্ৰমত নামভৰ্ত্তি কৰি উত্তীৰ্ণ হ'ল। যিহেতু এই ২১ টা পাঠ্যক্ৰমৰ অনুমোদন নাছিল গতিকে এই উত্তীৰ্ণ হোৱা শিক্ষাৰ্থীসকলৰ ভৱিষ্যত অন্ধকাৰত ডুব গৈছে। যিখিনি টকা সংগ্ৰহ কৰিছিল সেই টকাখিনিৰো খেলি মেলি হোৱা বুলি ইতিমধ্যে প্ৰকাশ পাইছে। এই কথাটো যেতিয়া প্ৰকাশত আহিল তেতিয়া বিশেষভাৱে গুৱাহাটী বিশ্ববিদ্যালয়ৰ Executive Councilয়ে মহামাণ্য গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অৱসৰ প্ৰাপ্ত মুখ্য ন্যায়ধীশ- শ্ৰীআফতাফ হুছেইন শইকীয়া ডাঙৰীয়াক এই গোটেই বিষয়টো তদন্ত কৰিবলৈ

কমিটি গঠন কৰি দিছিল। এতিয়ালৈকে এই কমিটিয়ে তদন্ত ৰ ৰিপোৰ্ট দাখিল কৰা নাই। তাৰ বিপৰীতে এইগৰাকীক অলপতে এখন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য হিচাপে নিযুক্তি দিছে। যিহেতু তদন্তৰ প্ৰক্ৰিয়া এতিয়াও সমাপ্ত হোৱা নাই গতিকে কেনেধৰনে আৰু কি কাৰণত এই নিযুক্তি দিলে। এই কথাটো মই আপোনাৰ জৰিয়তে ৰাজ্য চৰকাৰৰ পৰা জানিব বিচাৰিছো। আৰু দ্বিতীয়তে, দুই নং অভিযোগটো হৈছে ছাৰ- Accountant General ৰ Audit Report ত সেই সময়ৰ Director General এ Study Meterial Print কৰাৰ নামত অতিৰিক্ত ২ কোটি ৭৪ লাখ টকা আদায় দিয়া বুলি গুৰুতৰ অভিযোগ আছে। Accountant General ৰ Report ত এই কথাটো সন্নিবিষ্ট আছে। তেওঁলোকে উল্লেখ কৰিছে Excease Payment of Rupees 2.74 Cr. by the Director IDOL, Guwahati University for printing of Study Material. ইয়াত ছাৰ উল্লেখ কৰিছে, Accordingly Rates provided by the Director Guwahati University Press was compared with Rates Charge by the M/s Bikash Publication and founded , there was an excease Payment of Rupees 2.74 Cr. by Guwahati University as detail in Annexure. Due to non initiation of any efforts on the Part of IDOL Guwahati University to develop its own Study Meterial even though fund received form Distance Education Burea and the Teacher and the Tender Committee. Guwahati University without inviting Tender and selecting M/s Bikash Publication without negotiating the Rates Quoted by the Publisher resulted in the Excease Payment of Rupees to 2.74 Cr. ইয়াত স্পষ্টভাবে এই কথাখিনি লিখা আছে। তৃতীয়তে ছাৰ....

**মাননীয় অধ্যক্ষ ঃ** Try to conclude Please. সময় কথা আছে।

**শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতা, পশ্চিম গুৱাহাটী ঃ** Accountant General ৰ Report ত আৰু এটা কথা সন্নিবিষ্ট আছে যে Councelling Class ৰ নামত ৫৫ লাখ ৫৩ হাজাৰ টকা ব্যয় কৰা বুলি গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। উল্লেখযোগ্য, এই ব্যয় Fictious অৰ্থাৎ কল্পনাপ্ৰসুত বা অৱাস্তৱ বুলি ব্যক্ত কৰিছে।

**মাননীয় অধ্যক্ষ ঃ** সেই কাৰনে AG Report ত এই কথাটো আহিছে। অন্যথা নাহে। There will be some definite Grounds যিহেতু আপুনি আমাক গ্ৰাউণ্ডখিনি দিলে We can be a part of the Proceedings. আমি পাৰ্টত অৰ্ন্তভুক্ত কৰিম।..... সময় কম আছে।

**শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতা, পশ্চিম গুৱাহাটী ঃ** অধ্যক্ষ মহোদয়, এইটো মই আপোনাৰ জৰিয়তে . মন্ত্ৰী মহোদয়ক দাখিল কৰিছো। আৰু এটা কথা হ'ল অধ্যক্ষ মহোদয়, এইটো এটা গুৰুতৰ অভিযোগ। পদোন্নতিৰ ওপৰতো অভিযোগ উত্থাপন হৈছিল। গুৱাহাটী বিশ্ব বিদ্যালয়ৰ Executive Council ইয়াৰ বাবে Dr.B.R Bhuyan আৰু J.P.Saikiaৰ নেতৃত্বত এখন Inquiary Committee গঠন কৰি দিছিল । এই কমিটিয়ে তেওঁৰ পদোন্নতিটো গুৱাহাটী বিশ্ববিদ্যালয়ৰ নিয়ম ভঙ্গ কৰি দিয়া বুলি ৰিপোৰ্ট দিছিল। কাউন্সিলৰ যিটো ৰিপোৰ্ট এইটো সেই ৰিপোৰ্টত আছে। ইয়াত দিয়া আছে- Dr. Das was appointed as director from 19-08-2011 against and advertisement dtd. on 07-02-2011 interviewd on 21-02-2012 and appointment Letter issued 22-02-

2013 which is a violation of all appointment Rules of the University. It is obvious that this was done only to give Finacial benefit to Dr. Das . So that He could claim Financial benefit from his earlier Service Period19-08-2006- 18-08-2011 the Pay and Allounces as fixed for Dr. Das is not recorded in his Service Book . This is also a gross violation of standerd Practices of the University. গতিকে ছাৰ স্পষ্টভাৱে লিখা আছে।

**মাননীয় অধ্যক্ষ ঃ** আপোনাৰ allegation ৰেকৰ্ড হ'ব। আপুনি তথ্যখিনি দিব।

**শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতা, পশ্চিম গুৱাহাটী ঃ** নিশ্চয় ছাৰ, এতিয়া এই ব্যক্তি জন , যিজনৰ তদন্ত চলি আছে। এনে এজন ব্যক্তি যিজনে আমাৰ K .K Handique open University ত উপাচাৰ্য্য হিচাপে কি ভাবে নিযুক্তি পালে? এই কথাটো মই আপোনাৰ জৰিয়তে মাননীয় শিক্ষা মন্ত্ৰী তথা ৰাজ্য চৰকাৰৰ দৃষ্টি আকৰ্ষন কৰিছো।

মাননীয় অধ্যক্ষ ঃ Minister Please.

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, গুৱাহাটী বিশ্ব বিদ্যালয়ৰ 'আইডল' বা য'ত Open Learning Education হয় তাত সঞ্চালক হিচাপে কৰ্ন্দপ কুমাৰ দাস ডাঙৰীয়াই কাৰ্য্য নিৰ্ব্বাহি কৰিছিল। তেখেতে কাৰ্য্য নিৰ্ব্বাহি কৰাৰ সময়ছোৱাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ওপৰত মহাগাণনিকৰ Audit Examination হয়। ইয়াৰ কাৰ্য্যপন্থা হিচাপে এ জিৰ এটা ৰিপোৰ্ট আহে। সন্মানীয় সদস্য ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াই কোৱাৰ দৰে Accountant General ৰ যিটো Report সেই ৰিপোৰ্টটো অত্যন্ত গুৰুত্বপূৰ্ণ· । সেই ৰিপোৰ্টটোত 'আইডল' যি ধৰণে চলোৱা হৈছিল তাৰ ওপৰত এটা বহুত ডাঙৰ প্ৰশ্নবোধক চীন থকাটো সত্য। বহুত ল'ৰা-ছোৱালীয়ে ডিগ্ৰী পালে, ইউ জি চিয়ে কৈছে যে এই ডিগ্ৰীখিনিক recognised কৰিব পৰা নহ'ব। কাৰণ তেওঁলোকে পাঠ্যক্ৰমখিনি চলোৱাৰ সময়ত যিখিনি ৰেগুলেটৰী প্ৰেকটিছ তেওঁলোকে পালন কৰিব লাগিছিল সেইখিনি পালন কৰা নাই। বিভিন্ন সময়ত মই কৰাপচন বুলি নকও, মই মিছমেনেজমেন্ট অফ ফাণ্ড বা আন ধৰণৰ কথাও একাউনটেন্ট জেনেৰেল ৰ ৰিপোৰ্টত অহাটো সত্য। এই ৰিপোৰ্টখিনি পোৱাৰ পিছত গুৱাহাটী বিশ্ববিদ্যালয় কৰ্ত্তীপক্ষতৰ দৃষ্টিগোচৰ হয় আৰু গুৱাহাটী বিশ্ববিদ্যালয় কৰ্ত্তীপক্ষই ইং ২০১৯ চনৰ ডিচেম্বৰ মাহৰ ৮ তাৰিখে তেওঁলোকে এখন উচ্চ পৰ্য্যায়ৰ তদন্ত আয়োগ গঠন কৰি দিয়ে জম্মুকাশ্মীৰ উচ্চ ন্যায়ালয়ৰ অৱসৰ প্ৰাপ্ত মুখ্য ন্যায়ধীশ আফটাবুদ্দিন শইকীয়া ডাঙৰীয়াৰ অধ্যক্ষতাত। স্বাভাৱিক ভাৱে এই তদন্ত আয়োগ এতিয়াও চলি আছে আৰু আজি এই প্ৰশ্নটো কৰাৰ পিছত মই ইতিমধ্যে আমাৰ উচ্চ শিক্ষা বিভাগক জনাইছো যে গুৱাহাটী বিশ্ববিদ্যালয়ক আমি এখন পত্ৰ লিখিব লাগে যে পৰৱৰ্তী তিনি মাহৰ ভিতৰত এই তদন্তটো সম্পূৰ্ণ হ'ব লাগে। আৰু তিনি মাহৰ ভিতৰত এই তদন্তটো সম্পূৰ্ণ হোৱাৰ পিছত আমি হাউচত এই ৰিপোৰ্টটো শ্বেয়াৰ কৰিম। তাৰ পিছত হাউচে যিকোনো সিদ্ধান্ত ল'ব পাৰিব। যিহেতু এ জি ৰ report is the property of the House. গতিকে ন্যায়ধীশ এ শইকীয়া আয়োগৰ ৰিপোৰ্টটো আমি হাউচ তিনি মাহৰ ভিতৰত আনি দিয়াৰ বাবে চেষ্টা কৰিম আৰু সেই ৰিপোৰ্টটোত যদি যি গৰাকী ব্যক্তিৰ কথা ইয়াত আমি আলোচনা কৰিছো, সচাকৈয়ে যদি তেখেত ইনডাইক কৰে তেতিয়াহলে চৰকাৰে নিশ্চয় কৰবাত তেওঁক নতুনকৈ নিযুক্তি দিয়া হলেও তাৰ ক্ষেত্ৰত আমাৰ হাতত যিখিনি ক্ষমতা থাকিব সেই ক্ষমতাৰ প্ৰয়োগ কৰি অসমৰ মহামান্য ৰাজ্যপাল ডাঙৰীয়াৰ

লগত আলোচনা কৰি আমি নিশ্চয় কাৰেকটিভ ষ্টেপ লম। তিনি মাহ সময় আমাক দিয়ক, আমি যিখিনি কৰিব লাগে আমি কৰিম। অৱশ্যে এটা কথা এই হাউচত, যিহেতু Chencellor ডাঙৰীয়াই উপাচাৰ্য্য নিযুক্তি কৰে আৰু ৰাজ্যপাল মহোদয়ৰ কোনো ধৰণৰ কথা এই হাউচত আলোচনা হ'ব নোৱাৰে আৰু কৰাতো উচিত নহয়। গতিকে সেই বিষয়টোৰ পৰা নিলগত থাকি মই মাত্ৰ এটা কথা কব খুজিছো যে ৰাজ্যপালে উপাচাৰ্য কেনেকে নিযুক্তি কৰে, Search কমিটিয়ে তিনিটা নাম দিয়ে, সেই তিনিটা নামৰ ওপৰত তেওঁলোকে এটা পিক কৰে। কৰবাত আমাৰ মৌলিক অসুবিধা আছে কাৰণ এই Search কমিটিৰ এজন সদস্য আছিল কৃষি বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচৰ্য্য বুজৰ বৰুৱা ডাঙৰীয়া, আনজন চৰকাৰৰ মনোনিত সদস্য আছিল শংকৰদেৱ বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ড০ উমেশ শৰ্মা। ৰাজ্যপাল মহোদয়ে দিয়া জন তেওঁ ৰাজ্যৰ নহয়, তেওঁ বাহিৰৰ এজন শিক্ষাবিদ। কিন্তু আমাৰ ৰাজ্যৰ যিদুজন শিক্ষাবিদক আমি নিযুক্তি দিছিলো Search কমিটিত, তেওঁলোকে গোটেই কথাটোৰ ওপৰত অৱগত আছিল। এতিয়া আমি নাজানো যে এই বিষয়টো তেওঁলোকে Search কমিটিৰ বৈঠকত উত্থাপন কৰিছিল নে নাই! মই নিশ্চিত যদি Search কমিটিৰ বৈঠকত এই কথাখিনি উল্লেখ কৰা হ'ল হেতেন তেতিয়াহলে এই নামটো তিনিজনৰ ভিতৰত নাহিলেই হেতেন। আৰু তিনিজনৰ ভিতৰত নাহিলে ৰাজ্যপাল মহোদয়ৰ ওচৰতো নগ'ল হেতেন! এতিয়া আমি Search কমিটিত একোজন মানুহ মনোনয়ন কৰো on behalf of Government. কিন্তু তেওঁ চৰকাৰৰ ভিউ বিলাকহে জনাব লাগে। যদি চৰকাৰৰ মনোনীত হয়। তেওঁলোকে স্বাধীন ভাৱে আচৰণ কৰে, তেওঁলোকে চৰকাৰক নোসোধে যে মইটো চৰকাৰৰ হৈ যাম চৰকাৰৰ কি ভিউ আছে, ফাইলত কিবা অমূক অমূকৰ বিৰূদ্ধে এডভাইজ ৰিপোৰ্ট আছে নেকি, এই কথাখিনি চৰকাৰৰ প্ৰতিনীধি জনে জনোৱা উচিত। চৰকাৰৰ প্ৰতিনীধি জনে নজনাই, সেইকাৰণে মই এটা মনতে সিদ্ধান্ত লৈছো যে এতিয়াৰ পৰা Search কমিটিত আমি হয়তো মুখ্যসচিব, নহ'লে অতিৰিক্ত মুখ্যসচিব, নহ'লে প্ৰধান সচিব শিক্ষা বিভাগৰ will be the member on behalf of Government. কাৰণ ফাইলৰ কথাবাৰ্তাটো independent মানুহজনে নাজানিব। যদি মুখ্যসচিব মেম্বাৰ হয় তেওঁ ঘুৰি আহি এচ বি ক ফোন কৰিব যে এই মানুহ জনৰ বিপৰীতে adverse report আছে নেকি, এই মানুহ জনৰ কিবাত আছে নেকি? এতিয়া ড° উমেশ শৰ্মাক আমি কৰি দিলো মেম্বাৰ, তেওঁৰ চৰকাৰৰ লগত কোনো সম্পৰ্ক নাই। তেওঁ ভাবিছে এইটো এটা সন্মান দিয়া হ'ল। তেওঁক সন্মান দিয়া হোৱা নাই, He has been asked to represent the State Govt. of Assam in the search committe . কিন্তু তেওঁ ভাৱে এইটো মোৰ সন্মান হৈ গ'ল, গতিকে মোক আৰু কোনেও একো হস্তক্ষেপ নকৰিবদে। যেনেকৈ আমি ASEB Board ত আমাৰ মানুহ পঠাও, তেওঁ ভাৱে যে এইটো মোৰ independent কাম। State representative is to go by the views of the State. বাকী independent মেম্বাৰ কেইজনৰ কথা বেলেগ। ৰাজ্যৰ যিকোনো Board/corporation ত, এতিয়া নুমলিগড়ত যদি Finance Commissioner is Member হৈ যায় He has to represents to State. প্ৰত্যেক কথা মন্ত্ৰীক সুধিব লাগিব, যে চাৰ, আজি এজেণ্ডা আছে মোৰ responce কি হ'ব! তেওঁ কয় যে চাৰ এইটো বোৰ্ডৰ বিষয় মই ক'ব নোৱৰো, আৰে You are not appointed by nameyou have been appointed as a representative of State Govt. সেইকাৰণে আমি কেইটামান কৰিবলগীয়া আছে মই ৰাজ্যপাল মহোদয়কো ব্যক্তিগত ভাৱে নজৰত ৰাখিম যে এই বিষয়টোৰ তিনি মাহৰ ভিতৰত ৰিপোৰ্ট শেষ কৰিব দিছো

আৰু তিনিমাহত যদি adverse Report কাৰোবাৰ বিপক্ষে আহে, ৫ বছৰৰ কাৰণে লিখা থাকিলেও He has to submit resignation. কাৰণ এইতোটো আমি কৰিব নোৱাৰো, যদিও কোৱা আছে যে VC will be for the five years, but adverse Report থকা VC ক on moral graound আমি continue কৰিব দিব নোৱাৰো। মই ভাৱো যে হাউচৰ এইখিনি শক্তি আছে আৰু House will exercise that power. কিন্তু যদি তেওঁ ক্লিনচিট দিয়ে তেতিয়া আমি বিষয়টো সামৰণি মাৰিব লাগিব। সেই কাৰণে মই ভাৱো যে তিনি মাহ আমি অপেক্ষা কৰো, গুৱাহাটী বিশ্ববিদ্যালয়ক আমি জনাই দিম যে তিনি মাহৰ ভিতৰত আমাক ৰিপোৰ্ট লাগে। তেওঁলোকে যদি তিনিমাহৰ ভিতৰত ৰিপোৰ্ট নিদিয়ে আমি পাব্লিক একাউন্স কমিটিয়ে দুমাহাত এইটো সমাপ্ত কৰি দিব পাৰিম। Afterall CAG Report is the property of PAC. PACৰ সভাপতি মহোদয়ৰ লগতো মই কথা পাতিম যে it is a sensetive matter. যদি গুৱাহাটী বিশ্ববিদ্যালয়ে তিনি মাহৰ ভিতৰত ৰিপোৰ্ট নিদিয়ে আপুনি বিষয়টো নিজাববীয়াকৈ নিষ্পত্তি কৰি দিয়ক। কিন্তু ৰিপোৰ্ট যদি নিগেটিভ আহে We will take action. কিন্তু প্ৰজিটিভ আহিলে মই ভাৱো যে উপচাৰ্য্য এটা সন্মানীয় আখন We should not carry that long further. ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয়া সদস্যা অজন্তা নেওঁগ, আপোনাৰ বিষয়টো ৫৪ ৰ অধীনত।

**শ্ৰীমতী অজন্তা নেওগ ঃ** অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৫৪ নং নিয়মৰ অধীনত ২০২০ চনৰ ১৫ ফেব্ৰুৱাৰী তাৰিখৰ 'অসমীয়া প্ৰতিদিন' কাকতত প্ৰকাশিত 'কোৰোনা ঃ নিৰীক্ষণত আছে ভাৰতৰ ১৬ হাজাৰ সন্দেহযুক্ত ব্যক্তি' শীৰ্ষক বাতৰিটোৰ প্ৰতি স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰীৰ মনোযোগ আকৰ্ষণ কৰিব বিচাৰিছো। এতিয়া সমগ্ৰ বিশ্বতে এটা চৰ্চিত নাম হৈছে 'কোৰোনা'। এই কোৰোনা ভাইৰাচৰ সংক্ৰামনত বিশ্বৰ এখন অতি শক্তিশালী দেশ চীন দেশৰ অৱস্থা অতি সোচনীয়া হৈছে। এই ভাইৰাচৰ সংক্ৰামনত চীন দেশৰ ইউহাং বুলি এখন প্ৰদেশ আছে, তাত প্ৰায় ১ কোটিৰো অধিক জনসংখ্যা আছে। এই বহুল জনসংখ্যীত যিখন ইউহাং প্ৰদেশ আছে সেই প্ৰদেশখন এখন মৰিশালীত পৰিণত হৈছে। এই 'কোৰোনা ভাইৰাচ'টো ৰ বৰ্তমান নতুনকৈ নাম দিয়া হৈছে 'কভিদ ১৯' আৰু 'কোৰোনা' যিটো ভাইৰাচ আছে সেইটো দেখিবলৈ ক্ৰাউনৰ নিচিনা। এতিয়া বিজ্ঞানী সকলে কৈছে যে এই ভাইৰাচটোৰ আচলতে উৎসটো হৈছে, তেওঁলোকে ভাৱিছিল যে বাদুলীৰ পৰা অহা বুলি আৰু যিবিলাক সাগৰীয়া প্ৰাণী আছে তাৰ পৰাও অহা বুলি ভাৱিছিল, কিন্তু পিছত আৰু পুনৰ নিৰীক্ষণ হ'ল, পৰীক্ষা-নিৰীক্ষা হৈ তেতিয়া তেওঁলোকে কলে যে, সিদ্ধান্তত আহিল যে বাদুলী নহয় বনৰৌৰ পৰাহে আচলতে এই ভাইৰাচটোৰ উৎপত্তি হৈছে। এতিয়া ইউহাং সেই যিখন প্ৰদেশ আছে সেই ইউহাং প্ৰদেশত বিভিন্ন বন্য প্ৰাণী বিলাকৰ অংগ-প্ৰতঙ্গৰ ব্যৱসায়ৰ ডাঙৰ এখন বজাৰ আছে তাত মাংসৰ এখন বজাৰ আছে আৰু সেইখনে আচলতে গোটেই কাল হৈ পৰিলে। ফলশ্ৰুতিত এই যিটো ভাইৰাচ আছে এই ভাইৰাচটো এটা সংক্ৰমন আৰু গোটেই বিশ্বতেই অকল চীন দেশতেই নহয়, বিশ্বৰ প্ৰায় ৬৫ খন দেশত এই ভাইৰাচ সংক্ৰমন হৈছে । আৰু চীন দেশত ইতিমধ্যে অৰ্থনীতিত যথেষ্ট আঘাট হানিচে। বহুতো উদ্যোগ, বাণিজ্য তাত ধংস হৈছে আৰু বিশ্বৰো বহুতো দেশ এই ভাইৰাচৰ গ্ৰাসত পৰিছে । ইতিমধ্যে আমেৰিকা, ইৰাক, ইটালী এই দেশ বিলাকো কোৰোনা ভাইৰাচত আক্ৰান্ত হৈছে আৰু ইয়াতো তেওঁলোকৰ প্ৰভাৱ পৰিছে ।এতিয়া কথা হ'ল যে ভাৰতবৰ্ষত

এই ভাইৰাচটোৰ সংক্ৰমনৰো এক পৰিস্থিতি হৈছে। দিল্লীত ইতিমধ্যে কেইজন মান লোকৰ আক্ৰান্ত হোৱা বুলি বাতৰি কাকতত দেখিবলৈ পাইছো। দিল্লীত বিদ্যালয় বিলাকো বন্ধ কৰি দিছে। ভাৰতবৰ্ষৰ প্ৰায় ১৬ হাজাৰ লোক তেওঁলোক নিৰীক্ষণত আছে বুলি কৈছে বিভিন্ন ঠাইত । এতিয়া কথা হ'ল যে ই যদি এক মহামাৰী ৰূপ ধাৰণ কৰে তেতিয়াহ'লে আমাৰ ভাৰতবৰ্ষৰ গোটেই অৰ্থনীতি বেয় হ'ব । ইতিমধ্যে এই ভাইৰাচে অৰ্থনীতি দিশতো প্ৰভাৱ পেলাইছে । কাৰণ বাণিজ্যিক দিশতো আমি চীনৰ লগত কৰো । ভাৰতবৰ্ষৰ বিভিন্ন মানুহৰ ব্যৱসায় চীনৰ লগত আছে বা বাহিৰা ৰাজ্য বিলাকৰ লগত আছে । গোটেই এটা অৰ্থনীতি দিশত এটা আমি negative approach লৈ আমি গৈ আছো । বিশেষ ভাবে আমাৰ অসমতো আমি বাতৰি কাকতত পালো যে বঙাইগাওঁ জিলাতো এজন ব্যক্তি বাহিৰলৈ গৈছিল তেওঁৰ শৰীৰতো এই ভাইৰাচ ওলোৱা বুলি বাতৰি কাকতত পাইছো । পিছত তেখেতক নিৰীক্ষণত ৰখা হৈছে । আমাৰ কেইজনমান বিদেশী পৰ্য্যটক আহিছিল কাজিৰঙালৈ । তেওঁলোকৰ শৰীৰতো এই ভাইৰাচ ওলোৱা বুলি বাতৰি কাকততো প্ৰকাশ হৈছিল। যিয়েই নহওঁক চৰকাৰে এই ক্ষেত্ৰত কঠোৰ দৃষ্টি দিব লাগিব । মই মন্ত্ৰী ডাঙৰীয়াক ক'ব বিচাৰিছো যে ২ টা ক্ষেত্ৰত আমি সাবধানতা ল'ব লাগে । ১ নং ত হৈছে আমাৰ ৰাজ্য খনত কিছুমান বজাৰ আছে যিবিলাকত অবৈধ দুষ্প্ৰাপ্য যিবিলাক জীৱ-জন্তু আছে তাত সেই বিলাকৰ অংগ প্ৰত্যঙ্গ সৰবৰাহ কৰে আৰু সেই মাংসৰ বজাৰ বিলাকত চৰাই চিৰিকটি বা জীৱ-জন্তুৰ যিবিলাক বজাৰ আছে আমাৰ ৰাজ্য খনৰ চুকে কোনে সেই বজাৰ বিলাকৰ ওপৰত দৃষ্টি দিব লাগিব । কোনো কাৰণতে যাতে চীন দেশৰ বা বাহিৰৰ পৰা জীৱ-জন্তু আহিব নোৱাৰে য'ত এই বিলাকৰ শৰীৰত এনেকুৱা ধৰণৰ ভাইৰাচ থাকে । কাৰণ আমি দেখিছো যে বহুতো জীৱ-জন্তুৰ শৰীৰত এনেকুৱা ধৰণৰ বিসাক্ত ভাইৰাচ থাকে যিবিলাক আমি নাজানো । কিন্তু যদি মানুহৰ শৰীৰত এই ভাইৰাচ বিলাক আহে তেতিয়াহ'লে সাংঘাতিক ধৰণে অপকাৰী হৈ যায় । গতিকে সেই কাৰণে কৈছো যে এনেকুৱা ধৰণৰ মাংসৰ যিবিলাক বজাৰ আছে সেই বিলাকত চৰকাৰে দৃষ্টি দিয়াটো উচিত। এই গোটেই পৰিস্থিতি সাপেক্ষে চৰকাৰে মানুহৰ শৰীৰৰ পৰা যাতে এই ভাইৰাচ আমাৰ দেহলৈ আহিব নোৱাৰে বা মহামাৰী ৰূপ ধাৰণ কৰিব নোৱাৰে । Prevention is better than pure. গতিকে সেই খিনি লক্ষ্য ৰাখি পেলায় চৰকাৰে দৃষ্টি দিব লাগিব আৰু এই খিনি কথাই মই উল্লেখ কৰিছো । মন্ত্ৰী ডাঙৰীয়াই এই বিষয়ত কি দৃষ্টিভংগী গ্ৰহণ কৰিছে সদনত জনাবলৈ অনুৰোধ জনাই মোৰ বক্তব্য ইমানতে সামৰণি মাৰিলো ।

**মাননীয় অধ্যক্ষ ঃ** এইটো ৰুল ৫৪। মন্ত্ৰী ডাঙৰীয়া আজি এটা zero hour দিছিলে, মই সদস্য জনক কলো যে আপুনি ডাক্তৰ হিচাপে তাত ক'ব। আজি তেওঁক permit কৰিছো । এনেই দিয়া নহয় । ডাঃ নোমল মমিন আপুনি একেবাৰে সংক্ষিপ্তত ক'ব ।

**ডাঃ নোমল মমিন, বিধায়ক ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই অজন্তা বাইদেউৰ লগত ২ টা মান কথা সংযোজন কৰিব বিচাৰিছো । এতিয়া কৰোনা ভাইৰাচটো হৈছে pendemic, তাৰ মানে globally affected. যোৱাকালি WHO য়ে ঘোষণা কৰিছে । আৰু এইটো পোন প্ৰথবাৰৰ বাবে মানুহৰ শৰীৰত হৈছে। আগতে এই বেমাৰটো হোৱা নাই কাৰণ ইয়াৰ study ও কম । য'ত যিয়ে যেনেকৈ কৈছে আমি কথা বিলাক কৈছো আৰু ৰাইজ আতংকিত হৈছে । কথা হৈছে ইয়াৰ period টো ২ ৰ পৰা ১৪ দিন যিটো usual normal virus ৰ লগতো হয় বুলি কৈছে, কিন্তু ২৭ দিনলৈকে চীনত পোৱা গৈছে। গতিকে এইটো কাৰণে কিছুমান সতৰ্কতা হ'ব লাগে.। আমাৰ বাইদেউয়ে কৈছে যে মানুহ বাহিৰৰ পৰা আহিলে যদি কৰবাত কোৰোনা ভাইৰাচ হোৱা ঠাইত

যদি গৈছিলে ইয়াত আহিলে । এই বিলাক ব্যক্তিক খুব ভালকৈ survilence কৰিব লাগে আৰু তেখেত সকলক কোৰেনটাইন কৰিব লাগে । যেতিয়া syntom টো যিহেতু ১৪ দিন নহয় ২৭ দিনতো নাহিব পাৰে। গতিকে visiting history টো খুব important। আমাৰ আমেৰিকাৰ পৰা অহা পৰ্য্যটক যি জন তেখেতে আহি গুৱাহাটীত থকাৰ পিছতে যিটো আমাৰ চুবুৰীয়া ৰাষ্ট্ৰ ভূটানলৈ যাওতে আমাৰ চৰকাৰে যিটো contact point সেই সকলো বিলাক ব্যক্তিক বিচাৰি লৈছে। এইটো প্ৰচেচত যদি কৰা হয় মই ভাবো বেমাৰটো প্ৰভাৱ নহব আৰু globally economic maldown হৈছে এই কোৰোনা ভাইৰাচৰ কাৰণে । আৰু যিবিলাক ল'বলগীয়া সতৰ্কতা ধৰক মুখত লেতেৰা হাতেৰে ধৰিব নালাগে। পানী খাব লাগে ড্ৰাই হৈ থাকিব নালাগে । ফ্ৰেচ আহাৰ খাব লাগে আৰু body immunity বঢ়াবলৈ vitamine-C টো খুব জৰুৰী । সেই কাৰণে বিলাহী বা নেমু টেঙা এই বিলাক বস্তু খাব লাগে । জ্বৰ যদি হৈছে এটা ঘৰত তেতিয়াহ'লে এখন বিচনাতে থাকিব নালাগে। বেলেগ বেলেগ বিচনা থাকিব লাগে আৰু ১ মিটাৰ দূৰত্ব ৰাখিব লাগে । চিকিৎসকৰ পৰামৰ্শ তাৎক্ষনিক ভাবে ল'ব লাগে । ধন্যবাদ।

**শ্ৰী পিয়ুষ হাজৰিকা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, মাননীয়া সদস্যা অজন্তা নেওঁগ ডাঙৰীয়ানীয়ে ৰুল-৫৪ ৰ যোগেদি কোৰোনা ভাইৰাচৰ নিৰীক্ষণত আছে ভাৰতৰ ১৬০০ সন্দেহজনক ব্যক্তি। কথাটো উপস্থাপন কৰিছে। কথাটো যথেষ্ট গুৰুত্বপুৰ্ণ বুলি মই ভাবো । পৃথিৱীত যোৱা ২ মাহ ধৰি কোৰোনা ভাইৰাচৰ কথা চৰ্চা চলি আছে । এই বেমাৰটো আমি কেনেকৈ নাইকীয়া কৰিব পাৰিম বা ইয়াৰ পৰা কেনেকৈ হাত সাৰিব পাৰিম। অধ্যক্ষ মহোদয়, আজিলৈকে পৃথিৱীৰ ১২০ খন দেশত কোৰোনা ভাইৰাচত আক্ৰান্ত। নোমল মমিন ডাঙৰীয়াই কৈছে যে যোৱাকালি WHO য়ে কোৰোনা ভাইৰাচক pendemic বুলি ঘোষণা কৰিছে । মানে গোটেই পৃথিৱীতে হৈ গ'ল । অজন্তা নেওঁগ ডাঙৰীয়ানীয়ে কৰ পৰা উৎপত্তি হৈছে, চীনৰ পৰা উৎপত্তি হৈছে আৰু তেখেতৰ ভাষণত আমাক কৈছে । আমি এতিয়ালৈকে পৃথিৱীৰ বৈজ্ঞানিক সকলে এই মুহুৰ্তলৈ নিশ্চিত হ'ব পৰা নাই যে উৎপত্তি স্থল কি । চীনৰ ইউহাং ৰ ফিচ মাৰ্কেট খনত প্ৰথম জন মানুহৰ দেহত কোৰোনা ভাইৰাচ পোৱা গৈছিল বুলি কৈছিল । অধ্যক্ষ মহোদয়, পৃথিৱীত ১ লাখ ১ হাজাৰ মানুহৰ এই বেমাৰত আক্ৰান্ত হৈছে আৰু ৩২০০ মানুহ এই বেমাৰত মৃত্যু হৈছে । অধ্যক্ষ মহোদয়, অতিকৈ গুৰুত্বপুৰ্ণ কথা যে সকলো মানুহে বেছি সজাগ এই বিষয়টো লৈ । ভাৰতবৰ্ষত এতিয়ালৈ ৬২ টা পজিটিফ কেচ হৈছে । অসমত এই মুহুৰ্তলৈকে ভগৱানৰ আশীৰ্বাদত এজনো পজিটিভ কেচ পোৱা নাই বৰ্তমানলৈকে । আমি সন্দেহজনক ব্যক্তিক টেষ্ট কৰিছো । গোটেই কেইজনৰ দেহত negative পাইছো । ভাৰত বৰ্ষত যদি কোনোবাই ভিজা লৈ বাহিৰৰ দেশৰ মানুহ আছে সেই ভিজা বাতিল কৰি দিছে । ভাৰত চৰকাৰে এই বিষয়টো লৈ সচেতন । অধ্যক্ষ মহোদয়, ভাৰত চৰকাৰৰ লগতে অসম চৰকাৰে এই বিষয়ত বহুতো সচেতন হৈছে । আজি প্ৰায় ডেৰ মাহ ধৰি অসমৰ প্ৰত্যেক বিমান বন্দৰত বিদেশৰ মানুহ আহিলে প্ৰত্যেকজন ব্যক্তিকে আমি check up কৰিছো । আৰু আমি কেইজন মান ব্যক্তিক বিমান বন্দৰৰ পৰা direct hospital লৈ গৈছো । অধ্যক্ষ মহোদয়, ডিব্ৰুগড় জিলাৰ ONGC ৰ কৰ্মচাৰী তেখেতে চীনলৈ গৈছিল আৰু তাৰ ৰিটাৰ্ণ হৈ আহিলে আমি তেওঁক টেষ্ট কৰিছিলো । কিন্তু negative পালো । ঠিক একেদৰে বঙাইগাওঁৰ যি গৰাকী ব্যক্তিৰ কথা সদস্যা গৰাকীয়ে কৈছে আমি তেখেতৰো টেষ্ট কৰিছিলো ।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, "দৈনিক যুগশঙ্খ" পত্ৰিকায় প্ৰকাশিত "রাজ্যে মাদ্রাসা এবং টোল বন্ধ হতে যাচ্ছে।" বিশেষ করে গীতাতে লেখা

আছে "সর্বেষাং মঙ্গল ভূয়াৎ সর্বে সন্তু নিরাময়াঃ। সর্ব্বে ভদ্রানি পশ্যন্তু মা কশ্চিৎ দুঃখ ভাগ ভবেৎ।" যাতে প্রত্যেকে শান্ত ভাবে সুষ্ঠ ভাবে বাস করতে পারি সেই কথাগুলোই গীতায় লেখা আছে। কোরাণে লেখা আছে 'লাকুম দো লুকুম উলিয়াদিন।' অর্থাৎ বলা হয়েছে প্রত্যেকে আমরা প্রত্যেকের ধর্ম-কর্ম করব। ধর্ম হচ্ছে অমানুষ কে মানুষ এবং মানুষকে মহাপুরুষ বা ফিরস্তায় রূপান্তরিত করা। সেই ধর্মে লেখা আছে মানুষ হিসাবে আমাদের দায়িত্ব ও কর্তব্য কি? মানুষ হিসাবে আমাদের সমাজের প্রতি কর্তব্য কি? সেই কথা গুলোই ধর্ম গ্রন্থে লেখা আছে। বিশেষ করে আমি একটা কথা বলতে চাই Sanskrit is the mother of all language in our Country. আমরা একটা জিনিস দেখতে পারলাম যে মাদ্রাসা সম্পর্কে Honourable High Court যে observation মাননীয় শিক্ষামন্ত্রীর যে observation দুটার মধ্যে যে কন্ট্রাডিক্টরি দুজনে দুই দিকে কথা-বার্তা বলছে । সরকারি মাদ্রাসা এবং টোলের সিলিবাস যেগুলো সেগুলো সেবা তৈরী করে। সেগুলো কোনো ধর্মীয় সংগঠন তৈরী কবে না। মাদ্রাসায় অনেক আমাদের হিন্দু শিক্ষকরা আছেন। সমহারে টোলেও এরকম আছে। আমার প্রশ্ন হচ্ছে আর্টিক্যাল থার্টিতে মাইনোরিটিদের প্রতিষ্ঠা, অর্থাৎ শিক্ষা প্রতিষ্ঠান গড়ার জন্য ক্ষমতা দেওয়া হয়েছে। অধ্যক্ষ মহোদয়, সরকারি হাই-স্কুল, কলেজ, ইউনির্ভাসিটিতে সংস্কৃত, আরবিক সেগুলো পড়ানো হয়। এখন যদি এই মাদ্রাসা ও টোল বন্ধ করে দেওয়া হয় তাহলে হাইস্কুল, কলেজ, ইউনির্ভাসিটি সেগুলো বন্ধ করতে হবে। বেদ উপনিষদ অর্থাৎ সাম বেদ যর্জু বেদ এইসব সম্বন্ধে যদি আমরা না জানি তাহলে তো আমরা ভারতবর্ষ সম্বন্ধে অজ্ঞাত থেকে যাব। আমাদের কোরাণ সম্বন্ধেও জানতে হবে।

আমাদের ৪৫ বছরের যে চাকরির সমস্যা, বেকার সমস্যা সেই সময় আমরা দেখি আমাদের বেকার ছেলেরা আরবিয়ান দেশে গিয়ে চাকরি করছে। আমাদের বর্তমান সময় টেকনোলোজির যুগ। টেকনোলোজির যুগে আমাদের সভ্যতা, কৃষ্টি, কালচারকে নিয়ে যাতে আমরা সুষ্ঠ এবং সুন্দর পরিবেশ সৃষ্ঠি করতে পারি, প্রত্যেকে আমরা প্রত্যেকের ধর্ম, কৃষ্টি কালচারকে নিয়ে যাতে আমরা বৃহত্তর ভারতবর্ষ গড়তে পারি । আজ আমরা যদি দেখি শঙ্করদেব, মাধবদেব উনারা সংস্কৃত টোল থেকে পড়াশুনা করেছেন। শঙ্করদেব, মাধবদেব, আজান ফকির সবাই কে নিয়ে যাতে আমরা সুন্দর সমাজ গঠণ করতে পারি। আমি চাই মাদ্রাসা এবং টোল এই দুটাকে আরও যাতে উন্নত করা হোক, উন্নত করে তাদের টেকনিক্যাল এডুকেশন দেওয়া হোক, তাদেরকে মানবতার শিক্ষা দেওয়া হোক যাতে আমরা একটা সুস্থ এবং সুন্দর পরিবেশ গঠন করতে পারি।

আমি শেষ করবো ছোট্ট একটা গল্প বলে, একদিন ছোট একটা বাচ্চা একটি দোকানে গিয়ে একটা পুতুল কিনলো। ক্যাশ কাউন্টারে এসে সে পয়সা দিতে গিয়ে ক্যাশ কাউন্টারে বসা লোকটিকে বললো যে এই পুতুল টি আমি আমার মার জন্য নিয়ে যাচ্ছি। সামনে রবীন নামে একটি ছেলে ছিল সে জিজ্ঞাসা করলো কি হয়েছে? তখন সে বললো যে এই পুতুল টা আমি আমার বোনকে দেব যে নাকি তারা হয়ে গিয়েছে। আমার বাবা বলেছেন পুতুলটি মাকে দেবো আর মা বোনকে নিয়ে সেটি দেবে। কারণ আমার মাও নাকি বোনের সঙ্গে চলে যাবেন। তখন রবীন বুঝতে পারলো যে তার বোন মারা গিয়েছে, আর মাও মরণাপন্ন অবস্থায়। রবীন সঙ্গে সঙ্গে কি করলো তার পকেট থেকে টাকা বের করে ক্যাশ কাউন্টারে দিল। তখন সেই বাচ্চাটি বললো ভগবান আমি চেয়েছিলাম একটি পুতুল আর আমি ভয়ে তোমার কাছে বলতে পারিনি যে আমার একটি ফুলেরও দরকার। কিন্তু তুমি আমাকে ফুলও দিয়েছ আবার পুতুলও দিয়েছ। তোমার কাছে আমি ধন্য। বাচ্চা ছেলেটি হাসপাতালে গেলো, আর মাকে গিয়ে বললো মা তুমি তো বোনের কাছে যাবে

আমাৰ পুতুল টা বোনকে দিয়ে দেবে। আমি বাবার সঙ্গে থাকব, বাবাকে কোনো কষ্ট দেবো না। কিছু সময় পর তার মা মারা গেলো। মাননীয় অধ্যক্ষ মহোদয় আমি একটা কথাই বলব যে মানুষকে এতো ভালোবাস যাতে মানুষকে ঘৃণা করার সময় আমাদের না থাকে। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ -** ঠিক আছে। Minister please.

**ড° হিমন্ত বিশ্ব শৰ্মা, স্বাস্থ্যমন্ত্ৰীঃ -** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্যগৰাকীয়ে সংস্কৃত ভাষাৰ ওপৰত যিখিনি কথা কৈছে এইখিনি অন্তত ভাল কথা কৈছে আৰু যিহেতু ভাৰতীয় সাংস্কৃতিৰ লগত সংস্কৃত ভাষাৰ কথা কোৱা হৈছে চৰকাৰে বিবেচনা কৰিব যে আমি আৰু কেনেকৈ সংস্কৃত শিক্ষাক শক্তিশালী কৰিব পাৰো। যিহেতু ভাৰতবৰ্ষৰ কথা জৰিত আছে। কিন্তু আৰবৰ য'ত কথা জৰিত আছে, তাত আপোনাৰ লগত মোৰ দৃষ্টিভঙ্গিটো বেলেগ হ'ব। কথাটো হ'ব যে মাদ্ৰাছাৰ চিলেবাচ সেবাই ঠিক নকৰে। এইটো এটা ভুল ধাৰণা কোৱা হৈছে। সংস্কৃত টোলৰ চিলেবাচো সেবাই নকৰে। মাদ্ৰাছা বোৰ্ড গঠন কৰা হৈছে আৰু যিহেতু আৰবিক শিকোৱা হয়। speaking arabic language শিকোৱা নহয়। এতিয়া গুৱাহাটী বিশ্ববিদ্যালয়ত আমি foreign language training course কৰিছো জাপানিছ, আৰবিক শিকাব পাৰিম। spoken language শিক্ষাত কোনো বাধা নাই। কিন্তু চৰকাৰী খৰচত ধৰ্ম শিকাব পাৰিনে নাই। minority can run institute কোনো problem নাই। যদি আজি Persian community য়ে institute খুলিব খুজিছে, অসমৰ মুছলমান community য়ে institute খুলিব খুজিছে, Jain community য়ে institute খুলিব খুজিছে, Fundamental right give them that power কিন্তু চৰকাৰী টকাত ধৰ্ম শিকাব পাৰে নে নাই, কথাটো হ'ল সেইটো। আমি পৰীক্ষা কৰি দেখিছো যে চৰকাৰী পইচাৰে ধৰ্ম শিকাব নোৱাৰি। সংস্কৃত ভাষা, আৰবিক ভাষা শিকাব পাৰে। কিন্তু language of Quran শিকাব নোৱাৰে। spoken arabic হ'ব পাৰে। কিন্তু যদি চৰকাৰী খৰচত আমি কোৰাণ শিকাও তেতিয়া হ'লে চৰকাৰী খৰচত গীতাও শিকাব লাগিব, বাইবেলও শিকাব লাগিব। মোৰ গোটেই কথা হ'ল minority সকলে, মুছলিম, জৈন, খৃষ্টান সকলে নিজৰ স্কুল চলাওক। আমাৰ কোনো আপত্তি নাই। কিন্তু চৰকাৰী খৰচত আমি ধৰ্ম নিশিকাও, উচিত নহয়। এইটোৱে সমাচত ভেদভাব আনে। মানুহে কয় আমাৰ ধৰ্ম নিশিকাই, তেওঁলোকৰ ধৰ্ম শিকাই। কোনো স্কুলত আমি বাইবেল নিশিকাও। এতিয়া খৃষ্টান মানুহে প্ৰশ্ন কৰে, হিন্দু মানুহৰ কিবা আছে, মুছলিম মানুহৰ কিবা আছে আৰু আমাৰ দেখোন একে নাই। জৈন মানুহে কয় আমি ভোটত কাকো জিকাব নোৱাৰো কাৰণে আমাৰ কোনো institute নাই। সেইকাৰণে মই ভাৱো মাদ্ৰাছা য'ত যেনেকৈ আছে চলি থাকিব আমাৰ কব লগীয়া নাই। কিন্তু চৰকাৰী মাদ্ৰাছা বিলাক আগষ্টৰ ১৫ তাৰিখৰ ভিতৰত আমি বন্ধ কৰিম। and Madrassa will be converted to high school. আজি সদনত যিটো আৰবৰ চাকৰিৰ লগত কথা কোৱা হৈছে, spoken Arabic language ৰ কাৰণে যেনেকৈ spoken Japanese, spoken english language আমি শিকাও আৰবিকো শিকাব পাৰিম। language ৰ লগত আমাৰ কি কাজিয়া আছে। কিন্তু আৰবিক আমি নিশিকাও কাৰণ নামতো আৰবিক, কিন্তু চিলেবাচটো আছে এটা particular ধৰ্মৰ ওপৰত। গতিকে এই কথাবিলাক ৰাইজক কওঁতে আমি factual কথা কব লাগিব। আমি আৰবিক শিকালে লৰা-ছোৱালীয়ে এটা লাইনোও আৰবিকত কব নোৱাৰে। কাৰণ আৰবিক language আমি নিশিকাও, language ৰ নামত আমি গ্ৰন্থ শিকাও। গতিকে চৰকাৰে এইটো সিদ্ধান্ত লৈছে কাৰো চাকৰি নাযায়, ভালে থাকিব। যিকেইজনে অকল ধৰ্মগ্ৰন্থ শিকোৱাৰ কাৰণে নিযুক্তি পাইছিলে, তেওঁলোকে ঘৰত বহি দৰমহা পাব, স্কুলত যাব নালাগে।

তেখেতসকলক লাহে লাহে VRS, CRS কিবা এটালৈ লৈ যাম without disturbing their family income.কিন্তু বাকী মাদ্ৰাছা স্কুলখিনি হাইস্কুললৈ convert কৰিম। সংস্কৃতৰ ক্ষেত্ৰত বৰ্তমান টোল যিটো শিক্ষা চলি আছে। টোলত পাছ কৰা লৰা-ছোৱালীয়ে কোনেও সংস্কৃতত কথা কব নোৱাৰে। আমি সংস্কৃত টোলহে বন্ধ কৰিম বুলি কৈছো। সংস্কৃত শিক্ষা বন্ধ কৰিম বুলি কোৱা নাই। গতিকে সংস্কৃত শিক্ষাক আমি কেনেকৈ শক্তিশালী কৰিব পাৰো তাৰ বাবে ইতিমধ্যে ভাস্কৰ বৰ্মা বিশ্ববিদ্যালয়ৰ উপচাৰ্য দীপক শৰ্মা ডাঙৰীয়াক মই কৈছে - that we will came up with a different plan. কিন্তু টোলৰ নামত সমপৰ্য্যায়ৰ মেট্ৰীক পাছ কৰাৰ যিটো ব্যৱস্থা চলি আছে, সেই ব্যৱস্থাটোৱে মানুহক বহুত ক্ষতি কৰিছে। কাৰণ টোলক একো নপঢ়াই। কিন্তু মেট্ৰীক পাছ কৰাৰ এখন certificate দি দিয়ে। তাত বেদয়ো নপঢ়াই, উপনিষদো নপঢ়াই। কোনোবা টোলত বেদ, উপনিষেদ পঢ়া হ'লে, মই নো কিয় বন্ধ কৰিম। কিন্তু দুৰ্ভাগ্যজনক কথা কতো বেদ, উপনিষেদ নপঢ়াই। গতিকে বাস্তৱৰো theory টো বেলেগ। সেইকাৰণে শিক্ষা ব্যৱস্থাটোক বেয়া কৰিব নোৱাৰো। মাদ্ৰাছা আমি হাইস্কুল কৰিম। আমি যিহেতু Foreign language training institute খুলিছো। তাত spoken arabic শিকাব পৰা যাব, সংস্কৃতি টোল বন্ধ হ'ব আৰু যিবিলাক খেৰাজী মাদ্ৰাছা চলি আছে, সেই খেৰাজী মাদ্ৰাছাবিলাক আমি registrar কৰিম। তেওঁলোকৰ ধৰ্ম দিয়াৰ, শিক্ষা দিয়াৰ পুৰা অধিকাৰ আছে, কোনো problme নাই। কিন্তু আমি এটা ৰুল কৰিব খুজিছো আগষ্টৰ হাউচত আহিব যে খেৰাজী মাদ্ৰাছা য'ত চলে তাত গণিত, অংকৰ কিছু শিক্ষা লৰা ছোৱালীক দিব লাগিব। যাতে লৰাজনে ডাঙৰ হৈ জোনাৰো হ'ব পাৰে আৰু কোনোবাই জোনাৰাৰ ঠাইত Skill Development course লৈও, কাৰণ জোনাৰৰ পদটো ইমান নোলাব, গতিকে লৰাজনে যাতে unemployeed হৈ নাযায়, তেওঁ যাতে কিবা বেলেগ কাম কৰিব পাৰে, সাধাৰণ বিজ্ঞান, সাধাৰণ গণিত, সাধাৰণ ইংৰাজী, সাধাৰণ অসমীয়া এনেকুৰা বিষয় কিছু থাকিব লগতে ধৰ্মীয়তো চলি থাকক। কাৰণ এইটো Article 27 gives them that right সেইটোত আমি কোনো অসুবিধাত নপৰো। কিন্তু registration হ'ব লাগিব। so, three point - সংস্কৃতি টোল will be closed, কিন্তু অসম চৰকাৰে সংস্কৃতি শিক্ষাটো বৃদ্ধি কৰাৰ কাৰণে বিকল্প ব্যৱস্থা আনিব। মই ভাৱো তাত কোনো আপত্তি নাই।

দ্বিতীয়তে মাদ্ৰাছাবিলাক হাইস্কুল হ'ব। কোনো ব্যক্তিৰ চাকৰি বাকৰি নাযায়।

তৃতীয়তে - বৰ্তমান চলি থকা খেৰাজী মাদ্ৰাছাবিলাক registrar কৰিব লাগিব। ধৰ্মীয় শিক্ষা তাত চলিব। কিন্তু a small portion of general education য়ো তাত দিব লাগিব। এইখিনি আমি reformed কৰিছো, মই ভাবো ইয়াত একো আপত্তি কৰিবলগীয়া নাই।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। এতিয়া মাননীয় সদস্য ঋতুপৰ্ণ বৰুৱা।

**শ্ৰী ঋতু পৰ্ণ বৰুৱা (লাহোৱাল)ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা ৬ মাৰ্চ, ২০২০ তাৰিখে আমাৰ মাননীয় বিত্ত মন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই যি বাজেট উত্থাপন কৰিলে, এই বাজেট সঁচাকৈয়ে ৰাইজৰ ওপৰত কোনো ধৰণৰ অতিৰিক্ত কৰৰ বোজা জাপি নিদিয়াকৈ ৰাজ্যৰ আৰ্থ-সামাজিক উন্নয়নৰ গতি অধিক তৰান্বিত কৰিব পৰা অসমৰ সৰ্বকালৰ এইখন সৰ্বশ্ৰেষ্ঠ বাজেট । ইয়াৰ বাবে মাননীয় বিত্ত মন্ত্ৰী মহোদয়ক আন্তৰিকতাৰে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো। এই বাজেটখন এখন যুগান্তকাৰী, জনমুখী আৰু ভৱিষ্যতদৰ্শী বাজেট। ৰাজ্যৰ জনসাধাৰণৰ সামাজিক সুৰক্ষা আৰু গ্ৰামাঞ্চলৰ সবলীকৰণৰ দিশত এই বাজেটখনে বলিষ্ঠ ভূমিকা গ্ৰহণ কৰিছে। এই বাজেটখনে বয়োজ্যেষ্ঠ, যুৱক-যুৱতী, ছাত্ৰ-ছাত্ৰী, শিশু, মহিলা, কৃষক-শ্ৰমিক, শিক্ষক-কৰ্মচাৰী, দিব্যাংগকে

ধৰি সমাজৰ প্ৰতিটো শ্ৰেণীয়ে যাতে উন্নয়নৰ ফল ভোগ কৰিব পাৰে, সেই লক্ষ্যৰে বিভিন্ন ধৰণৰ জনমুখী আঁচনি গ্ৰহণ কৰিছে। আজি সমাজৰ দৰিদ্ৰতম পৰিয়ালক স্বাস্থ্যৰ পৰিপুষ্টিৰ প্ৰয়োজনীয়তা নিশ্চিত কৰাৰ উদ্দেশ্যে এই বাজেটখনে এক আমূল পৰিৱৰ্তনৰ সূচনা কৰিব। এই বাজেটৰ 'অৰুণোদয়' আঁচনিৰ জৰিয়তে আত্মনিৰ্ভৰশীলতা, আত্মবিশ্বাস আৰু সুহৃদ লক্ষ্যৰে অসমক পুনৰুত্থানৰ পথেৰে আগবঢ়াই নিবলৈ সক্ষম হ'ব। মাননীয় অধ্যক্ষ মহোদয়, ২০১৬ বৰ্ষত আমাৰ চৰকাৰে দায়িত্ব লৈছিল আৰু সেই সময়ত আমাৰ বিত্তীয় অৱস্থা কেনেকুৱা আছিল আমি সকলোৱে জানো। সেই সময়ত আমাৰ বিত্ত মন্ত্ৰী মহোদয়ে এখন শ্বেতপত্ৰ প্ৰকাশ কৰিছিল। বিগত চাৰিটা বছৰত আমাৰ চৰকাৰে অসমৰ অৰ্থনীতি পুনৰুজ্জীৱিত কৰিবৰ বাবে বহুতো বৃহৎ পদক্ষেপ হাতত লৈছে। আমি যদি লক্ষ্য কৰো, ২০১৫-১৬ বৰ্ষত ৰাজ্যিক ৰাজহেৰে ৬ মাহ ১০ দিন অসমৰ কৰ্মচাৰী সকলক দৰমহা দিবলৈ সক্ষম হৈছিলো আৰু আজিৰ তাৰিখত আমাৰ চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ কোনো পুঁজিক নিৰ্ভৰ নকৰাকৈ ৭ মাহ ৯ দিন কৰ্মচাৰীক দৰমহা দিবলৈ সক্ষম হৈছে। মাননীয় অধ্যক্ষ মহোদয়, ১৫% হাৰৰ বৃদ্ধি অসমৰ সমাজ জীৱনত এক লেখত ল'ব লগীয়া ঘটনা। এনে ধৰণৰ ধাৰা যদি অব্যাহত থাকে তেন্তে অনাগত সময়তো আমি কেন্দ্ৰীয় পুঁজিৰ ওপৰত নিৰ্ভৰ নকৰাকৈয়ে ৰাজ্যিক ৰাজহৰ পৰা দৰমহা দিবলৈ সক্ষম হ'ম। এই বাজেটখনত দৰিদ্ৰ জনসাধাৰণৰ বাবে বিভিন্ন আঁচনি গ্ৰহণ কৰা হৈছে। সমাজৰ শেষজন ব্যক্তিলৈকে এই আঁচনিসমূহ লৈ যোৱাৰ চৰকাৰৰ যি পৰিকল্পনা তথা লক্ষ্য, ইয়াক চুবলৈ আমি সক্ষম হৈছো। দৰিদ্ৰ জনসাধাৰণৰ বাবে 'ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আঁচনি'ৰ জৰিয়তে প্ৰায় ৫১.৩৯ লাখ পৰিয়ালক বিনামূলীয়া চাউল দিবলৈ সক্ষম হৈছো, গতিকে তৎকালীনভাৱে ইমানখিনি পৰিয়াল উপকৃত হ'ব। চৰকাৰে এই বাজেটৰ জৰিয়তে মাহিলী 30 unit কৈ বিজুলী ৰেহাই দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। ইয়াৰ জৰিয়তে কেইবালাখ দৰিদ্ৰ পৰিয়াল উপকৃত হ'ব। মাননীয় অধ্যক্ষ মহোদয়, এই বাজেটখনৰ জৰিয়তে আমাৰ জীৱন দৰ্শনৰ চাৰিটা স্তম্ভৰ কথা উল্লেখ কৰিছে। যিহেতু সময় কম, সেইকাৰণে আজি সেই স্তম্ভকেইটাৰ অন্যতম- ব্যক্তি জীৱনৰ সততাৰ বিষয়ে উল্লেখ কৰিব বিচাৰিছো। আমাৰ চৰকাৰ প্ৰতিস্থা হোৱাৰ পিছত মাননীয় মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াই দুৰ্নীতিৰ বিৰুদ্ধে জেহাদ ঘোষণা কৰি, এই দুৰ্নীতি নিৰ্মূল কৰি অসম নিৰ্মাণ কৰাৰ যি প্ৰয়াস তাৰ প্ৰথম পদক্ষেপ APSC ৰ পৰাই লৈছিল। ইয়াৰ জৰিয়তে উঠি অহা ছাত্ৰ-ছাত্ৰীসকল বৰ্তমান আশান্বিত যে তেওঁলোকে যদি ভালকৈ পঢ়া-শুনা কৰে, তেন্তে চাকৰি লাভ কৰিব পাৰিব। ভালকৈ পঢ়া-শুনা কৰিলে আগবাঢ়ি যাব পাৰিব। কিছুদিন আগতে জলসম্পদ বিভাগত কেইজনমান Civil Engineer ৰ নিযুক্তি হ'ল। এই নিযুক্তি প্ৰক্ৰিয়াত উত্তীৰ্ণ নোহোৱা এজন ছাত্ৰই মোক তেওঁৰ মনৰ ভাৱ ব্যক্ত কৰিছিল যে-এই প্ৰক্ৰিয়া বহুত নিকাভাৱে হৈছে, গতিকে এই চাকৰিটো নোপোৱাৰ বাবে তেওঁ বেয়া পোৱা নাই কাৰণ তেওঁতকৈ উপযুক্ত এজনে নিযুক্তি পাইছে। কিন্তু, আগৰ চৰকাৰৰ দিনত এনে নিকা নিযুক্তি সম্ভৱ হোৱা নাছিল। সেই সময়ত APSC ৰ চাকৰি বুলিলে লাখ লাখ টকাৰে চাকৰি কিনি লোৱাৰ ব্যৱস্থা আছিল। APSC ৰ চাকৰি এনে এক চাকৰি যাৰ দ্বাৰা প্ৰশাসন যন্ত্ৰটো নিয়ন্ত্ৰিত হয় আৰু এই APSC ত হোৱা দুৰ্নীতি নিকা কৰাৰ বাবে মাননীয় মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াই যি পদক্ষেপ গ্ৰহণ কৰিছিল সেয়াই অসমৰ সমাজ জীৱনত এক সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলাইছে।

মাননীয় অধ্যক্ষ মহোদয়, মই আৰু দীঘলীয়া কৰিব বিচৰা নাই, উপলব্ধি এটাৰ বিষয়ে কৈ শেষ কৰিব বিচাৰিছো। অসমৰ চাহ-জনগোষ্ঠীৰ ৰাইজ অসমৰ এটা বৃহৎ অংশ। চাহ-জনগোষ্ঠী

ৰাইজৰ উন্নয়নৰ বাবে আমাৰ চৰকাৰৰ প্ৰথম বাজেটৰ পৰাই ধাৰাবাহিক ভাৱে বিভিন্ন আঁচনি গ্ৰহণ কৰি অহা হৈছে। টিংখাং সমষ্টিৰ বিধায়ক মোৰ সতীৰ্থ বিমল বড়া ডাঙৰীয়াই তেওঁৰ বক্তব্যত আমাৰ আঁচনি সমূহে চাহ-বাগিচা অঞ্চলত কিদৰে প্ৰভাৱ পেলায় সেই সম্পৰ্কত উল্লেখ কৰিছে । তেখেতে কৈছে- চাহ-বাগিচা অঞ্চলৰ যেতিয়া ঘৰত লাইট জ্বলিছিল তেতিয়া এজন শিশুয়ে হাত-চাপৰি বজাইছিল, Pavers Block ৰ ৰাস্তা পাই সেই অঞ্চলৰ ছোৱালীয়ে ভৰিত Nail Polish লগাই সেই ৰাস্তাত দৌৰিছিল। এই অনুভৱবোৰ মই আগতে উপলব্ধি কৰিব পৰা নাছিলো। মাননীয় অধ্যক্ষ মহোদয়, যিদিনা বাজেট দাখিল হৈছিল, সেইদিনা মই মোৰ সমষ্টিৰ তামোলবাৰী চাহ-বাগিচালৈ গৈছিলো। এই চাহ-বাগানখন ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ জীৱন তথা তেখেতৰ সৃষ্টিৰ সৈতে জড়িত। যোৱা ৭ তাৰিখে সেই চাহ-বাগিচাৰ অৱসৰ প্ৰাপ্ত চৰদাৰ এজন মোৰ ঘৰলৈ আহিছিল আৰু তেখেতে কৈছিল যে - 'চাৰ, মই ঐদিনা বাজেট দেখলি, হামাৰ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই যেখন বাজেট পাছ কৰলেই বিধান সভা মে, মই চব বুইজ নাইলি, মই কেইটামান কথা বুইজ পাইলি, একটা বুইলে Account কে বাত যে বাগানকে আদমীকে আগে Account নাই ৰহে। বিজেপি চৰকাৰ আইকে ৭ লাখ Account হামনি কে বাগান মে খুললেই। এই চৰকাৰ হামনিকে ৫ হাজাৰ পইচা দেলেই। পইচাটা বড় বাত নাই লাগে যে হামনিকে বাগান কে চাহ-জনগোষ্ঠীকে ৰাইজকে বেংক ব্যৱস্থাৰে জড়িত কৰেক খাতিৰ এই চৰকাৰে জনটা পদক্ষেপ গ্ৰহণ কৰলেই এই পদক্ষেপটা বহুত সুন্দৰ পদক্ষেপ হওতে। কন দিন কান চৰকাৰ এই চাহ-জনগোষ্ঠী ৰাইজকে বেংক ব্যৱস্থা জড়িত নাই কৰলেই। আগে কি হইলা বাগান কন সমস্যা হইলা, কন ৰাস্তাকে সমস্যা হইলা, হামানি চৰকাৰ চিদা জাইলা, ডি.চি. চিদা জাইলা, কন এম.এল.এ চিদা জাইলা কয় যে এইটো কোম্পানী কৰিব, চব কাম কোম্পানী কৰি ফাষ্ট বিজেপি চৰকাৰ আইকে হামনিকে বাগানকে ৰাস্তাগিলাকে চৰকাৰকে দায়িত্ব আহে জনটা পদক্ষেপ গ্ৰহণ কৰলেই এইটাকে মই বহুত ধন্যবাদ জনাথ।'

**মাননীয় অধ্যক্ষঃ** Please conclude. আপুনি ইতিমধ্যে ৮ মিনিট সময় অতিক্ৰম কৰিছে। আমাৰ ৮ জন বক্তাই এই সম্পৰ্কে কৈছেই। সকলোৰে একেখিনি কথা নকৈ ভাগ কৰি ল'লে ভাল হয়।

**মাননীয় শ্ৰী ঋতুপৰ্ণ বৰুৱা (লাহোৱাল)ঃ** ঠিক আছে অধ্যক্ষ মহোদয়। এই নিৰক্ষৰ ব্যক্তি এগৰাকীৰ যি উপলব্ধি, সেই উপলব্ধিৰে এই বাজেটখনে সমাজৰ একেবাৰে শেষৰ মানুহজনকো যে চুই যাব পাৰিছে তাৰেই প্ৰমাণ দিছে। মাননীয় অধ্যক্ষ মহোদয়, এই বাজেটখন সঁচাকৈয়ে সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ বাজেট। নামঘৰলৈকে এই বাজেটখন গৈছে আৰু এই নামঘৰ নিৰ্মাণ কৰিবৰ বাবে যি পদক্ষেপ গ্ৰহণ কৰিছে তাৰ বাবে মই মাননীয় বিত্ত মন্ত্ৰী আৰু চৰকাৰক ধন্যবাদ জ্ঞাপন কৰিছো। এই কথাখিনিকে কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** মই বিজেপি বিধয়িনী দলৰ সদস্য সকলক ক'ব বিচাৰিছো যে যিহেতু বিত্ত মন্ত্ৰীয়ে তেওঁৰ বাজেটৰ ওপৰত আলোচনাৰ উত্তৰ দিবৰ বাবে প্ৰায় ১ ঘণ্টা ১৫ মিনিট সময় ল'ব আৰু সেই সময়খিনি তেখেতক আমি দিব লাগিব। গতিকে, আপোনালোকে আপোনালোকৰ বক্তৃতা চমুকৈ ৰাখিব। এতিয়া ৰফিকুল ইছলাম ডাঙৰীয়া। আপোনাক ১০ মিনিট সময় দিছো।

**শ্ৰী ৰফিকুল ইছলাম, (জনীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বাজেট বিতৰ্কত অংশ গ্ৰহণ কৰিব দিয়াৰ কাৰণে মই আপোনাক ধন্যবাদ জনাইছো। বহুখিনি কথা আছিল। যিহেতু সময় কম, মই টেকনিকেল চাইডটোত নাযাওঁ। ২০২০-২১ ৰ কাৰণে যিটো ১ লাখ ৫ হাজাৰ কোটি টকাৰ বাজেট

ধাৰ্য্য কৰা হৈছে, ইয়াত কিছুমান বিভাগত যথেষ্ট টকা দিছে। শিক্ষা, স্বাস্থ্য, PWD বা অন্যান্য কিছুমান বিভাগত যথেষ্ট টকা ধাৰ্য্য কৰা হৈছে। এই টকাখিনিৰে যথেষ্ট কাম হ'ব। কিন্তু লগতে আৰু কিছুমান কথা আমি লক্ষ্য কৰিছো যে প্ৰায় ৬৫০০ কোটি টকা Individual Beneficiaries দিয়াৰ ব্যৱস্থা কৰা হৈছে। সেই সকলে পালে নিশ্চয় বেনিফিট হ'ব। আমি কোৱা নাই যে টকাসমূহ দিব নালাগে। হিতাধিকাৰীসকলক এই টকাসমূহ দিবৰ বাবে বিভিন্ন ধৰণৰ স্কীম হাতত লোৱা হৈছে। মই দুটা কথা ক'ব বিচাৰিছো যে এনেকুৱা self help group আমাৰ মহিলাসকলৰ মাজত আছিল। আগতে এটা পুঁজি দিয়া হয় আৰু সেইখিনি কেনেধৰণে চলি আছে আমাৰ বিধান সভাত আলোচনা হৈছিল। সেই মহিলা সকলক এটা দিশা দিলে, সঠিক কিবা এটা কাম কৰিব পাৰিলে আৰু তাৰ পৰা যি উৎপাদন কৰিব তাৰ বাবে আমি এটা মৰ্কেট দিব লাগিব। আমি কিন্তু তেনেকুৱা ধৰণৰ কোনো প্ৰচেষ্টা হাতত লোৱা নাই। কেৱল ১০-২০ হাজাৰ টকা এটা দিছো, তেখেত সকলে ভগাই লৈছে আৰু কিবা এটা কাম কৰিছে। এইবাৰ আমি লক্ষ্য কৰিছো যে পুৰুষ সকলৰ কাৰণে এনেকুৱা self help group কৰি পুঁজি ধাৰ্য্য কৰা হৈছে। আমাৰ এনেকুৱা বহুত পুৰুষ আছে, যাৰ চাকৰি নাই। They are wondering in the street.আমি যি ধৰণে মহিলাসকলক দিছো, ঠিক একেধৰণে যদি পুৰুষসকলক দিয়া হয়, কোনো দিশা তেখেতসকলক নিদিওঁ, সঠিক ৰাস্তা যদি তেখেতসকলক নেদেখাওঁ, তেতিয়াহ'লে হয়তো ৫-১০ হাজাৰ টকা তেখেতসকলে পাব আৰু তেওঁলোকে মোবাইল এটা কিনিব বা তেনেকুৱাধৰণে খৰচ কৰিব। ঠিক তেনেকৈ যেতিয়া বানপানী হয়, মানুহ ক্ষতিগ্ৰস্ত হয়। আমি চাউল-ডালি আদি বিভিন্ন সামগ্ৰী লৈ গৈ তেখেতসকলক দিওঁ আৰু ধনী-দুখীয়া সকলোৱে এই বস্তুসমূহ গ্ৰহণ কৰে। কিন্তু বানপানীত যাতে ক্ষতি গ্ৰস্ত নহয়, তেনেকুৱা এটা যদি পদক্ষেপ ল'ব পাৰে, তেতিয়া মই ভাৱো মানুহে চাউল-ডালিৰ বাবে অপেক্ষা নকৰিব। ঠিক তেনেকৈ Individual Beneficiaries ৰ টকাখিনি ধাৰ্য্য নকৰি আমাৰ যুৱক সকলক যদি Empower কৰিব পাৰি বা নিয়োগ সৃষ্টি কৰিব পৰা যায়, তেখেত সকলৰ চাকৰিৰ চিন্তা কৰিব পৰা যায়, স্থায়ী আন্তঃগাঁথনিৰ বাবে যাতে ব্যৱস্থা কৰিব পৰা যায়, তেতিয়াহ'লে এনেকুৱা টকা দিয়াতকৈ যথেষ্ট লাভ হ'ব। তেনেকুৱা ধৰণৰ স্কীম হ'ব লাগে। কিন্তু আমি তেনেকুৱা ধৰণৰ স্কীম হোৱা খুব বেছিকৈ ইয়াত দেখা পোৱা নাই। বিজুলী-বাতিৰ কথা ইয়াত কোৱা হৈছে যে ৩০ ইউনিটলৈকে Free কৰিব। দুটা লাইট বা ফেন চলালেই ৩০ ইউনিট অতিক্ৰম কৰিব। গতিকে খুব বেছি পৰিয়ালে ইয়াৰ পৰা উপকৃত নহ'ব। সেয়েহে ১০০ ইউনিটমান ফ্ৰী কৰিব লাগিছিল। ইয়াতকৈ বেছি দৰকাৰী হৈছে ২৪ ঘণ্টাই জনসাধাৰণে বিনামূলীয়া বিদ্যুৎ যোগান পাব লাগে। যিটো আমাৰ প্ৰতিশ্ৰুতি আছিল । কিন্তু বৰ্তমান গাওঁত ১০-১২ ঘণ্টাতকৈ অধিক সময় বিদ্যুৎ নাথাকে। ভাৰতবৰ্ষৰ বৰ্তমান বহু ৰাজ্যত ২৪ ঘণ্টা বিজুলী যোগান দিয়াৰ বাবে চেষ্টা কৰিছে। দিল্লীয়ে কৈছে যে তেওঁলোকে দি আছে। আমিও যদি তেনেকুৱা চেষ্টা কৰিলোহেঁতেন আৰু জনসাধাৰণক ২০-২২ ঘণ্টা বিজুলী দিয়াৰ ব্যৱস্থা কৰা হ'লে বেছি ভালহ'লহেঁতেন। মই শিক্ষা আৰু গৃহ বিভাগৰ কেইটামান কথা ক'বলৈ বিচাৰিছো। শিক্ষাত যথেষ্ট টকা দিয়া হৈছে আৰু ইয়াৰ দৰকাৰো আছে। আজি মন্ত্ৰী মহোদয়ে বিদ্যালয়ৰ অৱস্থা সম্পৰ্কে আলোচনা কৰিছে আৰু শিক্ষক নাই বুলি স্বীকাৰ কৰিছে। এই সম্পৰ্কে আলোচনা হৈ আছে। হাইস্কুল, এম ই স্কুল আৰু প্ৰাথমিক স্কুলকে ধৰি বিভিন্ন স্কুলৰ পদসমূহ বছৰ বছৰ ধৰি খালী হৈ আছে। পদসমূহ পূৰণ কৰাৰ বাবে পদক্ষেপ লৈছে আৰু পদসূহ খালীও হৈ আছে। এনেকুৱাকৈ যদি খালী হৈ থাকে শিক্ষাৰ মানদণ্ড কেতিয়াওঁ উন্নত নহ'ব। মন্ত্ৰী মহোদয়ে ভেঞ্চাৰ স্কুলৰ কথা ইয়াত উল্লেখ কৰিছে। আমি

যেতিয়া ভেঞ্চাৰ স্কুলৰ কথা আলোচনা কৰো তেখেতে সদায় কয়, ছাত্ৰ সকলৰ কথা চিন্তা কৰক শিক্ষক সকলৰ নহয়। মাননীয় অধ্যক্ষ মহোদয়, আমি শিক্ষক সকলৰ কাৰণে নহয়, ছাত্ৰসকলৰ কাৰণেই কৈছো। কাৰণ শিক্ষক সকল ছাত্ৰসকলৰ কাৰণেই আছে। যদি শিক্ষক নিযুক্তি দিয়া নহয় ছাত্ৰ সকলে কেনেকৈ শিক্ষা পাব? যিখিনি কলেজ ২০১৩ চনত লোৱা হ'ল, তাৰে ১ খন কলেজত ৩০ জন শিক্ষক আছে, তাত ২৫ জনৰ পোষ্ট প্ৰাদেশীকৃত হোৱা নাই। কিছুমান under qualified আৰু কিছুমান Disqualified এনেকুৱাধৰণৰ অৱস্থা হৈ আছে। ২০১৩ চনৰ পৰা ২০২০ এই ৭ বছৰে এই কলেজসমূহত ছাত্ৰ-ছাত্ৰী আছে। আমি তাত বেলেগ কলেজ পতা নাই। কিন্তু সেই ২০-২২ জন শিক্ষকৰ পদ প্ৰাদেশীকৰণ নহ'ল আৰু সেই কলেজবোৰ কেনেকৈ চলি আছে, তাৰ কাৰণে আমি বিশেষ গুৰুত্বও নিদিলো। এই কলেজসমূহ পতা ২০-২৫ বছৰ হৈ গ'ল। কিছুমান শিক্ষকক ২-৫ বছৰ চাকৰি আছে। এনেসময়ত যদি এক্টৰ দোহাই দি শিক্ষক সকলৰ পদ প্ৰাদেশীকৰণ নকৰো তেতিয়াহ'লে ২৮ বছৰ যিসকল ব্যক্তিয়ে sacrifice কৰিলে তেওঁলোকৰ লগত মই ভাৱো ন্যায় কৰা নহ'ব। সেইকাৰণে মই মাননীয় মন্ত্ৰী মহোদয়ক বিশেষ দৃষ্টি দিবলৈ অনুৰোধ কৰিলো। ২০১১ চনৰ যিখন এক্ট আছিল তাত ৩০ জন ছাত্ৰ ডিগ্ৰী থাকিলে হ'ব বুলি কৈছিল। এতিয়া দিছে প্ৰত্যেকটো বিভাগতে বিষয় হিচাপে ১৫ জন ছাত্ৰ-ছাত্ৰী থাকিব লাগিব। এতিয়া ইংৰাজী, বুৰঞ্জী, ৰাজনীতি বিজ্ঞান, অৰ্থনীতি বিজ্ঞান আদি বিভিন্ন বিভাগ আছে, য'ত ১৫জন প্ৰত্যেক ছেমিষ্টাৰৰ শেষত নাথাকিব পাৰে। যদি দুই-এজন কম আছে, সেইবিলাক পোষ্ট ড্ৰপ কৰা হৈছে। যাতে ২০১৩ চনত যেতিয়া কলেজ প্ৰাদেশীকৃত হ'ল ২০১১ৰ এক্ট মতে সেই এক্টটো বাতিল হৈ আকৌ ২০১৭-১৮ হ'ল এক্ট খন হ'ল। তেতিয়া কিন্তু এইটো নাছিল যে প্ৰত্যেক বিষয় হিচাপে ১৫জন ছাত্ৰ লাগিব। তেতিয়া লোৱা হ'ল যে গোটেই কলেজত ৩০ জন থাকিলেই হ'ব। এতিয়া যি পদসমূহ খালী হৈ আছে আগৰ নিয়ম মতে এই শিক্ষক সকলৰ পদসমূহ পূৰণ কৰিব লাগে। কনিষ্ঠ মহাবিদ্যালয় সমূহতো ৮ টাকৈ পোষ্ট লোৱা হৈছিল, ১০-১২ টালৈকে পোষ্ট আছে। কিন্তু এনেকুৱা নিয়মৰ বাবে ইংৰাজী, বুৰঞ্জী, ৰাজনীতি বিজ্ঞান, অৰ্থনীতি বিজ্ঞান আদি বিভিন্ন বিভাগৰ পোষ্ট খালী হৈ আছে। এইখিনি যাতে বিশেষ গুৰুত্ব দিয়া হয়, তাৰ বাবে অনুৰোধ কৰিলো। এম ই স্কুল সমূহৰ বিষয়ে এটা অসুবিধা আছে-Date of issue. মই এম এ পাচ কৰিলো ২০০৫ত আৰু চাৰ্টিফিকেট যদি মই ২০২০ ত লৈছো মোৰ চাৰ্টিফিকেট ২০২০ ত ইচ্যু হ'ব। এতিয়া স্কুলসমূহ ০১-০১-২০০৫ বা ০১-০১-২০০৬ ৰ আগত Recognition পাব লাগে আৰু সেইটো পালে। কিন্তু Date of issue. টো ১ মাহ পিছত কৰিলো। এতিয়া এই Date of issue. টো ধৰি স্কুলসমূহে Recognition পোৱা নাই। গতিকে এই এম ই স্কুল সমূহৰ ক্ষেত্ৰত যি সমূহৰ ০১-০১-২০০৬ ত cut of Date আছিল, কিন্তু কোনোবাই কাগজখন পিছত লবলৈ গৈছে, তেওঁৰ Date of issue. টো পিচত হৈছে। কিন্তু Recognition আগতে হৈছিল। এই বিদ্যালয়সমূহ যাতে consider কৰা হয়। ঠিক তেনেকৈ হাই স্কুলৰ শিক্ষকৰ ক্ষেত্ৰতো যাতে গুৰুত্ব দিয়া হয়। মই কেৱল শিক্ষকৰ কথা কোৱা নাই। আপুনি ভেঞ্চাৰ স্কুলসমূহত যাওঁক তাত শিক্ষাৰ কি ব্যৱস্থা আমি চৰকাৰৰ ফালৰ পৰা কি কৰিছে, আপুনি নিজেই গম পাব। এতিয়া যদি enrollement কম আছে, বেলেগ স্কুলত দিয়ক। এমালগেমেশ্বনৰ কথা কৈছে সেইটো কৰক। কিন্তু পোষ্ট খিনি যাতে প্ৰাদেশীকৰণ কৰা হয়। মাদ্ৰাছাৰ কথা ইতিমধ্যে কৈছে। আমি অতি দুখ পাইছো। অসমৰ জনতাই দুখ পাইছে। আজি স্বাধীনতাৰ আগৰ পৰা এটা চিষ্টেম চলি আছিল। জনগণে জবৰদষ্টি কৰা নাই। চৰকাৰে encourage কৰিছিল মানুহক। নিজে মাটি দিছে, টকা

পইচা দি ঘৰ বিল্ডিং বনাইছে, এটা চিষ্টেমত education মানুহৰ মাজত চলি আছে। মাদ্ৰাছা আৰু সংস্কৃত টোল চলি আছে। তাতো গোটেইখিনি religious education দি থকা হোৱা নাই। মাননীয় অধ্যক্ষ মহোদয়, বৈদিক শিক্ষাও তাতে আছে। কোৰাণৰ শিক্ষাও আছে। কিন্তু এইটো literature ৰ কাৰণে আছে। আৰবিক শিক্ষা যেতিয়া পঢ়াব, Quran is the best literature তেতিয়া কোৰাণৰ এটা portion তাত পঢ়াব পাৰে। হাদিজৰ এটা portion পঢ়াব, বেদ কোৰাণৰ এটা portionতাত আছে। বানাৰস হিন্দু বিশ্ববিদ্যালয়লৈ গৈছো। বৈদিক ডিপাৰ্টমেণ্ট তাত আছে, এনেকুৱা নহয় যে, চৰকাৰী পইচা দি পঢ়াই থকা হোৱা নাই। আলিগড় বিশ্ববিদ্যালয়, বানাৰস হিন্দু বিশ্ববিদ্যালয় আৰু কিছুমান বিশ্ববিদ্যালয়ত কিছুমান ডিপাৰ্টমেণ্ট আছে, তাতে আৰবীক বা বৈদিক তাতে religious কিতাপৰ কিছু portion as a literature সেইখিনি পঢ়োৱা হৈছে। মন্ত্ৰী মহোদয়ে কৈছে চৰকাৰৰ ভড়ালৰ পইচা দি religious আজি ভ্ৰমণ কৰাই আছো আমি। বিভিন্ন religious অনুষ্ঠানত পইচা দি আছো, নমামী বৰাক, নমানী ব্ৰহ্মপুত্ৰ হৈ আছে। কিমান খিনি religious কাম চৰকাৰৰ ভড়ালৰ পৰাই কৰিছো আৰু এটা education মই ভাৱো, হিন্দু হওঁক, মুছলমান, খ্ৰীষ্টান, বুদ্ধিছ কোনো religious education য়ে মানুহক ভূল পথ নেদেখুৱাই তাতো ভাল শিক্ষা দিয়া হয়, moral teaching তাতে দিয়া হয়। তাত এনেকুৱা ধৰণৰ শিক্ষা দিয়ে আমি গোটখা সেৱন কৰিব নালাগে, মদ কাব নালাগে, বিজ্ঞাপন দি কোটি কোটি টকা খৰচ কৰো। সংস্কৃত টোল, মাদ্ৰাচা সমূহত শিক্ষা দিয়া হয় এই ষ্টুডেণ্ট বিলাকক চুৰি নকৰিবা, মদ নাখাবা এই ধৰণৰ বস্তু তোমালোকে নকৰিবা। তাতে এইবিলাক শিক্ষা দিয়া হয়। মই নিজে মাদ্ৰাছা বেকগ্ৰাউণ্ডৰ ষ্টুডেণ্ট। তেনেকুৱা নহয়। এটা ভাল সিদ্ধান্ত লয়। গৃহ বিভাগৰ এটা কথা ক'ব খুজিছো। পুলিচ সকলৰ অলপ ভাট্টা বঢ়াইছে, মই বহুত জাগাত দেখো, এদিন হাতীগাওঁত মই গলো কিবা এটা কামত, এনেকুৱা দুৰৱস্থা বহুত থানা ভাড়াঘৰত চলি আছে। পুলিছে যিবিলাক ৰূমত থাকে, ইমান দুৰৱস্থা যে থকাৰ পৰিৱেশ নাই। গতিকে এইবিলাক দৃষ্টি দি গৃহ বিভাগে যাতে আধুনিকীকৰণ কৰে, আৰু আন্তঃগাথনি উন্নয়ন কৰা হয়, গৃহ বিভাগৰ যিটো মুল লক্ষ্য বিজ আৰু শান্তি প্ৰতিষ্ঠা কৰা আমি লক্ষ্য কৰিছো। কিছুদিন আগত বি টি এ ডি ৰ মজজিদত কোৰাণ জ্বলোৱাৰ পৰা আৰম্ভ কৰি, হাইলাকান্দিত যিটো ঘটনা হ'ল, পুলিছে গুলিয়াই হত্যা কৰিলে শুক্ৰবাৰে, আকৌ দন্তালি মাৰি আছে হত্যা কৰিলো নহয় এজন, কি হ'ল? এনেকুৱা ধৰণৰ ঘটনা ঘটিলে। চি বি আই য়ে তদন্ত কৰি তাৰ উচিত ব্যৱস্থা যাতে কৰে। মাননীয় অধ্যক্ষ মহোদয়, আৰু লক্ষ্য কৰিছো, এই এন আৰ চিত। ইয়াতে টকা পইচা বহুত দিছে অসমীয়া ভাষা সমৃদ্ধশালী কৰাৰ কাৰণে। টকা পইচা দিছে, ভাল লাগিছে আমাৰ। ভাল পাইছো। ওপৰত পানী ঢালি তলত কাঠ কাটিলে একো নহ'ব। অসমীয়া ভাষা, যি আজি যিটো CAA পাচ কৰা হ'ল। Cityzenship Amendmemnt Act অনা হ'ল, এই ভাষাৰ কাৰণে ভাষাৰথী সকলক স্কলাৰশ্বিপ দি দিয়া বা সেই সকলৰ কোনোবাৰ মুখ বন্ধ কৰাৰ কাৰণে পঞ্চাছ হাজাৰ টকা দি দিয়া, মই ভাৱো, যথেষ্ট নহয়। ইয়াৰ কাৰণে যিটো অসমীয়া ভাষা ক্ষতি কৰাৰ কাৰণে যিখন Act পাচ হ'ল, অসমে কিন্তু তাৰ বিৰূদ্ধে বিধান সভাত resolution লৈ দিল্লীত পঠাব লাগিছিল যে অসমীয়া ভাষাৰ ভৱিষ্যত অন্ধকাৰ হ'ব পাৰে, অসমীয়া ভাষাক এই আইনে হত্যা কৰিব পাৰে। গতিকে CAA ৰ বিৰূদ্ধে এটা strong resolution হ'ব লাগিছিল, তাকে নকৰি অলপ ভাষা সমৃদ্ধশালী কৰাৰ কাৰণে পইচা দিলেও নহ'ব। আজি আমাৰ সাতাম প্ৰিয় ঐক্য সংহতি, ভাতৃত্ববোধ ভাৰতবৰ্ষৰ বুৰঞ্জী অসমৰ বা আমি যেনেকৈ মিলা-প্ৰীতিৰে আছো, দায়িত্বশীল কিছুমান ব্যক্তিয়ে সংবিধানৰ শপত খাই সংবিদানৰ বিৰূদ্ধে

কিছুমান জাতি-ধৰ্মক তুচ্ছ তাচ্ছিল্য কৰি যিবিলাক কথা-বতৰা কৈ আছে মাননীয় অধ্যক্ষ মহোদয়, এন আৰ চিৰ এই ড্ৰাফট ওলায় যোৱাৰ পাছত এতিয়া এই এক কোটি মানুহক তুচ্ছ তাচ্ছিল্য কৰা, মই ভাৱো, মুঠেই এই দায়িত্বশীল ব্যক্তিৰ কৰাটো সমীচিন নহয়। এই ধৰণৰ কথা-বতৰা বিলাক যাতে নহয়, কাৰণ গোটেই সকল দায়িত্বশীল ব্যক্তি। গতিকে বাতাবৰণ ভালকৈ ৰখাৰ কাৰণে, শান্তি প্ৰতিষ্ঠাৰ খাতিৰত যাতে তেনেকুৱা বক্তব্যৰ পৰা আমি সকলোৱে বিৰত থাকো আৰু গৃহ বিভাগে যাতে চোকা দৃষ্টি ৰাখে। মন্ত্ৰী হওঁক, বা বিধায়ক হওঁক বা সাধাৰণ নাগৰিক হওঁক, আজি CAA ৰ বিৰূদ্ধে আন্দোলন কৰাৰ সকলক জেলখানাত ভৰাইছে, এনেকুৱা আন্দোলন যাতে নহয়। এইখিনি কৈ যিটো বাজেট ধাৰ্য্য কৰিছে, এই টকাখিনিৰে যাতে ঠিকে ঠাকে কাম হয়, তাৰ প্ৰতি আহ্বান ৰাখি মোক এইটো সুযোগ দিয়াৰ কাৰণে আপোনাক ধন্যবাদ জনায় মোৰ বক্তব্য সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। Budget Speech আৰু Governor Speech হৈছে মুকলি পথাৰ। শ্ৰী গুৰুজ্যোতি দাস।

**শ্ৰী গুৰুজ্যোতি দাস, মঙ্গলদৈ ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। যোৱা ৬ মাৰ্চত যি আমাৰ অসম চৰকাৰৰ বিত্ত মন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই বাজেট দাখিল কৰিলে। ইতিমধ্যে বহুজনে কৈছে এইখন সৰ্বকালৰ, সৰ্বশ্ৰেষ্ঠ বাজেট আৰু আমাৰ চৰকাৰ খনে ইতিমধ্যে যি বাজেট দাখিল কৰি আহিছে আৰু সঁচাকৈ অসমৰ ইতিহাসত সৰ্বকালৰ, সৰ্বশ্ৰেষ্ঠ বাজেট বাজেট। কাৰণ যি বাজেটে প্ৰতিটো স্তৰৰ লোকক চুই যাবলৈ সক্ষম হৈছে। কাৰণ এখন চৰকাৰ জনসাধাৰণৰ দায়িত্বশীল আৰু সেই জনসাধাৰণৰ দায়িত্বৰ ওপৰত গুৰুত্ব প্ৰদান কৰি ইতিমধ্যে আমাৰ চৰকাৰে প্ৰতিগৰাকীক চুইযোৱাকৈ আচঁনিও ৰূপায়ণ কৰিছে। সেই আঁচনিৰ সুফল লাভ কৰিবলৈ সক্ষম হৈছে। মই হিৰেন ভটাৰ্চায্যৰ কবিতা, মোৰ খুব প্ৰিয় কবিতা, সেই কবিতাটো যেন আমাৰ মাননীয় মুখ্য মন্ত্ৰী আৰু মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়াৰ গোটেই ওপৰত প্ৰভাৱ পৰে।

মোৰ দেশ
মোৰ প্ৰাণৰো প্ৰাণৰ,
মোৰ গানৰো গানৰ মোৰ
দেশ!
মোৰ প্ৰতিটো কামে মোৰ
প্ৰতিটো চিন্তাই এ দেশৰ বুকুত ৰচে
শইচ সোনোৱালী ভৱিষ্যতৰ সপোন
মোৰ জীৱনৰ আঁহে আঁহে
মোৰ যৌৱনৰ কোঁহে কোঁহে
সেই সপোনৰ কলৰোল।

মই গোটেইটো নপঢ়ো, দীঘলীয়া হ'ব। সময়ৰ প্ৰতি লক্ষ্য ৰাখিছো। অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰে যি বাজেটৰ ধন ধাৰ্য্য কৰিছিল, ধাৰ্য্য কৰি ২০১৭-১৮ চনত প্ৰায় শতকৰা ৬৬ ভাগ খৰছ কৰিবলৈ সক্ষম হৈছে। ২০১৮-১৯ চনত প্ৰায় শতকৰা ৬৭ খৰছ কৰিবলৈ সক্ষম হৈছে। মই ভাবো যে মাননীয় শ্ৰী সৰ্বানন্দ সোনোৱাল ডাঙৰীয়া নেতৃত্বাধীন এই চৰকাৰ খনে ৰাষ্টা-ঘাট, শৌচাগাৰ নিৰ্মাণৰ ক্ষেত্ৰত, স্বাস্থ্যৰ ক্ষেত্ৰত আৰু জনসাধাৰণক যি সাহাৰ্য্য প্ৰদানৰ ক্ষেত্ৰত শিক্ষাৰ ক্ষেত্ৰত

প্ৰতিটো দিশতে ভূমিকা লৈ আহিছে। আজি চৰকাৰে যি প্ৰায় ৩২.৬৬ লাখ ঘৰত শৌচাগাৰ নিৰ্মাণ কৰিছে আৰু ভাৰতবৰ্ষৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ যি সুক্ষ্ম চিন্তা-ধাৰা, সেই সুক্ষ্ম চিন্তা-ধাৰাই আজি সমাজখনক এক শান্তি-সমৃদ্ধিৰে এখন সুস্থ সমাজ আৰু নিকাহ সমাজ গঢ় দিবলৈ সক্ষম হৈছে আৰু এই অনাময় ব্যৱস্থাৰ জৰিয়তে যে এটা সময়ত আমাৰ গাওঁৰ মহিলা বাইঁৰ তললৈ যাবলগীয়া পৰিবেশ আছিল। ভাৰবৰ্ষৰ ইতিহাসত কোনেও চিন্তা কৰা নাছিল। আজি ভাৰবৰ্ষৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ নেতৃত্বত এই সুক্ষ্ম কথা আজি যেন, সেইকাৰণে উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই ইজত কা ঘৰ বুলি কৈছে। আজি ভাৰতবৰ্ষ ইতিহাসৰ কথা কোনেও চিন্তা কৰা নাছিল। আজি প্ৰায় ৩২.৬৬ লাখ ঘৰত শৌচাগাৰ নিমাৰ্ণ কৰিবলৈ সক্ষম হৈছে। আজি প্ৰায় আমাৰ চৰকাৰ খনে ২০১৬ চনৰ পৰা ২০১৭ চনলৈকে বা ২০ চনলৈকে প্ৰায় ১৪ হাজাৰ কিলোমিটাৰ পকী পথ নিৰ্মাণ কৰিবলৈ সক্ষম হ'ল। আজি এই চৰকাৰখনে skill development ৰ ওপৰত যথেষ্ট গুৰুত্বপূৰ্ণ প্ৰদান কৰিছে। প্ৰতিগৰাকী ব্যক্তিক দক্ষ ব্যক্তি নিৰ্মাণ কৰিবলৈ ইতিমধ্যে চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে। আৰু সেই skill development ৰ পৰা ডিপাৰ্টমেণ্টৰ প্ৰায় ৩ লাখ লোকক ইতিমধ্যে সংস্থাপন দিবলৈ সক্ষম হৈছো আৰু মই আপোনাৰ জৰিয়তে আমি চৰকাৰকো ধন্যবাদ জ্ঞাপন কৰিছো আৰু উদ্যোগ মন্ত্ৰী ডাঙৰীয়া আছে, মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াকো ধন্যবাদ জ্ঞাপন কৰিছো যে, মঙ্গলদৈত এখন Skill University হ'ব গৈ আছে। ইতিমধ্যে চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে। যি Skill University ইতিমধ্যে MEA ৰ পৰাও permission লৈছে। তাৰপাছত আমাৰ গোটেই MHA ৰ পৰাও permission লোৱা হৈছে প্ৰায় নশ পঞ্চাছ কোটি টকা।ইতিমধ্যে Assian Development Bank পৰা চেংশ্যনও লাভ কৰিছে চৰকাৰে আৰু মই মঙ্গলদৈ সমষ্টিৰ তৰফৰ পৰা মাননীয় মুখ্যমন্ত্ৰী আৰু উদ্যোগ মন্ত্ৰী শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰিছো আৰু অধ্যক্ষ মহোদয়, অসমৰ ইতিহাসত যিমান বাজেট দাখিল কৰি আহিছে মই জনাৰ পৰা, মঙ্গলদৈ নামটো অন্তৰ্ভূক্তই নহয়। এইবাৰ সঁচাকৈ অন্তৰ্ভূক্ত হৈছে যে, মঙ্গলদৈত এখন আভিযান্ত্ৰিক মহাবিদ্যালয় দিবৰ কাৰণে ঘোষণা কৰিছে তাৰ কাৰণে মই ডo হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰিছো, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াকো ধন্যবাদ জ্ঞাপন কৰিছো যে, স্বাস্থ্যই আমাৰ পৰম সম্পদ বুলি আমি সকলোৱে কৈ আহিছো। মই মঙ্গলদৈ চিভিল অসামৰিক চিকিৎসালয়খনৰ সভাপতিৰ দায়িত্বত আছো। তাত Dialysis ৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। আমাৰ সমাজত বহু লোকৰ হয়তো বেমাৰ হৈ গৈছে। কিন্তু Dialysis ৰ বা তেওঁলোকৰ Diagnosis অভাৱত ইতিমধ্যে বহুতে চিকিৎসা নোহোৱাকৈ মৃত্যু মুখতো পৰিছে। কিন্তু আমাৰ চৰকাৰখন অহাৰ পিছত প্ৰায় চৌৰন্নটা তেজ পৰীক্ষা বিনামূলীয়াকৈ কৰিবলৈ সক্ষম হৈছে। আজি চিটিস্কেন বিনামূলীয়াকৈ কৰিবলৈ সক্ষম হৈছে। চিটিস্কেন কৰিবলৈ চাৰ পাচ হাজাৰ টকা লাগে। হয়তো বহু দুখীয়া পৰিয়ালে চিটিস্কেন কৰিবই নোৱাৰে। তেনেকৈ তেওঁ সেই বোমাৰত মৃত্যুমুখত পৰিব লগীয়া হৈছে। আজি এইখন চৰকাৰৰ কথা, বিভিন্ন জনে ইতিমধ্যে, বিৰোধীয়ে কৈছে, যোৱাবাৰৰ প্ৰতিশ্ৰুতি, এইবাৰৰ প্ৰতিশ্ৰুতি সংমিশ্ৰনৰ এখ ন বাজেট। কাৰণ যোৱাবাৰৰ যিবোৰ বাজেট আছিল, তাৰ কিমানখিনি ফলপ্ৰসু হৈছে তেওঁলোকে হয়তো সেইবোৰ বিশ্লেষণ কৰা নাই। কাৰণৰ মৈত্ৰী আঁচনিৰ জৰিয়তে আমাৰ মঙ্গলদৈত থানাখন ইমান ধুনীয়া হোটেল বুলি কয়। 'অসম দৰ্পন' আঁচনিৰ জৰিয়তে সেই পুৰনা ঐতিহ্যমণ্ডিত মন্দিৰ, নামঘৰ, ইতিমধ্যে হৈছে। যিহেতু আমাৰ চৰকাৰখনৰ লক্ষ্য হ'ল সবকা চাথ সবকা বিকাশ। সেইহে এই আঁচনিৰ জৰিয়তে তেওঁলোকে ১০ লাখ টকা পাবলৈ সক্ষম হৈছে। এই জাতি-ভেটি মাটিৰ স্বাৰ্থ, এটা জাতি জীয়াই ৰাখিবলৈ হ'লে

আমাৰ জাতি সংস্কৃতি আমি আশাৰ সম্ভাৰক আমি জীয়াই ৰাখিব লাগিব। আজি ভাষাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে। আজি আমাৰ যি কিড্‌নী বেমাৰী যাৰ পৰিয়ালত আছে, তেওঁলোকে অনুভৱ কৰে, এটা দিনত যেতিয়া ডায়েলাইচিচ কৰিব লাগে ১৫০০০, ১০,০০০, ২০,০০০ টকা খৰচ হয়। অধ্যক্ষ মহোদয়, আমাৰ সেই জীৱনদায়িনী ডায়েলাইচিচ প্ৰায় ১৫,২০৮ টা ইতিমধ্যে বিনামুলীয়াকৈ কৰা হৈছে। তেওঁলোকৰ পৰিয়ালে মোক কৈছে, অধ্যক্ষ মহোদয়, যে আজি এইখন চৰকাৰৰ পৰা কিমান উপকাৰ সাধন হৈছে? অটল অমৃত, আয়ুষ্মান কাৰ্ডৰ জৰিয়তে প্ৰায় ২২,১৯৯ গৰাকী গৰ্ভৱতী মহিলাকো ইতিমধ্যে বেংকৰ জৰিয়তে প্ৰায় ১,৬৬০.৯ লাখ টকা ইতিমধ্যে আগবঢ়াবলৈ সক্ষম হৈছে। অধ্যক্ষ মহোদয়, শিক্ষাত যাতে দৰিদ্ৰতা হেঙাৰ হ'ব নোৱাৰে তাৰ ওপৰত গুৰুত্ব প্ৰদান কৰি এইখন চৰকাৰে আৰম্ভনিৰ পৰাই এই সিদ্ধান্ত লৈ আহিছে। আজি এইখন চৰকাৰে লাখে লাখে ছাত্ৰ-ছাত্ৰীক বি এ , বি এচ চি, বি কম পঢ়িবলৈ সক্ষম হৈছে। অতি দুখৰ আৰু পৰিতাপৰ কথা অধ্যক্ষ মহোদয়, কোনো এগৰাকী বিৰোধীৰ মুখত এই কথাটো শুনিবলৈ নাপালো। কাৰণ অসমৰ ইতিহাস, খাৰুপেতীয়া মহাবিদ্যালয়ত ৯৫ শতাংশ ছাত্ৰ-ছাত্ৰীয়ে বি. এ বিনামুলীয়াকৈ পঢ়িবলৈ সক্ষম হৈছে। তাত প্ৰায় ৯৯শতাংশ, ৯৮শতাংশ, ৯৭শতাংশ, মাইনৰিটি ছাত্ৰ আছে। অধ্যক্ষ মহোদয়, চব কা চাথ চব কা বিকাশ, এখন দেশৰ এখন ৰাজ্যই শিক্ষা ব্যৱস্থাটোৱে সমাজ সংস্কাৰ কৰে। সেই শিক্ষা ব্যৱস্থাটোক আজি আমাৰ চৰকাৰখনে বিনামুলীয়া কৰিবৰ কাৰনে সিদ্ধান্ত গ্ৰহন কৰিছে। ভাৰতবৰ্ষৰ ভিতৰত কেৰেলা ১০০ শতাংশ ই শিক্ষিত ৰাজ্য অধ্যক্ষ মহোদয়, আৰু সেই ১০০ শতাংশ শিক্ষিত ৰাজ্য আমি কৰিবলৈ গলে এটা পৰিকল্পনা হাতত ল'ব লাগিব। সেই পৰিকল্পনা আমাৰ চৰকাৰখনে ইতিমধ্যে হাতত লৈছে। মই ভাবো অধ্যক্ষ মহোদয়, এই পৰিকল্পনাই অহা ১০ বছৰ বা ৫ বছৰৰ ভিতৰত আমাৰ অসমখনো এখন ১০০ শতাংশ শিক্ষিত ৰাজ্য হিচাপে পৰিগনিত হ'ব। অধ্যক্ষ মহোদয়, সদনত বিত্ত মন্ত্ৰী ডাঙৰীয়া আছে, তেওঁক মই আকৌ বিশেষভাৱে মঙ্গলদৈ সমষ্টিৰ পৰা ধন্যবাদ জ্ঞাপন কৰি অসমৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোনোৱাল ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰিছো। আমাৰ skill city খন আগবঢ়োৱাৰ কাৰনে মঙ্গলদৈ সমষ্টিত আৰু ইতিমধ্যে আমাৰ মঙ্গলদৈত কেঞ্চাৰ হস্পিতালখন আৰম্ভ হৈ আছে, তাৰ কাৰনেও মই স্বাস্থ্য মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্ম্মা ডাঙৰীয়াক মই ধন্যবাদ জ্ঞাপন কৰি আৰু যাতায়তৰ ক্ষেত্ৰত মঙ্গলদৈ সমষ্টিটো বহুত উন্নত হৈ গৈছে, তাৰ কাৰনে মই সঁচাকৈ গৌৰাবান্বিত।

**মাননীয় অধ্যক্ষ** ঃ- please conclude now.

**শ্ৰী গুৰুজ্যোতি দাস, সদস্য** ঃ- আগতে আমাৰ ইমানখিনি উন্নয়ন হোৱা নাছিল, কাৰন আজি এনেকুৱা উন্নয়ন হৈছে, আমাৰ চৰকাৰখনেই সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ এখন চৰকাৰ হিচাপে অসমৰ ৰাইজে ক'বলৈ সক্ষম হৈছে।

**মাননীয় অধ্যক্ষ** ঃ- you please conclude . সময়ৰ কথা আছে। you should understand. মই আপোনাক কৈছো, go by points. you want to describe. how you can do it within 5 minutes? Its difficult. please. আপোনাৰ যদি কিবা আছে, লিখিত দিয়ক। মই আপোনাক request কৰিছো। please. I will be happy if the Ruling party give 5-6 names and they can describe everything. আমাৰ নাম আহি থাকে, সেই কাৰনে মই বেছিকৈ দিব নোৱাৰো। এতিয়া কমলাক্ষ্য দে পুৰকায়স্থ্য। ৫ মিণিট।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিত্ত মন্ত্ৰী

সদনে যে বাজেট উত্থাপন করলেন সেই বাজেট যে নির্বাচন মুখী বা জনমুখী বাজেট সেগুলো কথা আমি বলব না। আমাদের শাসক দলের বন্ধুদের প্রত্যেকের মুখেই আমি শুনতে পারলাম যে ৭০ বছরে কংগ্রেস কি করলো? আজ আমি বলতে চাই যে এই সদনের বিধায়ক বা মন্ত্রীরা যে স্কুল, কলেজ বা ইউনির্ভাসিটি থেকে পাশ করেছেন সে গুলো কংগ্রেসের বানানো স্কুল, কলেজ থেকে পাশ করেছেন। কয়েক দিন আগে অসমে ফিল্ম ফেয়ার এয়ার্ড হল সরুসোজাই স্টেডিয়ামে । যে স্টেডিয়ামে এই ফিল্ম ফেয়ার করলেন সেটাও কংগ্রেসের বানানো। আজ যে ফ্লাই ওভার দিয়ে আপনারা বিধান সভায় আসছেন সেই ফ্লাই ওভার গুলো কংগ্রেসের বানানো। আজ বিশেষ করে বর্ষাপাড়া স্টেডিয়াম সেটাও কংগ্রেসের বানানো। অতএব অসমের এমন একটা বিভীষিকাময় পরিবেশ ছিল যেখানে গুপ্ত হত্যা থেকে শুরু করে, তিন চার মাস কর্মীদের বেতন নেই সেই অবস্থায় কংগ্রেসকে দায়িত্ব দেওয়া হয়েছিল এই অসমে সরকার গড়ার জন্য। সেই সময় যখন মেয়ের জন্য বিয়ের আলাপ দেওয়া হত কোনো শিক্ষকের সাথে তখন তাকে জিজ্ঞাসা করা হত আপনি কি প্লেন না নন প্লেনের চাকুরি করেন? সেই রকম অবস্থা ছিল।

অধ্যক্ষ মহোদয়, সেই অবস্থা থেকে আজ যে একটা পরিকাঠামো তৈরী হলো, বর্তমান যে পরিবেশ সেটা সম্পূর্ণ কংগ্রেসের দান। সেটা আমরা অস্বীকার করতে পারি না। আমরা যখন মন্দির বা মসজিদে যাই তখন আমরা সেখানে গিয়ে ভগবানকে বলি আমাদের ইচ্ছা পূরণ করে দাও। কিন্তু যদি আমাদের ইচ্ছা পূরণ না হয় তখন আমরা ভগবানের উপর মনক্ষুন্ন হই । কিন্তু আমরা কোনো দিন গিয়ে ভগবানকে বলি না যে হে ভগবান তুমি আমাকে জীবন দিয়েছ, হাত পা দিয়েছ, তার জন্য তোমাকে আমরা ধন্যবাদ জানাই। আমাদের উচিত ছিল আমরা কর্ম করে ভগবানের কাছে যাব এবং সেখানে গিয়ে বলব আমরা কর্ম করে আমাদের সব আশা-আকাঙ্খা আমরা পূরণ করতে পেরেছি তার জন্য আপনাকে ধন্যবাদ জানাচ্ছি। তখনই ভগবান আমাদের উপর সন্তুষ্ট হবেন। আমি সেই কথাটা এই জন্য বলছি, যে আমাদের বিত্ত মন্ত্রী এখানে আছেন। তিনি বলেছিলেন যে আমরা কম্বোল আর মশারি দিয়ে রাজনীতি করব না। আমরা এমন একটা পরিবেশ সৃষ্টি করব যেখানে মানুষ নিজেরা উপার্জন করে কম্বোল, মশারি কিনতে পারে । আমরা নতুন নতুন ইনডাস্ট্রি তৈরী করব, ইনডাস্ট্রি গুলোকে রিভাইভ করব যাতে মানুষ নিজে ইনকাম করে সেই পয়সা দিয়ে তাদের ইচ্ছা আকাঙ্খা পূরণ করতে পারে। কিন্তু অতি দুঃখের সঙ্গে বলতে হচ্ছে যে আমাদের যেগুলো পেপার মিল বা ইনডাস্ট্রি সেগুলোকে আজ বিক্রী করা হবে। আজ আমরা দেখতে পারছি যে মানুষকে প্রতিষ্ঠিত করার জন্য কোন স্কীম নেই।

মাননীয় অধ্যক্ষ মহোদয়, অরুণোদয় স্কীম করা হল। সেই স্কীম প্রতিষ্ঠিত করার মতো নয়। আমাদের মাননীয় মন্ত্রী মহোদয় বলেছেন যে কংগ্রেস সরকারের সময় যে টাকা গুলো দেওয়া হয়েছিল সেগুলো দিয়ে মোবাইল কেনা হয়েছে, অনেক রকম জিনিস কেনা হয়েছে। সেই টাকা গুলো কোনো কাজে আসে নি। আজ আপনারা যে দশ হাজার টাকা দেবেন, সেইটা বেংকে ট্রেন্সফার হলে সেই টাকা দিয়েও তো মোবাইল কিনতে পারে। সেই টাকা দিয়ে আমি মনে করি প্রকৃতার্থে মানুষের কোন উপকার হবে না। আমি মাননীয় মন্ত্রী মহোদয়ের কাছে অনুরোধ করছি সে টাকা গুলো যাতে মহিলাদের অ্যাকাউন্টে বেংক ট্রেন্সফার করা হয়।

অধ্যক্ষ মহোদয়, প্রকৃতার্থে যদি অসমের উন্নতি বা অসমের মানুষের উন্নতি হত তাহলে চিন্তার কোনো কারণ ছিল না। এন এইচ এমের যে গুলো কনট্রাক্ট্যুয়েল স্টাফ আছেন, তাদের কে কিভাবে রেগুলারাইজড করব, চাইল্ড প্রটেকশনের সোসিয়াল ওয়েল ফেয়ার যারা চাকুরি করছে

তাদের কে আমরা কিভাবে রেগুলারাইজড করব আমরা এই ধরণের একটি পরিকাঠামো সৃষ্ঠি করব যাতে মানুষকে প্রকৃতার্থে সাবলম্বী করতে পারি। তাদের কে একটা চাকুরির মাধ্যমে যাতে আমরা প্রতিষ্ঠিত করতে পারি। কিন্তু আমি দেখতে পারলাম প্রথম পাতা থেকে শেষ পাতা অবধি ইনডিভিজুয়্যাল বেনিফিট তা দিয়ে অসমের মানুষের কোনো উন্নতি হতে পারে না। এখানে ব্যক্তি জীবনের সততার কথা বলা হয়েছে। অপনারা বলছেন কংগ্রেস তো অনেক দূর্নীতি করেছে, আমি বলৱ যে ব্যক্তি জীবনের সততা তখনই ধ্বংস হয় যখন সিণ্ডিকেটে আমরা লিপ্ত হই। ব্যক্তি জীবনের সততা তখনই নষ্ট হয় যখন দেখি যে প্রকাশ্যে দূর্নীতি চলছে। এ ফর অসম- আমরা জি এস টি তে প্রথম হয়েছিলাম। কিন্তু দূর্নীতির ক্ষেত্রে পাঁচটা রাজ্যের মধ্যে অসম পাঁচ নম্বরের মধ্যে একটা স্থান অধিকার করতে পেরেছে।

অধ্যক্ষ মহোদয় আমি বলতে চাই আজ এন আর সি তে, ডি ভোটারের ক্ষেত্রে, বা সি এ তে বলুন প্রত্যেকটা ক্ষেত্রে ভাষিক সংখ্যালঘু এবং ধর্মীয় সংখ্যালঘুরা টার্গেট। আমি কয়েক দিন আগে দুলাল পালের বাড়ীতে গিয়েছিলাম এবং সেখানে আমাদের মুখ্যমন্ত্রী যাওয়ার কথা ছিল, কিন্তু মুখ্যমন্ত্রী সেখানে যান নি। সব থেকে বড় কথা হল যে মুখ্যমন্ত্রীর অফিস থেকে দুলাল পালের বাড়ীতে আর্থিক সাহায্য দেওয়ার কথা ছিল কিন্তু কোন সাহায্য করা হয়নি। তাদের বলা হল আপনারা ন্যায় পাবেন সি এর মাধ্যমে ন্যায় পাবেন। দুলাল পালের ছেলে কি বললো জানেন অধ্যক্ষ মহোদয় আমাকে বললো আপনি অন্তত বিধান সভায় একটি কথা বলবেন যে সি এর মাধ্যমে আমাদের ন্যায়ের দরকার নেই। এইজন্য দরকার নেই যে আমার বাবার ৫৬ সালের ল্যাণ্ড রেকর্ড আছে, আমার বাবার ভাইদের নাম আছে, আমার ভাইদের নাম আছে আমার বাবা হঠাৎ করে কেন ডি ভোটার হয়ে উনাকে ডিটেনশন কেম্পে গিয়ে মৃত্যু বরণ করতে হলো? এই যে অন্যায়, এই যে অবিচার বিশেষ করে বাঙ্গালী মানুষদের প্রতি যে অন্যায় হচ্ছে আমি সদনে বিশেষ করে সেই কথা গুলো বলতে চাই।

আমি দেখতে পেলাম যে ৩০ ইউনিট বিজলী ফ্রি দেওয়া হয়েছে। পিঙ্ক গাড়ী দেওয়া হয়েছে মহিলাদের ফ্রি ট্রেভেলের জন্য। কেজরিওয়াল সরকারও সেটা করেছেন। আমি মন্ত্রী মহোদয়কে ধন্যবাদ জানাই। কিন্তু সাথে সাথে এটাও জানা দরকার আমাদের দিল্লি সরকার সরকারি স্কুল যেগুলো আছে সেগুলোর উন্নতি করেছে। যে গুলো সরকারি হাসপাতাল আছে সেগুলোর বিরাট একটা উন্নতি হয়েছে। অতএব আমি মনে করি এই ৩০ ইউনিট দেওয়ার সাথে সাথে অনেক infrastructure উন্নতির ক্ষেত্রে দিল্লি সরকার কাজ করেছে। আমাদের এই সরকার infrastructure ক্ষেত্রে কোন কাজ করেনি। এই বাজেটে আমরা ইনডিভিজুয়্যাল বেনিফিট দেখতে পারলাম। অসমের মানুষের সার্বিক উন্নয়নের ক্ষেত্রে বা অসমকে বিশ্বের বুকে বা ভারতের বুকে প্রতিষ্ঠিত করার জন্য এই বাজেটে আমরা কিন্তু কিছু দেখতে পারলাম না। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ । এতিয়া শ্ৰী ৰনোজ পেগু ডাঙৰীয়া ।

**শ্ৰী ৰনোজ পেগু ঃ** মাননীয় অধ্যক্ষ মহোদয়, সমালোচনা কৰা হৈছে যে এইখন বাজেটত চাহ জনজাতি বা চাহ বাগানৰ ওপৰত অত্যাধিক গুৰুত্ব আৰোপ কৰিছে আৰু এই বাজেটখন এখন নিৰ্বাচনমুখী বাজেট । যিকোনো পৰীক্ষা পাছ কৰিবলৈ হ'লে এটা বিষয়ত পাছ কৰিলে নহ'ব আটাইবোৰ বিষয়ত পাছ কৰিব লাগিব । ছাত্ৰ-ছাত্ৰীসকলে সেইকেইটা বিষয়ৰ ওপৰত গুৰুত্ব দিয়া উচিত যিকেইটা বিষয়ত তেওঁ দুৰ্বল বা যিকেইটা বিষয় জটিল । ড° ভূপেন হাজৰিকাই কৈ থৈ গৈছে 'তুমি বিশ্বৰ শৰীৰত পঙ্গু অংগ হ'লে বিশ্বই জানো শোভা পাব' ঠিক তেনেদৰে অসমৰ

শৰীৰত যদি কোনো এটা অঞ্চল বা জনগোষ্ঠী যদি পঙ্গু অংগ হয় তেনেহ'লে অসম বিকশিত হ'ব নোৱাৰে । ইয়াৰ আগৰ বাজেট অধিবেশনত "Speaker's Research Initiatives" ত অধ্যক্ষ মহোদয় আপোনাৰ নেতৃত্বত এই কথা আলোচিত হৈছিল যে অসমৰ চাহ বাগান অঞ্চল সমূহত কেনে দুৰৱস্থা আজিৰ দিনটো চলি আছে । সেই কাৰণে আজি চৰকাৰখনে সেই অঞ্চল সমূহক, জনগোষ্ঠী সমূহক, সেই লোকসকলক উন্নয়নৰ ধাৰলৈ ধাৱমান কৰাবৰ কাৰণে আৰু সেই অঞ্চলসমূহৰ উন্নতি সাধন কৰিবৰ কাৰণে নিৰ্দিষ্ট ভাৱে মনোনিৱেশ কৰিছে যিয়ে চাহ জনগোষ্ঠী সকলৰ যি পশ্চাৎপদতা আছে সেই পশ্চাৎপদতা দূৰ কৰি তেওঁলোকক উন্নয়নৰ দিশলৈ লৈ যাব । ইয়াত নিৰ্বাচনৰ কথা আহিব নোৱাৰে । আমি আগতে নিৰ্বাচনকেন্দ্ৰিক বাজেট কম্বল, টৰ্চ লাইট, ছাটি বিলোৱা আঁচনি বহুত দেখিলো । কিন্তু এই চৰকাৰখনে সেই সামগ্ৰী বিলাক বিলাবৰ কাৰণে এই বাজেট ধাৰ্য্য কৰা নাই । চেনী বিলাবলৈ লোৱাৰ এটা নিৰ্দিষ্ট কাৰণ আছে যে নিমখ দি চাহ খোৱাৰ যি ক্ষতিকাৰক পৰম্পৰা বাগানত আছিল তাক নাইকীয়া কৰিবৰ কাৰণে আৰু সুস্থ পৰম্পৰা সৃষ্টি কৰিবৰ কাৰণে চেনী বিলাবলৈ লৈছে । কিছুমান হিতাধিকাৰীৰ একাউন্টত পইচা ভৰোৱাটো দেখিবলৈ পাইছে কিন্তু বাগানৰ আন্তঃগাঠনি উন্নয়ন কৰিবৰ কাৰণে এই চৰকাৰখনেই প্ৰথম চৰকাৰ, যি চৰকাৰে বাগানত ৰাস্তা বনাইছে আৰু এতিয়া ডিভিজন সমূহলৈও ৰাস্তা বনোৱাৰ কাৰণে পদক্ষেপ গ্ৰহণ কৰিছে । বাগানৰ ল'ৰা-ছোৱালীক শিক্ষা প্ৰদানৰ কাৰণে এইখন চৰকাৰে এশখন স্কুল আৰম্ভ কৰিছে আৰু হাইস্কুল বিলাক বাগান অঞ্চলত গঢ়ি তোলাৰ কাৰণে এটা দীঘলীয়া পৰিকল্পনাৰ পথত অগ্ৰসৰ হৈছে । অধ্যক্ষ মহোদয়, নিৰ্দিষ্ট কিছুমান বিষয়ত এই চৰকাৰখনে ফ'কাচ কৰি কাম কৰাৰ কাৰণে আজি অসমৰ যাতায়াত ব্যৱস্থা উন্নত হৈছে । আমি যাতায়াতৰ কথা ক'লে অসমত বিশেষকৈ ৰাস্তা-ঘাট বুলি কোৱা হয় কিয়নো অসমত এটা সময়ত নদী মাতৃক দেশ হোৱাৰ কাৰণে ৰাস্তাৰ লগে লগে আমাক অসংখ্য ঘাটৰ প্ৰয়োজন হৈছে । শৰাইঘাট, নিমাতীঘাটৰ পৰা আৰম্ভ কৰি হিচাপ কৰিব নোৱাৰাকৈ আমাৰ ঘাট আছিল কিন্তু আজি এই চৰকাৰখনৰ উদ্যোগত যাতায়াত ব্যৱস্থাৰ ওপৰত প্ৰাধান্যৰ কাৰনে সৰহ সংখ্যক ঘাট নাইকীয়া হৈ গ'ল আৰু যি অৱশিষ্ট ঘাট আছে সেই ঘাট বিলাকতো দলং নিৰ্মাণৰ কাৰণে চৰকাৰখনে পৰিকল্পনা কৰি আগবাঢ়িছে । এই চৰকাৰখনৰ ফ'কাচ যে স্বাস্থ্যকেন্দ্ৰত , শিক্ষাখণ্ডত তাক বহলাই ব্যাখ্যা কৰাৰ প্ৰয়োজন নাই । মাননীয় মন্ত্ৰী ডাঙৰীয়াই কৈছে যে কিছু বিষয়ত শাসক হিচাপে আমি কঠোৰ সিদ্ধান্ত কিছুমান ল'ব লাগিব আৰু ময়ো বিধানসভাৰ সকলো সদস্য-সদস্যা, ৰাইজ, গুণী-জ্ঞানী সকলকে আহ্বান জনাম যে শিক্ষা ব্যৱস্থাটো Streamline কৰিবলৈ হ'লে আমি কিছু কঠোৰ, নিষ্ঠুৰ হ'ব লাগিব কিন্তু শিক্ষা ব্যৱস্থাটোক Streamline নকৰাকৈ অবিৰত উন্নয়নৰ ফালে আমি যাব নোৱাৰো । শেষত মই ক'ম যে আমাৰ এখন সুন্দৰ আঁচনি আহিল যে গাঁওবিলাক আন্ধাৰ হৈ আছিল, এতিয়া এই গাঁও বিলাক পোহৰ কৰিবৰ কাৰণে 'দীনদয়াল উপাধ্যায় গ্ৰাম্য বৈদ্যুতিকৰণ আঁচনি' আহিল। প্ৰতিটো গাওঁ, চুবুৰীলৈ Electrict post গ'ল আৰু তাৰ পাছত যিসকল BPL দুখীয়া মানুহে সেই post ৰ পৰা line টো টানি নিজৰ connection টো ল'ব নোৱাৰে তেওঁলোকৰ কাৰণে প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই ঘোষণা কৰিলে 'সৌভাগ্য' আঁচনি। মই নিজেই মুখামুখি হৈছো, বহুতো দুখীয়া মানুহে কৈছে যে আপোনালোকে মোৰ ঘৰলৈ এই 'সৌভাগ্য' আঁচনিৰ অধীনত মোক line টো দিলে কিন্তু মই Electricity Bill টো ক'ৰ পৰা দিম ? Electricity Bill টো আপোনালোকে দিয়াৰ ব্যৱস্থা কৰিব নোৱাৰে নেকি ? হয়, তেনে লোকো আছে, তেনে পৰিয়ালো আছে। সেইকাৰণে এইখন বাজেটত এটা সুন্দৰ আঁচনি আহিল সেইসকল ব্যক্তিৰ কাৰণে যে

তেওঁলোকে যদি মাহত 30 watt ব্যৱহাৰ কৰে তেওঁলোকৰ বিজুলী বিলটো অসম চৰকাৰে বহন কৰিব। ই গোটেই অসম খনক উজ্বলাই তুলিব। অসমখনক পোহৰাই তুলিব। এনে এখন বাজেট, যিখন নিৰ্বাচনকেন্দ্ৰীক নহয় এইখন বাজেট অবিৰত উন্নয়নকেন্দ্ৰীক বাজেট। এইখন বাজেটৰ যোগেদি আমি নিৰ্দ্দিষ্ট দুৰ্বল ঠাইত মনোনিৱেশ কৰিছো, focus কৰিছো। আমি জটিল ঠাইবিলাকত আমি মনোনিৱেশ কৰিছো যিবিলাক জটিল বিষয়ত আগত বহুত চৰকাৰে pass কৰিব নোৱাৰিলে, fail কৰিলে সেই জটিল বিষয় বিলাকত এই চৰকাৰখনে মনোনিৱেশ কৰি সুন্দৰ ফলাফল দেখুৱাব। এক অবিৰত উন্নয়নৰ এই বাজেটৰ বাবে মই মন্ত্ৰী ডাঙৰীয়াক, চৰকাৰক ধন্যবাদ জনাই মই মোৰ বক্তব্য সামৰণি মাৰিছো। ধন্যবাদ ।

**Hon'ble Speaker** : Thank you, Hon'ble Minister please.

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে অসম বিধান সভাৰ মজিয়াত ৫ খন বাজেট একেধাৰে উপস্থাপন কৰাৰ এটা achievement য়েই কওঁক বা অভিজ্ঞতাই কওঁক বা সৌভাগ্যই কওঁক লাভ কৰিবলৈ মই সক্ষম হৈছিলো আৰু হয়তো এই সৌভাগ্যখিনি জীৱনৰ সম্পদৰূপে সদায় আমাৰ হাতত থাকি যাব। বাজেট দাখিলৰ পৰৱৰ্তী সময়ছোৱাত অসম বিধান সভাৰ কেইবাগৰাকীও সন্মানীয় সদস্যই এই বাজেট বক্তৃতাত অংশগ্ৰহণ কৰিলে। বিৰোধী দলপতি শ্ৰী দেৱব্ৰত শইকীয়া ডাঙৰীয়া, শ্ৰী পদ্ম হাজৰিকা ডাঙৰীয়া, শ্ৰী আমিনুল ইছলাম ডাঙৰীয়া, শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়া, শ্ৰীমতী অজন্তা নেওগ ডাঙৰীয়ানী, শ্ৰী সত্যব্ৰত কলিতা ডাঙৰীয়া, প্ৰাক্তন মুখ্যমন্ত্ৰী শ্ৰী তৰুন গগৈ ডাঙৰীয়া, শ্ৰী অশ্বিনী ৰায় চৰকাৰ ডাঙৰীয়া, শ্ৰী দুৰ্গা ভূমিজ ডাঙৰীয়া, শ্ৰী সঞ্জয় কিষাণ ডাঙৰীয়া, শ্ৰী বিমল বৰা ডাঙৰীয়া, শ্ৰী মামুন ইমদাদুল হক চৌধুৰী ডাঙৰীয়া, শ্ৰী ৰকিবুল হুছেইন ডাঙৰীয়া আৰু আজি শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ ডাঙৰীয়া, শ্ৰী ৰণোজ পেগু ডাঙৰীয়া, শ্ৰী ৰূপক শৰ্মা ডাঙৰীয়া, শ্ৰী গুৰুজ্যোতি দাস ডাঙৰীয়া, শ্ৰী চক্ৰধৰ গগৈ ডাঙৰীয়া, শ্ৰী ঋতুপৰ্ণ বৰুৱা ডাঙৰীয়াকে আদি কৰি ২২ গৰাকী সন্মানীয় ব্যক্তিয়ে এই বাজেট বক্তৃতাত অংশগ্ৰহণ কৰিলে। মই আটাইকে বিত্ত বিভাগৰ হৈ, অসম চৰকাৰৰ হৈ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো। অধ্যক্ষ মহোদয়, প্ৰথম কথা গোটেই বাজেট বক্তৃতাটোত যিখিনি অংশগ্ৰহণ কৰিলে তাত বহু কেইজনে হয়তো বাজেটখন ভালকৈ পঢ়ি চোৱাৰ কষ্ট কৰা নাই বা আমি যিখন ইকোনোমিক চাৰ্ভে ৰিপোৰ্ট দিছিলো সেইখিনিও পঢ়াৰ বাবে হয়তো কষ্ট কৰা নাই। কোনোবাই যদি পঢ়িছেও ৰাজনৈতিক কাৰণত সেইখিনি Ignore কৰাৰ কাৰণে সিদ্ধান্ত লৈছে। আজি প্ৰথমতে এটা কথা কোৱা হয় যে, বি জে পি চৰকাৰে বাজেট দাখিল কৰিলে কিন্তু আগৰ কেইটা প্ৰতিশ্ৰুতি ৰক্ষা কৰিলে ? অধ্যক্ষ মহোদয়, এটা কথা এই সন্মানীয় সদনে স্বীকাৰ কৰিব লাগিব যে, বাজেট দাখিল কৰাৰ পিচত কি হয় , সেই বিষয়ে বিধান সভাত মাৰ্চ মাহ শেষ হৈ যোৱাৰ পিছত আজিলৈকে কোনোৱে সদনত ৰিৰ্পোটিং কৰা নাছিল। প্ৰথমবাৰ আমিয়ে আৰম্ভ কৰিছিলো যে, বাজেটখনত উল্লেখ কৰা দিশবিলাক আমি কিমান ৰূপায়ণ কৰিলো বা কিমান ৰূপায়ণ কৰিব নোৱাৰিলো। আমি জুন-জুলাই মাহত সদনত যেতিয়া এই প্ৰতিবেদনখন দিও , তেতিয়া বিৰোধী পক্ষৰ সদস্যসকলে যিকেইটা কথাক লৈ সমালোচনা কৰে যে এইটো আঁচনি হোৱা নাই, সেইটো হোৱা নাই। আমি তেতিয়া তাক তথ্যৰে প্ৰত্যুত্তৰ দিওঁ। কোনেও নকয় যে এইটো মই ভুল কৈছো। অৰ্থাৎ এটা বা দুটা আঁচনিক বাদ দি ২০১৬-১৭ চনৰ পৰা আজিলৈকে মই দাখিল কৰা এই বাজেট ৰূপায়ণৰ নাম্বাৰটো যদি আমি মেজাৰ কৰো । It is more than 80% যদি কোনোবা সদস্যই মোক আজিও কয় যে আপুনি এই আঁচনিটো ঘোষণা কৰিছিল কিন্তু

এই আঁচনিটো ৰূপায়ণ হোৱা নাই। আমাৰ হাতত ১ টা বছৰ আছে। আমি সেইখিনি ৰূপায়ণ কৰাৰ বাবে যত্ন কৰিম। কিন্তু গোটেইকেইজনৰ বক্তব্যত মই দেখিছো যে, বাজেট দিলে কি হ'ব যদি ইমপ্লিমেন্টেই নহয়। এইটোক কোৱা হয় Generatic Statement বুলি । ১০০০ খন কাঠৰ দলং পকীকৰণ কৰিম বুলি কৈছিল, কৰিলেনে নাই? দিব্যাঙ্গ ব্যক্তিক পেঞ্চন দিম বুলি কৈছিল, দিলেনে নাই? কুশল কোঁৱৰ বৃদ্ধ পেঞ্চন আঁচনি মুকলি কৰিম কৈছিল, কৰিলেনে নাই? কনকলতা মহিলা সবলীকৰণ আঁচনি কৰিম বুলি কৈছিলে , কৰিলেনে নাই? MLA ক 'চিগনেচাৰ 'স্কীম দিম বুলি কৈছিলে, দিলেনে নাই? 'অসম দৰ্শন' আঁচনি কৰিম বুলি কৈছিলে , কৰিলেনে নাই? গুৱাহাটী মেডিকেল কলেজক ১০০ কোটি টকা অনুদান দিম বুলি কৈছিলে, দিলেনে নাই? এই প্ৰশ্ন কিন্তু কোনেও নকৰে, উত্তৰো নিবিচাৰে। উল্লেখেই নকৰে। খালী এনে ই কৈ থাকে ই যে, বাজেট দিলেই হ'বনে, ৰূপায়ণ হৈছে জানো? আমি এইখন সদনত তেনেকুৱা কোনো কথা নিবিচাৰো। অধ্যক্ষ মহোদয়, আমি বিচাৰো যে Specific প্ৰশ্ন সোধক । আপোনালোকৰ অধিকাৰ আছে। আজিও মই শিক্ষা বিভাগৰ ২০ টা প্ৰশ্নৰ উত্তৰ দিলো। স্বাস্থ্য বিভাগৰ দিলো। কোনো এটাইতো কোৱা নাই যে বিনামূলীয়া টেক্স বুক দিম বুলি কৈছিল , দিলেনে নাই? ফ্ৰি এডমিশ্যন দিম বুলি কৈছিলে দিলেনে নাই? টি গাৰ্ডেনত বিনা পইচাৰে চাউল দিম বুলি কৈছিল দিলেনে নাই? অটল অমৃত অভিযান কৰিম বুলি কৈছিলে, কৰিলেনে নাই? আপোনালোকৰ চৰকাৰে কৈছিল যে, বিনামূলীয়া কিড্‌নি ডাইলেচিচ কৰিম বুলি কৈছিলে, কৰিলেনে নাই? বিনামুলীয়া চি টি স্কেন কৰিম বুলি কৈছিলে , কৰিলেনে নাই? বিনামূলীয়া ব্লাড টেষ্ট কৰিম বুলি কৈছিলে, কৰিলেনে নাই? ১০০০ মন্দিৰত বা মচজিদত বা দৰগাহত টকা দিম বুলি কৈছিলে , দিলেনে নাই? 'অসম মালা' কৰিম বুলি কৈছিলে কৰিলে নে নাই? বিৰোধী পক্ষইতো এটাও এইবিলাক প্ৰশ্ন কৰা নাই? তাৰমানে ধৰি ল'ব লাগিব যে বিৰোধী পক্ষৰ ভয় , যে এই বিলাক প্ৰশ্ন নকৰো, মিছা মিছি খুজি কিল খাবলৈ দৰকাৰ নাই। গতিকে প্ৰশ্ন নকৰাই ভাল। অধ্যক্ষ মহোদয়, তাৰমানে চিধা -চিধি কৈ ক'লে ১ খন বা ২ খন আঁচনিক বাদ দি আন আন আঁচনিখিনি ৰূপায়ণৰ ক্ষেত্ৰত বিৰোধী পক্ষৰ মনত সংশয় নাই। কোন বিত্ত মন্ত্ৰী আছে , কওক ? আজি ৰকিবুল হুছেইন ডাঙৰীয়াই ক'লে , মানুহে অহংকাৰ কৰিব নাপায়। সঁচা কথা, ইয়াতকৈ আৰু ডাঙৰ কথা কি হ'ব পাৰে? অহংকাৰী মানুহে আহি ক'ব নেকি যে, মই স্বয়ং আঁচনিখন ঘোষণা কৰিছিলো কিন্তু মই কৰিব নোৱাৰিলো। মই বিনম্ৰতাৰে কৈছো , মইতো বাজেটত লিখিছিলো ২০১৬-১৭ চনত, এই হাউচত কৈছিলো স্বয়ং , আঁচনিখন কৰিম। কিন্তু আজি ইয়াত আমি ক'লো যে, মই কৰিব নোৱাৰিলো। এইটো কি অহংকাৰীৰ চিন? ২০১৮-১৯ত মই কৈছিলো, গুণোৎসৱৰ পিছত যিমানখিনি স্কুলত ডেফিচিয়েন্সী দেখিলো সেইখিনি আমি পূৰণ কৰিম। কিন্তু যোৱা ১টা বছৰে আমি কৰিব নোৱাৰিলো। বাজেটত মই ক'লো বিনম্ৰতাৰে সৈতে যে, এই দুটা আঁচনি মই কৰিব পৰা নাই। অহংকাৰী মানুহেতো এইটো কথা নকয়, স্বীকাৰ নকৰে। অহংকাৰী মানুহে যুক্তি দি বুজাব। এইটো মই কৰিছো, সেইটো মই কৰিছো। আজি আমাৰ কথা-বতৰা, আচাৰ-ব্যৱহাৰত যদি অলপো অহংকাৰৰ চীন আছে। মই পৰাত্মাৰ ওচৰত বিনম্ৰতাৰে ক্ষমা খুজিম যে, ভগবান জীৱনৰ শেষ দিনটোলৈ কোনো অহংকাৰ নিদিবা। যদি কোনোবা সদস্যই কয় যে মোৰ কাপোৰত অহংকাৰে দেখা দিছে ,মোৰ কথা বতৰাত অহংকাৰে দেখা দিছে, আমি correct কৰি ল'ম । আজি যদি বি জে পি দলে নিৰ্ব্বাচনত জিকে সেইটো মোৰ অহংকাৰ নহয়। অসমৰ ৰাইজৰ অহংকাৰ হ'ব যে আমি বি জে পিক জিকাইছো। এই অহংকাৰটো মোৰ বুলি ক'ব নালাগে । এই অহংকাৰটো অসমৰ ৰাইজৰ,

কাক ইলেকশ্যনত জিকাব - নিজিকাব। যদি মই কওঁ বি জে পি য়ে ৯ খন চিট লোক সভাত পালে। সেইটো মোৰ অহংকাৰ হ'ব নোৱাৰে। সেইটো Factual কথা কিন্তু মই যদি কওঁ আমি ১০ টা পাইছো , তেতিয়া সেইটো অহংকাৰ হ'ব। মই ৯ টাক ৯ টা বুলিয়ে কৈছো- ৯.১ বুলিতো কোৱা নাই। যদি ক'বাত আমাৰ অহংকাৰ দেখিছে, আমি এই অহংকাৰখিনি দুৰ কৰি ল'ম। অহংকাৰ থকাটো অনুচিত। অধ্যক্ষ মহোদয়, ইয়াতে কংগ্ৰেছ দলৰ কাম-কাজ কি ধৰনৰ আছিল, কেনেধৰনে কৰিছিল তাক তুলনা কৰা উচিতো নহয়। হৈ গ'ল, তেওঁলোকে ১৫ বছৰ চলাইছিল। আমি ৫ বছৰ চলাইছো। এতিয়া পুৰনা কথা কোৱাৰ প্ৰয়োজন নাই। পুৰনা কথাৰে ইতিহাস নিৰ্মানো নহয়। কিন্তু সন্মানীয় প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈ ডাঙৰীয়াৰ দৃষ্টিত হয়তো পৰা নাছিল কেইটামান গুৰুতৰ কথা। যিকেইটা কথা হয়তো অসমৰ ইতিহাসে বাৰে বাৰে প্ৰশ্ন কৰি থাকিব । সেই প্ৰশ্ন কেইটা হ'ল- ২০১২ আৰু ১৩ চনত অসমৰ সম্পদ যাক- Revenue Growth বুলি কয় , সেই Revenue Growth হৈছিল মাত্ৰ ২ শতাংশ আৰু ২০১৪-১৫ চনত Revenue Growth - Tax Growth,Non Tax Growth হৈছিল ১.৩৯ শতাংশ । ২০১৫-১৬ চনত অসমৰ Revenue Growth হৈছিল ৩ শতাংশ । তাৰ মানে দেশখন আগবঢ়াই নাছিলে। সেই সময়ৰে কংগ্ৰেছ দলৰ দিনৰ এটা পৰিসংখ্যা মই কওঁ। অহংকাৰ বুলি ক'ব নালাগে। ২০০৪-০৫, ২০০৫-০৬ চনত এই অধম ৰাজ্যিক বিত্ত মন্ত্ৰীৰ দায়িত্বত আছিলো, তেতিয়া অসমৰ Growth আছিল ২৪ শতাংশ। একেখনে চৰকাৰ ২০০৪-০৫,২০০৫-০৬ চনত অসমৰ ৰেভিনিউ গ্ৰোথ আছিল ২৪ শতাংশ ২৫ শতাংশ। সেই ৰেভিনিউ গ্ৰোথ নামি আহি আহি অসমত হ'লগৈ ৰাষ্ট্ৰৰ ভিতৰতে সৰ্ব্বনিম্ন - ২০১৪-১৫ চনত হ'ল- ১.৩৯ শতাংশ। ২৫ শতাংশৰ পৰা যেতিয়া ১.৩৯ শতাংশলৈ ৰেভিনিউ গ্ৰোথ নামি যায় সেই সময়ত কোনোবা ব্যক্তিয়ে যদি কয় বি জে পি দলে একোৱে কৰা নাই। আমিয়ে সকলোখিনি কৰিছিলো । অধ্যক্ষ মহোদয়, মই ভাবো যে প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুন গগৈ ডাঙৰীয়াক কোনোৱাই সাংঘাতিকভাৱে এই কথাবোৰ তেওঁৰ পৰা লুকুৱাইছিলে । তেওঁ গম পোৱা নাছিলে, নহ'লে এখন ৰাজ্যৰ যদি টেক্স ১.৩৯ শতাংশ এটা বছৰত গ্ৰোথ হয়, তাৰ পিচত কোনো ব্যক্তিয়ে শাসনত থকাৰ অধিকাৰ হেৰুৱাই পেলায়। কাৰন একো নকৰি ঘৰত শুই থাকিলেও ১ শতাংশ গ্ৰোথ হয়। একো নকৰি শুই থাকিলেও ২ শতাংশ গ্ৰোথ হয়। তাৰ মানে আমি কিবা কৰিছিলো যাতে গ্ৰোথটো নিগেটিভ হয়। আৰু কিবা কৰাটোকে কয় ব্যক্তি জীৱনৰ সততা। কি কাম আমি কৰিছিলো জোৰ পৰা ২৫ শতাংশৰ পৰা গ্ৰোথ আহি ১.৩৯ শতাংশ হ'ল। এতিয়া মোক কোনোবাই ক'ব অহংকাৰ হোৱা বুলি । কিন্তু মই বিনম্ৰতাৰে সৈতে কওঁ এই বি জে পি চৰকাৰখনৰ দিনত এতিয়ালৈকে টেক্সৰ গ্ৰোথ ৩৫ শতাংশ হৈছে যোৱা ৪ বছৰত। এইটো মোৰ অহংকাৰ হ'ব নেকি? এইটোতো মোৰ achievement নহয়। এইটো অসমৰ ৰাইজৰ এচীভমেন্ট হয়। যদি কোনো এখন ৰাজ্যৰ গ্ৰোথ ১.৩৯ৰ পৰা Internal Revenue Growth ৩৫ শতাংশলৈ আগবাঢ়ি যায় , আৰু যদি মই বাজেটত এই কথাটো কওঁ , সেইটো মোৰ অহংকাৰ নেকি? এইটো মোক কৃতিত্ব নহয়, এইটোও অসমৰ ৰাইজৰ কৃতিত্বহে। আমি যিখন White Paper দিছিলো তাত আপোনালোকে চালে দেখা পাব যে, আমি এখনো মদৰ দোকানৰ নতুনকৈ লাইচেন্স দিয়া নাই। কতো আমি মদৰ মহল চলোৱা নাই। যদি বছৰে বছৰে আৰকাৰী ৰাজহ ২০ শতাংশ গ্ৰো কৰে তাৰমানে এইটো ব্যক্তি জীৱনৰ সততা নহ'ব নেকি? ২০ শতাংশ চিন্তা কৰক। যি সময়ত কংগ্ৰেছ চৰকাৰে এৰি থৈ গৈছিল অসমৰ আৰকাৰী ৰাজহ আছিল ৮০০ কোটি। আজি ২০০০ কোটি হ'ল গৈ। এই ১২০০ কোটি টকা ব্যক্তিজীৱনৰ সততা নহ'লে ক'ৰ পৰা আহিব!

আমিটো এটাও আৰকাৰী ৰাজহ বঢ়োৰা নাই। মই ভাৱো কেতিয়াবা কংগ্ৰেছ বিধায়িনী দলত পৰামৰ্শ দিয়াটো মোৰ ধৃষ্ঠতাও নাই, দিয়া উচিতো নহয়। কেতিয়াবা আপোনালোকে বিচাৰ কৰিলে ভাল হ'ব যে কিয় ২০১২-১৩ বৰ্যত গ্ৰোথ ২ শতাংশ হৈছিল, ২০১৪-১৫ বৰ্যত ১.৫ শতাংশ হৈছিল আৰু ২০১৫-১৬ বৰ্যত ৩ শতাংশ হৈছিল। কি ঘটনা ঘটিছিল! ৰকিবুল হুছেইন ডাঙৰীয়াই কৈছে যে আমিও বহুত লোভনীয়া আঁচনি দিছিলো কিন্তু আমি নিজিকিলো, আপোনালোকে জিকিব বুলি নাভাবিব। হয়, লোভনীয়া আঁচনিৰে মানুহ নিজিকে, ব্যক্তি জীৱনৰ সততা মানুহে চাই। এখন ৰাজ্যত যেতিয়া কোনোৱা চৰকাৰৰ দিনত ১.৫ শতাংশলৈ টেক্স নামি যায় সেইখন চৰকাৰক ৰাজ্যৰ জনসাধৰণে পানিচমেন্ট দিবয়ে, সেইটো হৈছে মৌলিক কথা। অধ্যক্ষ মহোদয়, ইয়াতে কেইটামান কথা ইতিহাসে চাব আৰু ইতিহাসৰ কাৰণে আমি কাম কৰো। মই বিশ্বাস কৰো যে জীৱনত কাৰ কিমানদিন লিখা থাকে কোনেও নাজানে, নতুন প্ৰজন্মই চাই। আচৰিত হ'ব আৰু মই ভাৱো যে আপোনালোকে এই হাউচৰ সদস্য হিচাপে, দল চলি থাকিব, দল আহিব দল যাব চলি থাকিব, এতিয়া কৈছে কংগ্ৰেছে বনোৱা কলেজত মই পঢ়িছিলো। মই কটন কলেজত পঢ়িছিলো, মোৰ কলেজখন কংগ্ৰেছে বনোৱা নাছিলে, মই কামৰূপ একাডেমীত পঢ়িছিলো, মোৰ স্কুলখনো কংগ্ৰেছে বনোৱা নাছিল। গতিকে আমাৰ মাজত এনেকৈ কব নালাগে ১০০ বছৰ পুৰণা কলেজ বিলাক বনাবলৈ ক'ত কংগ্ৰেছৰ চৰকাৰ আছিল? চুইপিং ষ্টেটমেন্ট ঠিক নহয়। কিন্তু কমলাক্ষ্য নতুন বিধায়ক, কটন কলেজ ১৯০১ চনত হৈছিল, কংগ্ৰেছে ক'ত প্ৰতিষ্ঠা কৰিছিল!

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ ঃ** আমি আপোনাৰ কথা কোৱা নাই।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** সেই কাৰণে কৈছো যে চুইপিং ষ্টেটমেন্ট নহয় সকলোতে কিছুমান পাৰ্থক্য থাকে। সকলো কথা সত্য নহয়, সকলো কথা সত্য হয়। ২০১১ চনৰ পৰা ২০১৬ চনলৈকে অসমে average খৰচ কৰিছিল ৩৬০০০ কোটি টকা বছৰি আৰু যোৱা তিনি বছৰত আমি খৰচ কৰি আছে ৬৫৩২০ কোটি টকা বছৰি। এতিয়া ক'ৰ পৰা এইটো ওলাই যায়, মই বুজি নাপাও। যে নাই নাই খৰচ কৰিব পৰা নাই, এইটো ক'ৰ দাতা, এ জি ৰ দাতা নে এইটো কোনোৱা ৰিজাৰ্ভ বেংকৰ দাতা, নে এইটো ক'ৰ দাতা? কংগ্ৰেছৰ দিনত খৰছ হৈছিল ৩৬০০০ কোটি বছৰি, average কৈছো ৫ বছৰত। শেষৰ ফালেটো একেইবাৰে বেয়া হৈ গৈছিল। আমাৰ দিনত খৰচ হৈ আছে ৬৫৩২০ কোটি টকা বছৰি। এতিয়া যদি ১০০ শতাংশ খৰচ ইনক্ৰিষ্ট কৰিছো ৫ বছৰ মেইনটেইন কৰিছো। এতিয়া কোনটো অপৰাধত আমি শাস্তি পাব লাগে। ক'ত ৩৫০০০ কোটি আৰু ক'ত ৬৫৩২০ কোটি টকা বছৰি। ইতিয়া হয়তো আপোনালোকৰ কোনোৱাই ক'ব পাৰে যে এইটো টো এনেই কৈ আছে আৰু হিমন্ত বিশ্ব শৰ্মা দাতা বনোৱাত ওস্তাড। ২০১১-১২ বৰ্যত খৰচ কৰিছিল ৩০ হাজাৰ, ২০১২-১৩ বৰ্যত খৰচ কৰিছিল ৩৩ হাজাৰ, ২০১৩-১৪ বৰ্যত খৰচ কৰিছিল ৩৭ হাজাৰ, ২০১৪-১৫ বৰ্যত খৰচ কৰিছিল ৪৬ হাজাৰ আৰু ২০১৫-১৬ বৰ্যত খৰচ কৰিছিল ৩৬ হাজাৰ। এইটোৰ average যদি আমি উলিয়াও তেতিয়া পাও ৩৬০০০ কোটি। আমি বছৰত কিমান খৰচ কৰি আছো ২০১৬-১৭ বৰ্যত ৫৭ হাজাৰ, ২০১৭-১৮ বৰ্যত ৬৫৪৩৬, ২০১৮-১৯ বৰ্যত ৭৩১১৯ আৰু এই বছৰ কাচাকাচি ৮০ হাজাৰৰ ওচৰত যাম। এতিয়া এইখিনি কথা কোৱাটো অহংকাৰ হ'ব নেকি, যে আপোনালোকৰ দিনত average ৩৬০০০ কোটি টকা খৰচ হৈছিল আৰু আমাৰ দিনত আমি অসমৰ ৰাইজৰ কাৰণে average 65320 কোটি টকা at the rate of 68% আমি খৰচ কৰি আছো। এতিয়া এই কথাবিলাকটো দাতা হয়, এই কথা বিলাকটো অহা এ জিৰ ৰিপোৰ্ট আহিব আহিলে আপোনালোকে চাব পাৰিব। Utilization Certificate

ৰ ক্ষেত্ৰত আমি বেয়া আছিলো। ২০১৬-১৭ বৰ্ষত যোৰাবাৰ বিৰোধী দলপতি গৰাকীয়ে আমাক ইয়াত সমালোচনা কৰিছে I took that criticism in a positive way. মই কলো যে মই হাউচত আহিম, ২০১৬-১৭ বৰ্ষৰ Utilization 1600 pending ৰ পৰা মাত্ৰ ৩২ লৈ নমাই দিলো। অসমৰ ইতিহাসত টো কেতিয়াবা হোৱা নাই, এই বছৰ এ জিৰ ৰিপোৰ্টত পাব ৭০০ pending, কিন্তু ৩১ মাৰ্চত মই হাউচত ষ্টেটমেন্ট দিম চিংগ'ল ডিজিটলৈ নমাম, ১২, ১৩, ১৫, ২০ ত থাকিব। তাৰমানে Utilization Certificate ও আমি দিছো। ব্যক্তি জীৱনৰ সততা নহ'লেটো Utilization Certificate আহিব নোৱাৰে। চিণ্ডিকেট হলেটো ২০ শতাংশ টেক্সৰ গ্ৰোথ হ'ব নোৱাৰে। এতিয়া আপুনি সিদ্ধান্ত কওঁক ১ শতাংশ টেক্সৰ গ্ৰোথ হ'লে চিণ্ডিকেট হ'ব নে ৩৬ শতাংশ টেক্সৰ গ্ৰোথ হ'লে চিণ্ডিকেট হ'ব, কোনটোত চিণ্ডিকেট হ'ব? ক'বটো পাৰিয়ে যে চিণ্ডিকেট হৈছে, এতিয়া হিমন্ত বিশ্ব শৰ্মাক বেয়া পাই, সৰ্বানন্দ সোনোৱালক বেয়া পাই, কৈয়ে ক'তো হোৱা নাই। সেইটো এটা জেনেৰিক ষ্টেটমেন্ট। কিন্তু কি হোৱা নাই বুলি প্ৰশ্ন কৰিলে উত্তৰ নাই। এতিয়া ইয়াত প্ৰশ্নটো হৈছে যে আমি বেনিফিচাৰী বনাইছো। সেইটো এটা অভিযোগ হ'ব পাৰে নেকি? বেনিফিচাৰী কাক বনাইছো, আপোনাৰ ভাই, আপোনাৰ মা। আজি যদি চাহ বাগিচাৰ এজন শ্ৰমিকে বছৰত যদি ৩০০০.০০ টকা বেংক একাউন্টত পাই, যাতে বেংক একাউন্টটো জীয়াই থাকে সেই শ্ৰমিক জনৰ ঘৰৰ পৰা তিনি হাজাৰ টকাটো লৈ শ্ৰমিক জনে যেতিয়া লৰা-ছোৱালীটোক কিবা এটা কিনি দিয়ে তাৰ আনন্দৰ অধিকাৰী এই ১২৬ জন বিধায়ক নহয়জানো? এইটোত বেয়া পাব লগীয়া কি আছে মই কথাটো বুজি পোৱা নাই। আপোনালোকে ক'ব পাৰে যে এইটো কৰক, সেইটো কৰক, তাৰমানে আৰু কৰিব লাগে। তাত আপত্তি নাই, কিন্তু কৰাটোত সমালোচনা কৰাৰ ক'ত আছে? ইয়াত কৈছে যে আজি আমি প্ৰত্যেক বছৰে ২ লাখ লৰা-ছোৱালীক বিনামূলীয়া নামভৰ্তীকৰণ দিছো, আজি আমি প্ৰত্যেক বছৰে অষ্টম শ্ৰেণীলৈ থকা বিনামূলীয়া কিতাপবোৰ এইবাৰ পোষ্টগ্ৰেডুৱেচনলৈ বিনামূলীয়া কিতাপ দিব খুজিছো। এইটো কি বেনিফিচিয়াৰী বুলি কয় নেকি? এই শব্দটো আপোনালোকে কিয় ব্যৱহাৰ কৰিছে, মই ক'ব নোৱাৰো। ছাত্ৰ জনৰ ভোটেই নাই দিবৰ কাৰণে। অষ্টম শ্ৰেণীৰ লৰা জনৰ ভোট আছে নেকি? নৱম-দশম শ্ৰেণীৰ ছাত্ৰ জনৰ ভোট আছে নেকি? একাদশ-দ্বাদশ শ্ৰেণীৰ ছাত্ৰ জনৰ ভোট আছে নেকি? তাৰমানে বেনিফিচিয়েৰী শব্দটো আমি প্ৰজিটিভত ব্যৱহাৰ কৰিছো নে নিগেটিভত দিছো। প্ৰজিটিভত যদি চাই বিজেপি দলে য'ত বেনিফিচিয়েৰী সৃষ্টি কৰিছে তাত হয়তো ভোটেই নাই। ভোট নোহোৱা মানুহৰ মাজত আমি বেনিফিচিয়েৰীৰ সৃষ্টি কৰিছো, ভোট থকা মানুহৰ মাজত নহয়। আজি কংগ্ৰেছ দলৰ ইমান টকা পইচা, দেশৰ প্ৰধান মন্ত্ৰী আছিল, অষ্টম শ্ৰেণীলৈ বিনামূলীয়া কিতাপ আছিল, নৱম-দশম শ্ৰেণীলৈ বঢ়াই থব লাগিছিল, একাদশ-দ্বাদশ শ্ৰেণীলৈ বঢ়াই থব লাগিছিল। কিন্তু আঁচনিবিলাক কি আছিল যে আঠুৰা দিয়ক, কম্বল দিয়ক, আমি কৈছো নহয়, দুখীয়া মানুহৰ জীৱনত আমি নিৰ্ণয় কৰিব নালাগে তেওঁলোকক কি লাগে। প্ৰথম দিনাৰ পৰা আমি স্থিৰ আছো, যে আমি নিৰ্ণয় কৰিব নালাগে আমি কি দিম। দুখীয়া মানুহক আমি এম্পাৱাৰ কৰিব লাগে, তেওঁলোকে সিদ্ধান্ত ল'ব তেওঁলোকে কি কিনিব। আজি চাহ বাগিচাৰ মানুহজনৰ পৰিয়ালটোৰ হাতত আমি তিনি হাজৰ টকা গটাই দিছো। তেওঁ আঠুৰা কিনক, কম্বল কিনক এইটো তেওঁৰ কথা। আমি তেওঁক বুজোৱা নাই যে তুমি আঠুৰা কিনা। আজি ব্যক্তি জীৱনৰ সততা নহ'লে মই কি কৰিলো হেতেন যে চাহ বাগিছাৰ শ্ৰমিক জনক কলো হেতেন তোমাক কম্বল দিয়া হ'ব, তোমাক আঠুৰা দিয়া হ'ব, তোমাক টৰ্চ লাইট দিয়া হ'ব, তোমাক ছাটি দিয়া হ'ব। আজি মই নাভাৱো যে অসমত

যোৱা ১৫ বছৰত কোনখন চৰকাৰ হ'ব যাৰ বিত্ত মন্ত্ৰী, মুখ্যমন্ত্ৰীয়ে কৈছে যে আমি কিনাবেচা নকৰো, টেণ্ডাৰ নকৰো, বস্তু নিকিনো, আমি মানুহৰ হাতত টকা তুলি দিম। এইটোৰ কাৰণে আমাক কি আপোনালোকে সমালোচনা কৰিব নেকি? আজি ৰূপজ্যোতি কুৰ্মী এটা deprive community ৰ পৰা অহা, বহুত কষ্টত থাকে communityটো, দুৰ্গা ভূমিজ deprive community ৰ পৰা অহা, এতিয়া সেই বঞ্চিত হোৱা পৰিয়ালতোৰ সিদ্ধান্ত লোৱাৰ অধিকাৰ নাই নেকি? তেওঁক আঠুৱা খন লাগিব নে কম্বল খন লাগিব, সেই সিদ্ধান্তটো কোনে ল'ব । মুখ্যমন্ত্ৰীয়ে ল'ব নে বিত্ত মন্ত্ৰীয়ে ল'ব। আমি ধৰি ললো যে ম'হে কামুৰিব, মেলেৰিয়া হ'ব, আমি আঠুৱা খন দিম। ভাল কথা আঠুৱা খন লাগে । কিন্তু মানুহ জনৰ সিদ্ধান্ত লোৱাৰ অধিকাৰ নাই ? গতিকে মানুহ জনে সিদ্ধান্ত ল'ব যে মোক মহে কামুৰিব আঠুৱা অখন লাগে, দোকানত গৈ আঠুৱা এখন মই কিনিম । আমি কিনা বেচা বিলাক অসমত নোহোৱা কৰি দিলো । আজি আপোনালোকে চিন্তা কৰকচোন এইখন বিধান সভাত প্ৰায় ৫ বছৰ আপোনালোকে পাৰ কৰিলে । মই খুব নিৰৱে প্ৰশ্নবোৰ চাই থাকো । কোনে ঠিকা বিলাক পাইছে, কোনে কিমান শতাংশ কমিশ্যন পাইছে, এই প্ৰশ্ন বিলাকটো এইখন সদনৰ পৰা নোহোৱা হৈ গ'ল । কংগ্ৰেছৰ দিনত যদি প্ৰশ্ন শুধে সমাজ সেৱা বিভাগে উত্তৰ দি থাকিব লাগে যে বাৰ্ল্টিং ৰ দাম ইমান, চাইকেলৰ দাম ইমান। আজিটো এই প্ৰশ্ন বিলাকে নোহোৱা হৈ গ'ল । কিয়! আমি কেচ ট্ৰেঞ্চফাৰ কৰিছো, beneficiary transfer কৰিছো । benefit টো আমি beneficiary ক দিছো । কেনেকৈ আমাৰ ৩৬ শতাংশ টেক্স গ্ৰ'থ হৈছে, কেনেকৈ ১৭ শতাংশ টেক্স গ্ৰ'থ হৈছে। বেলেগ কথা একো নাই । It is a simple economy. তৰুণ গগৈ ডাঙৰীয়াই যোৱা কালি বাৰে বাৰে purchasing power ৰ কথা কৈছে। আমি সেই কামটোৱে কৰি আছো । we are trying to creat purchasing power at buttom of the economy. আঠুৱা এখন আমি যেতিয়া tender লৈ কিনা হয়, তেতিয়া কোনোবা এজনে tender দিলে । tender ত তেওঁ L1 হ'ল । আঠুৱা খনৰ দাম হ'ল ৩০০ টকা, আমি তেওঁক tender মাৰিলে ২৯০ দি দিলো । ২৯০ টকা তেওঁ চৰকাৰৰ পৰা পালে, আঠুৱা খন বনাই আছে পাঞ্জাৱত, পাঞ্জাৱত তেওঁ অৰ্ডাৰ দিলে, তাৰ পৰা সেই খন কিনি আনি তেওঁ আমাৰ চৰকাৰক দিলে । চৰকাৰে হিতাধিকাৰীৰ মিটিং পাতি ধুনীয়াকৈ দি দিলে । এতিয়া আপোনালোকে চাওঁক এই যে আঠুৱাৰ নামত মই ৩০০ টকা পেমেন্ট কৰিলো ৩০০ কোটি, এই supplier জনে আঠুৱা পাঞ্জাৱৰ পৰা কিনিলে। গতিকে economy টোত ১৮ শতাংশ GST টো পাঞ্জাৱ চৰকাৰে পালে। তাত employment পাঞ্জাৱৰ মানুহেপালে । এতিয়া এই Economy টোকে আমি কি কৰিছো যে এই ৩০০ কোটি টকাটো গাওঁৰ মানুহৰ মাজত বিলাই দিছো । আঠুৱা খন গাওঁৰ মানুহে retailer জনৰ পৰা কিনিছে । তাৰ মানে retailer ৰ পৰা ১৮ শতাংশ GST পালো। distributor য়ে আমাক ১৮ শতাংশ GST দিলে আৰু distributor য়ে manufacturing জনৰ পৰা ল'লে। তাৰ মানে buttom of the economy, retailer ৰ পৰা economy টো generate হৈ থাকিলে । distributor ৰ মাজত economy টো generate হৈ থাকিলে। ৩০০ কোটি টকাৰ ১৫০ কোটি টকা অসমত থাকি গ'ল । ১৫০ কোটিহে বাহিৰত গুছি গ'ল । এই যে ৬৭০০ আমি বছৰি খৰচ কৰি আছো, কিনা বেচা নকৰি DBT কৰি থকাৰ কাৰণে economy টো আমাৰ হাতত থাকি গ'ল । আজি দিবাং ব্যক্তি এজনক আমি ১ হাজাৰ কৈ মাহত দিছো, ১৫০ কোটি টকা বছৰত দিছো । দিবাং ব্যক্তিজনক আপুনি লাখুটি এডালো কিনি দিব পাৰে টকাও দিব পাৰে। লাখুটি ডাল যদি কিনি দিওঁ, লাখুটি ডাল আহিব মুম্বাইৰ পৰা । গোটেই টকাতো গুচি গ'ল

মুম্বাইত। এতিয়া ১৫০ কোটি টকা দিবাং ব্যক্তিজনক দিয়াৰ কাৰণে তেওঁ গাওঁৰ কাষৰ দোকান খনৰ পৰা কিনিলে, তেওঁৰ এটা প্ৰফিটো হ'ল। হ'লচেলাৰ জনে বস্তুটো লৈ গ'ল, হ'লচেলাৰ জনৰ পৰা বাহিৰৰ কোম্পানীয়ে অৰ্ডাৰ পালে। তাৰমানে ১৫০ কোটি টকাৰ ৭৫ কোটি টকা অসমত থাকি গ'ল । আঁচনি বিলাকৰ লগত এটা purchase componant এটা আছিলে। গাওঁৰ মানুহে বস্তুটো দেখে যে অকন বৰা ডাঙৰীয়াৰ বিভাগে বাল্টিং দিলে। পেপাৰত দুদিন পিছত দেখা পালে যে বাল্টিংটোৰ দাম ৩০০ টকা, তেতিয়া মানুহে ভাবিলে যে গাওঁত ২০ টকাত বাল্টিং পাওঁ এইটো কিয় ল'লে ? কিন্তু গাওঁৰ মানুহৰ মাজত গণ্ডোগল গৈ গ'ল সেই কাৰণে ভোটতো নপৰে। ৰকিবুল হুছেইন ডাঙৰীয়াৰ বক্তব্যতো মইও ৰিচাৰ্ছ কৰিছো । কাৰণ মই ভুল কৰিব খোজা নাই, বিজেপি আকৌ আহিব লাগিব । প্ৰত্যেকটো কথাৰ মই ভুল শুধৰণি লৈছো । যে আজি যেতিয়া একেই আঁচনি কৰিছো, আমি কৈছো যে আমি টকাতো দি দিম। আৰু কংগ্ৰেছ চৰকাৰৰ দিনত কৈছিল যে আমি বাল্টিংতো দিম । দুখীয়া জনক বাল্টিং ও লাগে টকাও লাগে । কিন্তু বাল্টিংতো দিলে বিতৰ্ক হ'ব আৰু টকাতো দিলে বিতৰ্ক নহয় । আৰু টকাতো দিলে retailer আৰু হ'লচেলাৰ জন চলি থাকিব । এইটোৱে হৈছে shifting of economy আমি যিটো কৰিছো । অধ্যক্ষ মহোদয়, অসম খনৰ ভবিষ্যত আমি ভাল কৰিব খুজিছো। আপোনালোকে যে কৈছে beneficiary সৃষ্টি কৰিব খুজিছো আৰু কৰবাত যদি ভুল হৈছে মই নাজানো । ইয়াত আমি কি eneficiary সৃষ্টি কৰিব খুজিছো। আমি প্ৰথম আঁচনিটো দিছো যে, ৪৯ লাখ লোকক আমি চাউল বিনামূলীয়া দিম । সেইবিলাকতো আপোনালোকৰো beneficiary . আপোনালোকৰ দিনত বাচনি হৈছিলে। আপোনালোকে যদি ভাবে যে beneficiary হাইজেক কৰিব বিচাৰিছো সেই বেলেগ কথা । ইয়াত আমাৰ একো কৰিবলগীয়া নাই । দ্বিতীয় আঁচনি কি দিলো যে জ্যোতিষ্মান অসম, প্ৰথম আঁচনি দিলো যে নুমলিগড় ৰিফাইনেৰি ৰ আমি stake কনিম । নিৰ্বাচনৰ বতৰত কোনোবাই ১৬০০ কোটি টকা খৰচ কৰে নেকি ? ১৬০০ কোটি টকাৰে বেলেগ বেলেগ বস্তু কিনি ৰাইজৰ মাজত ভোট খুজিব লাগিছিল । কিন্তু election ৰ পৰা অসম খনৰ কথা চিন্তা কৰাৰ কাৰণে আমি নুমলিগড় ৰিফাইনেৰি ৰ আমি stake টো ২৬ শতাংশলৈ লৈ যাম। যাতে নুমলিগড় ৰিফাইনেৰিৰ ওপৰত প্ৰশ্নবোধক চিহ্ন আৰু কেতিয়াও নাথাকে । তাৰ পিছত আমি কলো জ্যোতিষ্মান অসম, ৩০ ইউনিটলৈকে আমি কলো বিল দিব নালাগে । ৩০ unit ৰ লাইট ক'ত আছে, কোনে ব্যৱহাৰ কৰে-চেঙা, বাঘবৰ, জনিয়া। এই ৩০ unit লৈকে পোৱা মানুহ খিনি জালুকবাৰীত সমষ্টিত এজনো মানুহ নাই । ৩০ unit ৰ মানুহ খিনি হয় জনজাতিয়, বিটিএডি অঞ্চলত আছে, হয় সংখ্যালঘু লোক ৩০ unit ত খৰচ কৰে নহ'লে চাহ বাগিচাৰ লোক । ইয়াত কোৰ পৰা beneficiary আহিলে। দুখীয়া মানুহজনক বিধায়ক জনে গৈ ক'ব যে মই ফ্ৰী কৰি দিছো। এইটো হ'ল দৰিদ্ৰ নাৰায়ণক সেৱা কৰা। ২০১৬-১৭ চনৰ বাজেট খন দিওঁতে কৈছিলো যে আমাৰ লক্ষ্য দৰিদ্ৰ নাৰায়ণক সেৱা কৰা । আজি আমি কৈছে যে চাহ বাগিচাত ৩ হাজাৰকৈ টকা দিম, এইটো continuous scheme ২৫০০ কৈ টকা দি আছো যাতে একাউন্ট খিনি জীয়াই থাকে । আমি কৈছো যে ল'ৰা-ছোৱালীক ভাল ৰিজাল্ট কৰিলে ১০ হাজাৰকৈ দিম । এতিয়া ৰকিবুল হুছেইন ডাঙৰীয়াই কৈছে যে আমি ৫০ শতাংশ পোৱা ল'ৰা-ছোৱালীক আমি কম্পিউটাৰ দিছিলো । হয় অস্বীকাৰ কৰা নাই । কিন্তু আমাৰ দৰ্শনৰ দৃষ্টিভংগীৰ পাৰ্থক্যৰ কাৰণে কম্পিউটাৰটোৰ দাম ৮ হাজাৰ টকা আৰু আমি কৈছে যে ফ্ৰী এডমিশ্যন দিম । মেট্ৰিক পাছ কৰা second division ৰ ল'ৰা এজনক computer ত পাব ৭ হাজাৰ টকা আৰু ফ্ৰী এডমিশ্যনত পায় ১২ হাজাৰ টকা । কোনে বেছি কৰি

আছে । পাৰ্থক্য একেই। আপুনি এটা laptop দিছে, laptop ৰ দাম ৭ হাজাৰ টকা। Higher Secondary 1st year, 2nd year ত admission free হ'লে total outflow সেই ল'ৰা-ছোৱালীৰ দেউতাকে ৰেহায় কৰিছে ২০ হাজাৰ টকা । এতিয়া যদি ৭ হাজাৰ টকাত আইপেডটো কিনি দিলোহেতেন এজন ঠিকাদাৰো থাকিলেহেতেন, supply হ'লহেতেন, চীনৰ পৰা বস্তুটো আহিল হেতেন। economy টো কৰবাত generate হ'লহেতেন। এতিয়া আমি কৈছো যে নহয় আপোনালোকে কম্পিউটাৰতো কিনিলে কিনক কথা নাই, admission ৰ টকা যিটো ল'ৰা-ছোৱালীৰ কাৰণে ৰাখিছিল সেই টকাৰে computer টো কিনি লওঁক আমি admission টো ফ্ৰী কৰি দিছো । এতিয়া এই সদনত থকা কোন জন সদস্যই অস্বীকাৰ কৰিব । এজন Higher Secondary pass কৰা matric pass কৰা ল'ৰা-ছোৱালী এজনক ফ্ৰী এডমিশ্যনৰ প্ৰয়োজন নে tablate এটাৰ প্ৰয়োজন । ডিগ্ৰীত আমি তিনিবাৰ এডমিশ্যনৰ খৰচ আমি লওঁ । এতিয়া সেই  টকাৰ লগত tablate এটাৰ তুলনা হ'ব পাৰে নেকি? তাৰ লগত কি কৰিছো ৩৬ হাজাৰৰ লগত এইবাৰ কৈছে যে মেচ ডিউচটো ও আমি দিওঁ । তাতো আমি ললো ১০ হাজাৰ টকা । কলো কিতাপ কিনাৰ খৰচো আমি দিম । এতিয়া ৰকিবুল হুছেইন ডাঙৰীয়াৰ সূত্ৰতো মতে যাওঁ কংগ্ৰেছ চৰকাৰে দিছিল এটা tablet ৮ হাজাৰ টকা। আমি দিলো ৫ বছৰ এডমিছন ফ্ৰি। হাইয়াৰ চেকেন্ডাৰী প্ৰথম বৰ্ষ,  দ্বিতীয় বৰ্ষ, ডিগ্ৰী প্ৰথম বৰ্ষ, দ্বিতীয় বৰ্ষ, তিতীয় বৰ্ষ, ৫০ হাজাৰ টকা। আমি কলো যে প্ৰত্যেক বাৰে হোষ্টেলত থকাৰ নামত ১ হাজাৰ টকাকৈ মাহত দিম ১০ হাজাৰ টকা । ৫ বছৰ ল'ৰাটোৱে পঢ়িব তাতো ৫০ হাজাৰ টকা, ১ লাখ টকা আৰু আমি কলো যে বিনামুলীয়া পাঠ্যপুঠিও তোমালোকক দিম । বছৰি ২,৩ হাজাৰ যি নহ'ওক পাঁচ বছৰত গন্তি কৰিলো ১৫ হাজাৰ টকা। তাৰমানে মেট্ৰিক পাচ কৰা চেকেণ্ড ডিভিজনৰ ল'ৰা এটাক কংগ্ৰেছ চৰকাৰে দিয়া 'আইপেড' টো বা টেবলেটতোৰ against ত আমি দিলো ৫ বছৰৰ ফ্ৰি এডমিচন, ৫ বছৰত ৫০%  হোষ্টেল মেচ ডিউজ ফিজ ফ্ৰি আৰু ৫ বছৰৰ আমি কিতাপ দিছো। এতিয়া, এইটো দৃষ্টি ভংগীৰ পাৰ্থক্য হ'ব, আইপেডটো ভাল নে ১ লাখ ১৫ হাজাৰ গাৰ্জেনক সহায় কৰাটো ভাল। এইক্ষেত্ৰত মানুহৰ দৃষ্টি ভংগীয়ে ডিটাৰ্মাইণ্ড কৰিব যে কাৰ দৃষ্টি ভংগী কেনেকুৱা? অধ্যক্ষ মহোদয়, ১২% জি ডি পি যোৱা ৩ বছৰত মেইন্টেইন কৰি ৰখা মূলকাৰণটোৱেই হৈছে যে অসমে ডি বি ডি ইকন'মিট খোজ কাঢ়ি আছে। আমি পাৰ্চেজিংৰ ৫০% অসমত ৰাখি আছো। এই বছৰ মোৰ জি এচ টি গ্ৰৌথ আহিব ১৭%। কাৰণ চৰকাৰৰ যি ৭০ হাজাৰ বা ৮০ হাজাৰ  কোটি টকা এই বছৰ আমি খৰচ কৰিম, দৰমহাৰ পৰা আদি কৰি স্কীম'অ  লৈকে এই গোটেই টকাটো ধৰি ৰাখিছো অসমৰ চাৰিসীমাৰ ভিতৰত। কিনা-বেচা আমি কৰা নাই। আমি টকাটো ওলাই যাবই দিয়া নাই। ফ্ৰি এডমিচন দেউতাক মাকৰ হাতত টকা। নিযুক্তি,দেউতাক মাকৰ  হাতত। চাহ বাগানলৈও টকা গৈছে। তাৰমানে আমি টকাতো উলাই যাব দিয়া নাই। টকাতো আমি শদিয়াৰ পৰা ধুবুৰীৰ ভিতৰত বান্ধি ৰাখিছো। কংগ্ৰেছ চৰকাৰৰ দিনত যদি ৯০ টকা চাপ্লায়াৰ বা ট্ৰেঞ্চপ'টাৰ গৈছিলে একেটা স্কীমকে আমি কৰিছো। কিন্তু টকাতো আমি দিছো যাতে কামতো আমি ইয়াতে ধৰি ৰাখিব পাৰো। মই ভাবো যে আমাৰ ইকন'মিটো যেতিয়া আমি তুলনা কৰিম,আপোনালোকৰ এটা পৰীক্ষা আছিল অধ্যক্ষ মহোদয়, আমাৰ ও এইটো পৰীক্ষা। সিদ্ধান্ত হ'ব, পৰীক্ষাত কোনে পাচ কৰিলে। মই যদি প্ৰথম বছৰত খৰচ কৰিলো ৬০ হাজাৰ, যোৱা বছৰ খৰচ কৰিলো ৬৫ হাজাৰ , ৭০ হাজাৰ এই বছৰ তেনেহ'লে আমি কাচা-কাচি ৮০ হাজাৰ  কোটি টকা  খৰচ কৰিম। আপোনালোকৰ খৰচ আছিল ৩৬ হাজাৰ কোটি টকা , মোৰ খৰছ হৈ আছে ৮০ হাজাৰ কোটি টকা। গতিকে আজি

দুয়োটাই দুটা পৰীক্ষা দিছো। নম্বৰ মই বেছি পাইছো। আপোনালোকৰ বছৰ টু বছৰ গ্ৰোথ আছিল ১.৫০ % আৰু মোৰ বছৰ টু বছৰ গ্ৰোথ হৈ আছে ১৭% । গতিকে মই নম্বৰ বেছি পাইছো, ৰিজাল্টে মোক ক'ব। মই ভাবো সমালোচনা কৰাৰ দৰকাৰ। বিৰোধী দলপতি দেবব্ৰত শইকীয়া ডাঙৰীয়াই কৈছে যে বহুত দিব্যাংগই পোৱা নাই। ১.৫ লাখ দিব্যাংগক আমি দিছো। কংগ্ৰেছৰ দিনত মুঠ ১০ হাজাৰ দিব্যাংগই পেঞ্চন পাইছিল। এই বছৰ আমি ১ লাখ ৫৭ হাজাৰ দিব্যাংগক পেঞ্চন দিছো। বাজেটত আমি কৈছো আৰু ১০ হাজাৰ বঢ়াম। প্ৰত্যেকজন দিব্যাংগ ব্যক্তিক ১০০০ টকা দিয়াৰ আমাৰ লক্ষ্য। যিবিলাক বিধায়ক একটিভ আছে, সেই সমষ্টিত সকলোৱে পাইছে। যিসকল বিধায়কে কাম কৰা নাই তাত হয়তো অলপ ৰখি আছে। কিন্তু ১০ হাজাৰ আৰু ১ লাখ ৭০ হাজাৰৰ ভিতৰত অলপটো নম্বৰ মোক দিব লাগিব। আপোনাৰ হাতত হয়তো সেই তথ্যটো নাছিল যে গোটেই অকণ বৰা ডাঙৰীয়াৰ কাৰ্য্যকালত ১০ হাজাৰ দিব্যাংগই পেঞ্চন পাইছে আৰু এই সোণোৱাল চৰকাৰৰ দিনত ৪ বছৰত ১ লাখ ৭০ হাজাৰ দিব্যাংগই পেঞ্চন পাইছে। এই পুৰস্কাৰটো মই পাব লাগিব। চৰকাৰখনে পাব লাগিব আপোনালোকে পাব লাগিব। আপোনালোকও বিধায়ক, আপোনালোকৰ সমষ্টিত আপোনালোকে নম্বৰ বেচি পাইছে। অধ্যক্ষ মহোদয়, প্ৰত্যেকটো ইয়েৰষ্টীক চাওক, Tax ৰ growth চাওঁক GDP চাওঁক schemetic Achievement চাওঁক। আমি কংগ্ৰেছ চৰকাৰৰ তুলনাত তুলনা কৰাৰ পৰ্য্যায়ৰ বাহিৰৰলৈকে আমি গৈছো। বৃদ্ধ পেঞ্চন এটা বছৰত ১৩ লাখ বৃদ্ধক আমি যোগ কৰিছো যোৱা বছৰটোত। আজি আমাৰ Rural Development Department ত ইয়াৰ credit হিমন্ত বিশ্ব শৰ্মাৰ নহয়। আজি পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগক আপোনালোকে credit দিব লাগিব যে ১ বছৰত কোশল কোৰৰ বৃদ্ধ পেঞ্চন আঁচনি হাতট লৈ ১৩ লাখ মানুহৰ ঘৰত গৈ বিভাগটোৱে সোমাব পাৰিছে। It is a huge Achievement যে গোটেই ১৩ লাখ কৰিছিলো আমি ১৫,১৬,১৭ বছৰত simply বৃদ্ধ পেঞ্চন পোৱা মানুহৰ সংখ্যা double হৈ গ'ল। এই বছৰ ইন্দিৰা মিৰি পেঞ্চনৰ জড়িয়তে ১ লাখ বিধবা মহিলাই পেঞ্চন পাব। এইটো কি বেনিফিচাৰী নেকি? মই নাজানো আপোনালোকে যদি এই বিধবা পেঞ্চনটোক বেনিফিচাৰী বুলি কৈ থাকে , তেতিয়া আপোনালোকৰ সমষ্টিবোৰত লাভ হ'বনে লোকচান হ'ব। কিন্তু দুখীয়া মানুহে ক'ব এইটো ভাল কাম হৈছে। আপোনালোকে যেতিয়া বিতৰণ কৰে বিতৰণ মিটিংতো নকয় কংগ্ৰেচ চৰকাৰে এইটো বৰ বেয়া কাম কৰিছে, বিজেপি চৰকাৰে বৰ বেয়া কাম কৰিছে বিধবা পেঞ্চন দি, আপোনালোকক বেনিফিচাৰী বনাইছে, এনেকৈতো নকয় আপোনালোকে গৈ কি কব আমি গৈ কি কম যে আচলতে আমি আপোনালোকক পেঞ্চন দিছো। কাৰতো সাহস নাই বিদ্ধা সকলৰ ওচৰত গৈ আমি আপোনালোকক বেনিফিচাৰী বনাইছো বুলি কবলৈ,কোনোবা বিধায়কৰ। সকলোৱে ভাষণত কয় আপোনালোকক আমি দিলো বা দুখীয়া মানুহক আমি সহায় কৰিলো। এক লাখ বিধবা মহিলাৰ মুখত হাঁহী বিৰিঙোৱাতো কম কষ্ট নহয়। আপোনালোকে ক'ব পাৰে ২৫০ টকা ক'ম হৈছে ৫০০ কৰক। সেইটো এটা ভাল পৰামৰ্শ। কিন্তু বিধবা মানুহক বেনিফিচাৰী বুলি কোৱাটো আৰু ইলেকচনৰ লগত যোগ কৰাতো দিবাংগ ব্যক্তিক বেনিফিচাৰী বুলি কোৱাতো, নিৰ্বাচনমুখী বাজেট বুলি কোৱাটো অতি পৰিতাপৰ কথা, যদি আমি হৃদয়ক সোধো। মোৰ মা দেউতাক নালাগে বৃদ্ধ পেঞ্চটো। কিন্তু যিজনক লাগে, বা যিজনে আমাৰ পৰা কিবা এটা বিচাৰে, সেই জনক বেনিফিচাৰী বুলি কৈ অপমান কৰাৰ আমাৰ সাহস আৰু নৈতিক অধিকাৰ আমি ক'ত পালো। তেওঁলোকে আমাৰ পৰা কিবা এটা পোৱাৰ অপেক্ষাত আছে, এইখন সদনৰ পৰা , তেন্তে কিয় আমি সেই বিধবা মহিলাগৰাকীক বেনিফিচাৰী বুলি কৈ উপলুঙা কৰিম?

সেই বৃদ্ধজনক তথা ছাত্ৰ-ছাত্ৰীসকলক বেনিফিচাৰী বুলি কৈ কিয় আমি উপলুঙা কৰিম ? নিৰ্বাচন মুখী বুলি ক'ম। মই ভাবো এইখন অসমৰ এইটো পৰিচয় হ'ব নোৱাৰে। এই কামবোৰ আমি কেতিয়াবাই কৰি পেলাব লাগিছিল। যি কাৰণতে নহ'ওঁক আমি কৰিব পৰা নাছিলো। আজি ভগৱানে আমাৰ সকলোকে এটা অধিকাৰ দিলে, সাহস দিলে, শক্তি দিছে সেইগতিকে আমি এই কামবোৰ কৰি গৈ আছো। বিৰোধী দলপতিজনে শেষৰ ফালে কৈছে যে গ্ৰোথ ভাল হৈছে , মই ভাল পাইছো। Tax বাহিছে তেওঁ credit দিছে। কোনো এজন সদস্যই কওঁক, 'অটল অমৃট' অভিযানৰ যোগেদি আজি কিমান মানুহে উপকৃত হৈছে। এদিন কাৰ্ডখন বন্ধ হৈ গলে ডাইল'চিচ কৰা মানুহে মেচেজ পঠাই, চাৰ কাৰ্ডখন চলা নাই আপোনালোকে বিল দিয়া নাই নেকি ? মোৰ ডাইল'চিচ কৰা নাই। আজি যেতিয়া মুখ্য মন্ত্ৰী ৰোগ নিৰ্নায়ক আঁচনিত ৩৫ লাখ মানুহে যেতিয়া বিনামুলীয়া তেজ পৰীক্ষা কৰে সেইজনক আমি বেনিফিচাৰী বুলি কৈ উপলোঙা কৰিম নেকি ? আজি 'অটল অমৃট' অভিযানৰ যোগেদি ৮৭ হাজাৰ মানুহে অৰ্থাৎ কেঞ্চাৰ, কিডনি ৰোগীয়ে কিবা এটা আশাৰ মুখ দেখা পায়,তেনেহ'লে আমি কাক বেনিফিচাৰী বনাইছো। মই অভিযোগতো শুনিয়ে উত্তৰ দিবলৈও মোৰ বেয়া লাগিছে। কি কেঞ্চাৰ ৰোগীজন বেনিফিচাৰী কি কিডনি ৰোগীজন বেনিফিচাৰী ? বেনিফিচাৰী শব্দটো কাক কয়, এই শব্দটোৰ লগত এইটো নিমিলে।

অধ্যক্ষ মহোদয়, আমি বহুতদিন ৰাজনীতি কৰিলো, এই বাৰ বাজেট খনত ভৱিষ্যত প্ৰজন্মৰ কাৰণে এখন আঁচনি এৰিথৈ যাব বিচাৰিছো। 'অৰোণোদয়খন' হয় বুজি পোৱা নাই, নহ'লে আমি বহুতে বুজাৰ চেষ্টা কৰা নাই। যদি 'অৰবিন্দ কেজৰিৱালে' দিলে হেতেন, হয়তো এইটো লৈ বহুত হুলস্থুল কৰিলেহেতেন। কমলাক্ষ ডে পুৰকায়স্থক ডাঙৰীয়াক মই অনুৰোধ কৰিম মোৰ পাণ্ডু, চান্দমাৰী, জুতিনগৰৰ ward hosptial খনৰ ফটো লওঁক, এদিন চাই লওঁক আৰু দিল্লীৰ মহল্লা ক্লিনিকখন চাওঁক । আপুনি যদি ঘুৰি কয় অসমকৈ বেষ্ট বুলি, মই আপোনাক কম যে ঠিক আছে মই ৰাজনীতি নকৰো। আমাৰ ward hostipal ত চিজাৰিং অপৰেচন হয়। মহল্লা ক্লিনিকত এজন ডাক্তৰ বহি থাকে, একোটা বক্স টাপ। অসমত যদি এনেকৰা বক্স টাইপ বনাও মোক মানুহে খেদি পঠিয়াব। কেনেকৈ দিল্লীৰ মানুহক মহল্লা ক্লিনিক লৈ চলাই আছে অৰবিন্দ কেজিৰালে মইটো ভাবিব নোৱাৰো, লাগিলে হাউচৰ দেলিগেচন এটা যাব লাগে। আমাৰ পাণ্ডুৰ FRU চাব লাগে, ধীৰেণপাৰাত আমি ওৱাৰ্ডত FRU বনাইছো। দিল্লীৰ মহল্লা ক্লিনিক মানে কি জাৰৰ জোথৰৰ মাজত, ফুটপথৰ মাজত এটা বক্স বনাইছে। সেই বক্সটোৰ ভিতৰত এজন ডাক্তৰ বহি থাকে, এইটোৰ নাম দিলে মহল্লা ক্লিনিক। আমি হস্পিতালখনৰ নাম দিছো কি PHE urban clinic। আমাৰ অসমৰ নাম নলয়।

আজি কৈছে স্কুল ভাল কৰিলে, অৰবিন্দ কেজিৰালে ইংলিছ আৰু হিন্দী স্কুল বনাইছে। মোক আপোনালোকে অনুমতি দিয়ক TC school খন CBSC কৰিব লাগে, ওচৰত আহিব নোৱাৰিব অৰবিন্দ কেজিৰাল। কিন্তু অসমীয়া মাধ্যমৰ লৰা-ছোৱালী আজিকালি আধ্যবন্ত হোৱাৰ পিছত। অৰবিন্দ কেজিৰালে দিল্লীৰ কতো লোকেল স্কুল চলাই নাম কৰা নাই। তামিল স্কুল চলাই নাম কৰা নাই, অসমীয়া মাধ্যমৰ স্কুল চলাই নাম কৰা নাই, ইংৰাজী মাধ্যমৰ স্কুল চলাই আছে। ইংৰাজী মাধ্যমৰ স্কুল চলালে আমি ফলে ফুলে জাতিস্কাৰ হৈ যাম। মই দিল্লীৰ মহল্লা ক্লিনিক কেইদিনমান আগত চাবলৈ গলো, ফুটপথৰ ওপৰত একোখন মহল্লা ক্লিনিক কাষত জাৰৰ জোথৰ সকলো থাকে আৰু পাণ্ডু FRU খন চাব যাব। মইতো ভাৱো আমাৰ সন্মানীয় সদস্য ড০ মতিউৰ ৰহমান মণ্ডল, ড০ নুমল মমিন এনেকৈ ডক্তৰ সকলৰ লগতে হাউচক পঠাব লাগে যে to take a

study between the Mahalla Clinic of Delhi and Ward Hospital of Guwahati. তেতিয়া হলে আপোনালোকে নিজে চাই আহি ভাল পাব, ইয়াত আহি গৌৰৱ কৰি কব। মহল্লা ক্লিনিক অৰবিন্দ কেজিৰালে হতে খৰচ কৰে ৭০০ কোটি টকা advertise ত আমিও যদি খৰছ কৰিব পাৰো, পাণ্ড হস্পিতালখনত অপাৰেচন হৈছে, চিজাৰিং হৈছে, এইবিলাক যদি টিভি চেনেল বিলাকত advertise কৰিবৰ বাবে আমাৰ পইচা থাকিলেহেতেন আমিও বহুতো ওপৰলৈ যাব পাৰিলোহেতেন।

আজি চিন্তা কৰক যে লখিমপুৰত মেডিকেল কলেজ স্থাপন কৰিলো, ডিফুত মেডিকেল কলেজ স্থাপন কৰিলো। এইবিলাক কি achievement নহয়। MCA team যেতিয়া ডিফুত আহিছে, দিল্লীত মেডিকেল কলেজ হলে নম্বৰ দি কি লাভ আছে। পাহাৰীয়া জিলা ডিফুত মেডিকেল কলেজ কৰি অৰবিন্দ কেজৰিৱালে দেখুৱাওনা, য'ত মানুহে আজিৰ দিনতো যাব নোৱাৰে। অসমৰ বহুত মানুহে য'ত ডিফু দেখা নাই। গতিকে মহানগৰত ঢাক ঢোল বজাই থকা চৰকাৰ এখনৰ লগত আমাৰ ইয়াত তুলনা কৰা প্ৰয়োজন নাই। আমি য'ত আছো, হাইলাকাণ্ডিত হস্পিতাল বনাম, কৰিমগঞ্জত হস্পিতাল বনাম। হয় কম বেছি deficit থাকিব পাৰে। আজি যিবোৰ প্ৰশ্ন আমাৰ ইয়াত কৰা হৈছে যে সাতজন ডক্তৰ আছে, কিন্তু specialist নাই। সাতজন ডক্তৰ থকাটো কম ডাঙৰ achievement নেকি?

সন্মানীয় সদস্য নৰুল হুডা ডাঙৰীয়া কৈ আছে যে অৰ্থবেদিক কিয় নাই? মোৰ ভাল লাগিছে, তাৰমানে অসমে MBBS পাছ কৰিলে, MS পাছ কৰিলে, এইবাৰ অৰ্থবেদিকৰ প্ৰশ্ন সদনত আহিছে। যদি বেলেগ বিধান সভাই শুনে যে অসমৰ বিধান সভাত অৰ্থবেদিক চাৰ্জনৰ আলোচনা হয়। তেতিয়া কেজিৰালেতো তাতে ফিট হৈ যাব, মইতো MBBS ডাক্তৰৰ আলোচনা কৰি আছো। AIIM ৰ কথা বেলেগ ভাৰত চৰকাৰে বনোৱা। সেইকাৰণে মই ভাৱো যে তুলনা কৰাৰ আগতে পৰ্য্যাপ্ত জ্ঞান আমাৰ হাতত থাকিব লাগিব। মই ভাৱো দিল্লীত আমি সকলোৱে যাওঁ বিভিন্ন ৰাজনৈতিক কাৰণত যাওঁ, এবাৰ এবাৰ মহল্লা ক্লিনিকখন চাই আহক, আমাৰ সন্মানীয় সদস্য ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াৰ সমষ্টিৰ ধীৰেণ পাৰাৰ হস্পিতালখন চাওঁক, পাণ্ডু হস্পিতাল, MMC হস্পিতালখন চাওঁক, নিশ্চয় আমি নম্বৰ বহু ওপৰত পাম।

মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা কব খুজিছো - এটা concept এই বাজেটে অসমৰ ভৱিষ্যতৰ কাৰণে এৰি থৈ যাব খুজিছে। সৰু কথা যে আমি কেনেকৈ ৰাজ্যখনক এটা নতুন গতি দিব লাগিব। DIRD বিভাগে পেন্সন দিয়ে। দিব্যাংগ পেন্সন দিয়ে, Social Welfare পেন্সন দিয়ে। আমি ৪৯ টা বিভাগে বহুত বোৰ আঁচনি কৰো। আঁচনিবোৰ কোনে ঠিক কৰে, আমি ঠিক কৰো। দুখীয়া মানুহে ঠিক নকৰে যে মোৰ কাৰণে কি ভাল। আমি বিভাগবিলাকে ঠিক কৰো যে কিমান কি আঁচনি কৰিম, উদ্দেশ্য দুয়োটাই মহান। কিন্তু এই বাজেটত আমি নতুন কথা এটা আনিব খুজিছো যে বিধায়ক আৰু মন্ত্ৰীসকলে দুখীয়া মানুহৰ সিদ্ধান্ত লোৱাৰ অধিকাৰ নাই। দুখীয়া মানুহে নিজৰ সিদ্ধান্ত নিজে নিজে লব। কেনেকৈ লব, আমি আমাৰ বাজেটত কৈছো যে চৰকাৰে যিমান beneficiary related scheme কৰে, বৃদ্ধ পেন্সন কৰে, দিব্যাংগ পেন্সন কৰে, বিনামুলীয়া কিতাপ পত্ৰ দিয়ে, বিনামুলীয়া চাইকেল দিয়ে আদি এই গোটেই আঁচনি বিলাক আমি সিদ্ধান্ত লওঁ। আজি কৃষি বিভাগে সিদ্ধান্ত লয় যে ৰঙালাওৰ গুটি দিম নে পানীলাওঁৰ গুটি দিম। শিক্ষা বিভাগে সিদ্ধান্ত লয় যে uniform ৰঙা দিম নে কলা দিম। দুখীয়া মানুহৰ আমি সিদ্ধান্ত লোৱাৰ অধিকাৰ আছে নে নাই। এই বাজেটত প্ৰথম প্ৰশ্ন কৰিছো অৰুনোদয় - আমি উত্তৰ দিছো যে দুখীয়া মানুহৰ হৈ সিদ্ধান্ত লোৱাৰ

অধিকাৰ আমাৰ নাই। They are competent enough  to take decision. সেইটো হ'ল প্ৰথম principle. দ্বিতীয়তে আমি কৈছো যে আমি ৭০ বছৰে বিভিন্ন আঁচনি দিলো। আঁচনি বিলাক যেতিয়া দিওঁ, এইটো ৰাজীৱ গন্ধী ডাঙৰীয়াইও কৈছিলে যে দিল্লীৰ পৰাই ১০০ টকা দিলে গাঁৱত গৈ ১০ টকাত পৰে। আৰু আমি যেতিয়া আঁচনি দিও, আঁচনিবিলাক পৰিচালনা কৰিবলৈ আমাৰ এটা bureaucreacy লাগে। আজি যেনেকৈ ৰাতিপুৱাই NHM ৰ কথাটো ওলাইছিলে ঔষধ দিম দুই টকাত, কিন্তু ঔষধটো দিয়াৰ বাবে এজন ফাৰ্মাচিচ, এখন হস্পিতাল, এটা ৰূপ, এটা witing set এইটোতো দুখীয়া মানুহৰ খাটাৰ পৰা গৈ আছে। দিল্লীত লিখা আছে - medicine to poor, কিন্তু medicine to poor দুই টকাৰহে কিনিম। supply, order, commission, different আদি medicine টো দুই টকাত গৈ নাপায়। দহ টকাত পঠোৱা ৮ টকা establishment খৰছত গ'ল। এতিয়া আমি কৈছে যে এনেকুৱা কাম কৰিব পাৰো নেকি। চৰকাৰী বিভাগে একো নকৰে যিখিনি দুখীয়া মানুহৰ আঁচনি গোটেইখিনি টকা আমি একলগ কৰি সেই টকাতো দুখীয়া মানুহসকলৰ বেং একাউন্টত পঠাই দিব পাৰো নেকি। দুখীয়া মানুহে সিদ্ধান্ত লওঁক যে মই টকাতোৰে কি কৰিম। এতিয়া ভুল বুজিছে সকলোৱে যে ১০ হাজাৰ টকা দিব খুজিছো। কিন্তু একেবাৰে ১০ হাজাৰ দিয়াৰ কথাটো কোৱাই নাই। আমি কৈছো মাহত টকা দিম। ৮১৪ টকা এই মাহত আমি সিদ্ধান্ত লৈছো । এই বছৰ মেডিচিন হস্পিতালত আমাৰ ৰখাৰ দৰকাৰ নাই। (কাৰণ মানুহে কয় চৰকাৰী ঔষধ বেয়া) আমি কৈছো যে ৪০০ টকা মেডিচিনৰ বাবে তোমালোকক দি পঠিয়াম। সেই ৪০০ টকাৰে যি কোম্পানীৰ মেডিচিন কিনা কিনিবা। চৰকাৰী কৰ্মচাৰীক আমি ৩৫০ টকা দিওঁ মেডিচিন কিনাৰ বাবে আমি তেওঁলোক ৫০ টকা বেছিকৈ দিম, অৰ্থাৎ ৪০০ টকা দিম। চেনীৰ দাম ৪০ টকা কৰি আমি ৪ কেজিত ১৬০ টকা লাগে। আমি কৈছো আধা পইচা চৰকাৰে দিব মানে ৮০ টকা যাতে তোমালোকে কিনিব পৰা। দালিৰ দাম ১০০ টকাকৈ ৪০০ টকা, আমাৰ চৰকাৰে আধা পইচা দিম তাৰমানে ২০০ টকা। তাৰপিছত সৰু লৰা-ছোৱালীক ফলমুল খোৱাৰ বাবে ১৫০ টকা দিলো। মঠ ৮১৪ বা ৮১৫ টকা। দুৰ্গাপূজাৰ মাহ যেতিয়া আহিব, তেতিয়া চৰকাৰে কি কৰিব তাত ৫০০ টকা আৰু লগাই দিব। যেতিয়া আমাৰ পৰা দুখীয়া মানুহজনলৈকে মেচেজটো যাব তাত লিখা থাকিব ৮১৪ টকাতো এই তিনিটা কামৰ বাবে দিছো, এইবাৰ আপোনালোকক অতিৰিক্তকৈ ৫০০ টকা দিছো যাতে আপোনালোকৰ লৰা-ছোৱালীৰ গাত কাপোৰ এখন দিব পাৰে। নামভৰ্তিৰ সময়ত (১০ হাজাৰ টকাতো বাজেটৰ কাৰণে দেখুৱাইছো) ৮১৪ টকা পাই তাৰ লগত ১০০০ টকা যোগ কৰিম। আমি কম যে এই মাহত আপোনাৰ নামভৰ্তি আছে। গতিকে লৰা-ছোৱালীৰ নামভৰ্তিৰ কাৰণে ১০০০ টকা বেছি পঠিয়াই দিলো।  সেই মাহত ১৮০০ টকা পাব। .ঈদ আহিলে হিন্দু মানুহকো ৪০০ টকা দিম, কিয়নো ঈদৰ দিনা মুছলমান অতিথিৰ বাবে মিঠাই কিনি লৈ যাব পাৰিব। পূজাৰ সময়ত কাপোৰ কিনিবৰ বাবে আমি টকা দিম। তাৰ মানে প্ৰত্যেক মাহত হোটেলৰ Menu ৰ নিচিনাকৈ টকাৰ পৰিমাণো সলনি হৈ থাকিব। Festival থকা মাহত বা Admission থকা মাহত টকাৰ পৰিমাণ বেছি পাব আৰু বানপানীৰ মাহত কাপোৰ কিনা, বাচন-বৰ্তন কিনাৰ বাবে Account ত দুই হাজাৰ টকা বেছিকৈ সোমাব। গতিকে, বানপানীৰ মাহটোত মুঠ ৩০০০ টকা Account ত সোমাব। তেতিয়া আৰু অতিৰিক্ত ভাৱে বানপানীৰ সাহাৰ্য্যৰ বাবে SDRF ৰ প্ৰয়োজন নহ'ব । Once account is opened and verified, power is with the Chief Minister and Finance Minister. Monthly basic ৮১৪ টকাৰ উপৰিও কোন মাহত কিমান বেছি টকা দিব লাগে সেইটো আমি নিৰ্ণয় কৰিম । ইয়াৰ ফলত আমি সৰু সৰু

বিভাগবোৰত দিয়া ১০ হাজাৰ কোটি টকাৰ আঁচনিবোৰ আৰু নাথাকিব, ইয়াৰ টকাবোৰ গাঁৱৰ দুখীয়া মানুহখিনিয়ে পাব। এই টকাৰে দুখীয়া মানুহ এজনে গাঁৱৰ গেলামালৰ দোকানত বস্তু কিনিব, যাৰ ফলত গেলামালৰ দোকানীজনৰ দোকানখন ভালদৰে চলিব আৰু এই গেলামালৰ দোকানীজনে ধুবুৰী চহৰৰ wholeseller ৰ পৰা যেতিয়া বস্তু কিনিব, তেতিয়া সেই wholeseller জনৰো লাভ হ'ব, আকৌ, wholeseller জনে গুৱাহাটীৰ Distributor ৰ পৰা বস্তু কিনিলে, এওঁলোকৰো লাভ হ'ব। ইয়াৰ ফলত ক্ষুদ্ৰ গেলামালৰ দোকান, ক্ষুদ্ৰ wholesale ৰ দোকান সকলোৰে লাভ হ'ব আৰু দুখীয়া মানুহজনেও নিজেই সিদ্ধান্ত ল'ব যে তেওঁ পোৱা টকাখিনি কেনে ধৰণে ব্যৱহাৰ কৰিব, তাত কোনো মন্ত্ৰী-বিধায়কৰ হস্তক্ষেপ নাথাকিব। এনে হোৱাৰ ফলত কেৱল ঠিকাদাৰ, মাজৰ মানুহসকলেহে দুখ পাব। আকৌ, বিভাগ বিলাকে ভাৱিব যে তেওঁলোক form fill-up কৰাৰ পৰা মুক্তি পালে। অধ্যক্ষ মহোদয়, আমাৰ ইচ্ছা হ'ল যে এই ৩০ লাখ মানুহৰ হাতত বৃদ্ধ পেঞ্চনৰ নামত মাহিলী ২৫০ টকাকৈ দিম। বৃদ্ধ পেঞ্চনৰ কাৰণে DRDA বিভাগলৈ আৰু যাব নালাগিব। আকৌ, বিধৱা পেঞ্চনৰ বাবে আমি Account ত ২০০ টকাকৈ দিম। এনে ক্ষেত্ৰত কোনোবাই হয়তো ক'ব পাৰে যে আমাৰ ঘৰত কোনো বৃদ্ধ বা বিধৱা নাই, তেতিয়া আমি ক'ম যে কাষৰ ঘৰৰ বৃদ্ধ বা বিধৱাগৰাকীক দি দিয়ক। ইয়াৰ ফলত বৃদ্ধ পেঞ্চন বা বিধৱা পেঞ্চনৰ form fill-up ৰ সমস্যাটো নাইকিয়া হ'ল। গতিকে আমি বাজেট কৰিম যে, জানুৱাৰী মাহত ৮০০ টকা, ফেব্ৰুৱাৰী মাহত ১৫০০ টকা, এপ্ৰিল মাহত ২০০০ টকা, জুন মাহত ৩০০০ টকা আৰু পূজাৰ সময়ত ২০০০ টকাকৈ দিম, কিন্তু বাকী থকা মাহকেইটাত আমি সকলোকে basic ৮১৪ টকাকৈ দি থাকিম। বিভাগসমূহে ৰাস্তা বনাব, স্কুল বনাব, স্কুলবোৰত শিক্ষক আছে নে নাই চাব, হাস্পতালত ডাক্তৰ আছে নে নাই চাব। অধ্যক্ষ মহোদয়, অসমত 'অৰুণোদয় আঁচনি'ৰ জৰিয়তে ভাৰতৰ অৰ্থনীতিৰ যি নতুন base, সেই base টো অসম আৰু উত্তৰ পূৱে নিৰ্মাণ কৰিবলৈ গৈ আছে, আমাৰ সদনে ইতিহাস কৰিব গৈ আছে। সকলোৰে হয়তো ভাৱিছে যে আমি beneficiary ক দিম, but, no other person is beneficiary. Every poor people will be beneficiary for the next hundred years. এইবোৰ কথা নিৰ্বাচনৰ লগত জড়িত নহয়। এনে পদক্ষেপৰ পৰা চৰকাৰৰো লাভ আছে। ১০ হাজাৰ কোটি টকা এৰি দিয়াৰ ফলত অসম চৰকাৰে ১৮০০ কোটি টকাৰ GST পাব, অন্য ৰাজ্যই নাপায়। কিয়নো কিনা-বেচা সকলো ইয়াতেই হ'ব। যাৰ ফলত অসমৰ অৰ্থনীতি বাঢ়িব, GDP বাঢ়িব। মাননীয় সদস্য কমলাক্ষ দে' পুৰকায়স্থ ডাঙৰীয়াই হয়তো বাজেটখন পঢ়া নাই, বিৰোধী হিচাপে শাসক পক্ষক আঙুলিয়াবই লাগিব। কাৰণ তাত স্পষ্টকৈ লিখা আছে যে মহিলা গৰাকীৰ Account ত হে টকাখিনি সোমাব, গতিকে, টকাখিনি misuse কৰাৰ কথাই নাই, এইটো তেঁলোকৰ monthly income হ'ব। এপ্ৰিল মাহৰ পৰা অক্টোবৰ মাহলৈকে গোটেইখিনি টকা তেওঁলোকক একেলগে দিম আৰু নৱেম্বৰৰ পৰা প্ৰত্যেক মাহৰ ১ তাৰিখে সোমাব। এই টকাখিনি মাহিলী দৰমহাৰ নিচিনাকৈয়ে ডিচেম্বৰ, জানুৱাৰী, ফেব্ৰুৱাৰী, মাৰ্চ মাহত Account ত সোমাই থাকিব। কিন্তু, নিৰ্বাচন হোৱা মাহত যদি মই তেওঁলোকৰ Account ত ১০ হাজাৰ টকা বেছিকৈ সোমাই দিওঁ তেতিয়া beneficiary কৰাত মই দোষী হ'ম, এই কামটো আমি কেতিয়াও নকৰোঁ। কিন্তু, বানপানীৰ সময়ত আমি নিশ্চিতভাৱে টকা সোমাই দিম। এতিয়া কেৱল মুখ্যমন্ত্ৰী মহোদয়ে প্ৰত্যেক মাহত কেবিনেটত সিদ্ধান্ত ল'ব লাগে যে-What will be the entitlement for the months of March, April, June and so on । বাকী কাম যেনে- ৰাস্তা, স্কুল, নামঘৰ,

হাস্পতাল আদি বনোৱা কামবোৰ চলি থাকিব। Pre-Cash, দুখীয়া মানুহৰ বাবে ইয়াতকৈ ডাঙৰ আঁচনি একোৱেই নাই। ভাৰতবৰ্ষত মই ক'তো দেখা নাই। মই credit ল'ব বিচাৰো নাই, কিন্তু এনে আঁচনিক লৈ কেতিয়াবা হ'লেও অসমৰ মানুহে নিশ্চয় অহংকাৰ কৰিব। যোৱা ২০ বছৰত মই অসমৰ মানুহৰ যিমান ধাৰ খালো, সেই ধাৰখিনি ঘূৰাই দিয়াৰ ই এক মোৰ বিনম্ৰ প্ৰয়াস। সেয়েহে, মই বাজেটত লিখিছো যে এই আঁচনিটো যদি সফল হয়, তেন্তে সকলোৰে credit হ'ব আৰু যদি বিফল হয় তেন্তে অকল মোৰ credit হ'ব। অসমৰ মানুহে মোক পৰিচয় দিছে, নাম দিছে। বহুত মানুহে বহুত ধৰণে ধ্বংস কৰিব বিচাৰিছিল, কিন্তু, তাৰ মাজতো অসমৰ মানুহৰ আশীৰ্বাদতেই আপোনালোকৰ সন্মুখত কথা কৈ আছো। গতিকে, এইখিনি ঘূৰাই দিয়াৰ এটা বিনম্ৰ প্ৰচেষ্টা মই এই বাজেটৰ জৰিয়তে কৰিছো। অধ্যক্ষ মহোদয়, আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াকে আদি কৰি বিধান সভাৰ সকলো মন্ত্ৰীয়ে কেবিনেটৰ বৈঠকত যেতিয়া বহিছিলো; তেতিয়া তেওঁলোকক কোৱা হৈছিল যে আমাৰ কিছুমান আঁচনি কমি যাব। যিদৰে সকলো tax, GST ত subsume কৰিছো, ঠিক তেনেদৰে অহা বছৰৰ পৰা লাহে লাহে সকলো beneficiary scheme এই scheme ৰ অধীনত subsume হৈ যাব আৰু এই ক্ষেত্ৰত সকলো মন্ত্ৰীয়ে হয়ভৰ দিছিল, গতিকে তেওঁলোকৰ প্ৰতি মই অত্যন্ত কৃতজ্ঞ। গতিকে, ইয়াতকৈ অধিক আৰু কি লাগে? এজন ৰিক্সাৱালাই income কৰিব ৩ হাজাৰ টকা আৰু extra কৈ বেংকত পাব ১ হাজাৰ টকা; ঠেলাৱালা জনে কষ্টেৰে ঠেলা টানি পায় ৩ হাজাৰ টকা, কিন্তু বানপানীৰ মাহত পাব ৫ হাজাৰ টকা। গতিকে ব্যক্তিগত ভাৱে ইয়াতকৈ অধিক আৰু আমাক কি লাগে? এইখিনিতো আমি যদি সন্তুষ্ট হৈ হাঁহিব নোৱাৰো, তেন্তে আমি কেতিয়া হাঁহিম? এইখিনিক লৈ আমাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী মহোদয়ে যদি কয় - 'এইবিলাক এনেকুৱা, তেনেকুৱা!' মই তেখেতক পালে বুজালোহেঁতেন যে- 'ছাৰ, আপুনি মোক আশীৰ্বাদ কৰিব লাগে কাৰণ আপোনাৰ তলত মই মন্ত্ৰী থাকোতে আপোনাৰ পৰা যদি কিবা শিকিছিলো, সেইখিনি আজি সমাজত ঘূৰাই দিয়াৰ বাবে প্ৰচেষ্টা কৰিছো।' এই ডাঙৰ আঁচনিখনৰ বাবে গোটেই মন্ত্ৰীসভাই আশীৰ্বাদ পাব লাগে। ইয়াৰ মাজতে কোনোবাই হয়তো ক'ব পাৰে যে এই আঁচনিখনৰ সুবিধাসমূহ কেৱল অগপ, বিজেপি দলৰ সমৰ্থককহে দিব। কিন্তু, মই দক্ষিণ শালমাৰা, বাঘবৰ বা জনীয়া সমষ্টিত বিজেপিৰ সমৰ্থক পাম জানো? এই beneficiary টো neutral হয়। অসমত free admissionৰ পৰা কলেজলৈকে গোটেইখিনি সুবিধা যদি এটা পৰিয়ালৰ সকলোৱে পাইছে, তেন্তে সেইটো সংখ্যালঘূ লোকেই পাইছে। কাৰণ তেওঁলোক economically backward. Entire basket of package অকল religious minority ৰ বাবে গৈ আছে। ইমানখিনিৰ পিছতো আমাক সংখ্যালঘূ বিৰোধী বুলি কয়। অলপ আগত কমলাক্ষ দে' পুৰকায়স্থই কৈছে-' কংগ্ৰেছে আগতে বনোৱা Fly Over ৰ ওপৰেৰে আহিয়েই বিজেপিয়ে কয়- কংগ্ৰেছে একো কাম কৰা নাই'। এই ক্ষেত্ৰত আমিও যদি তেনেকৈ কওঁ যে আমি admission দিয়া ল'ৰা-ছোৱালীবোৰেই কংগ্ৰছ জিন্দাবাদ বুলি চিঞৰে। আমি দিয়া কিতাপেই ৰাতিপুৱা পঢ়ি থকা ল'ৰা-ছোৱালীয়ে দুপৰীয়া আহি কয়- সৰ্বানন্দ সোণোৱাল মুৰ্দাবাদ, হিমন্ত বিশ্ব শৰ্মা মুৰ্দাবাদ। কিন্তু, আমি আশা-আকাংক্ষালৈ একো কাম কৰা নাই। সংখ্যালঘূ মানুহে আমাক ভোট নিদিয়ে বুলি জানিও সংখ্যালঘূ অঞ্চলত কলেজত বিনামূলীয়া admission ৰ ব্যৱস্থা কৰিছো। অধ্যক্ষ মহোদয়, ২৭ লাখ কৃষকে ভাৰতৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ পৰা ১৬ শ কোটি টকা পাইছে। এই কৃষকসকলৰ মাজত কিমানজননো হিন্দু মানুহ আছে? মই কোনো জাতি-ধৰ্মৰ বিষয়ে নকওঁ। মাত্ৰ আপোনালোকে কোৱাৰ বাবেহে religious minority ৰ বিষয়ে

কৈছো। মোডী ডাঙৰীয়াই ২৭ লাখ কৃষকৰ বাবে ১৬শ কোটি টকা পঠিওৱাৰ পিছত সেই সুবিধা লাভ কৰাৰ অৰ্থে বাঘবৰ, ধুবুৰী, বৰপেটা, গোৱালপাৰাত কম্পিউটাৰত নিতৌ form fill-up, scanning কৰি কৰি হাত ভাঙি গৈছে। ডিব্ৰুগড়, শিৱসাগৰত কিমানজননো beneficiary আছে?

**মাননীয় শ্ৰী ওয়াজেদ আলী চৌধুৰী, (দক্ষিণ শালমাৰা)ঃ** ইয়াত scandal হৈছে।

**ড° হিমন্ত বিশ্ব শৰ্মা, মাননীয় শিক্ষা মন্ত্ৰীঃ** Scandal হ'লেও প্ৰাপ্যসকলে পাইছে। কিন্তু আমাৰ ফালে scandal ৰো scope নাই। Scandal কৰিব পাৰিলেও মনটো ভাল লাগিলহেঁতেন যে যিহেতু মোডীজীক ভোট দিওঁ, তেওঁৰ নামত অন্ততঃ কিবা এটা হ'লেও কৰিছো। আজি মোডীজীক গালি পৰা সকলেই scandal ও কৰিছে, টকাও পাইছে। কিন্তু, সেইসকল দৰিদ্ৰ লোক, গতিকে তাত আমাৰ আপত্তি কৰিবলগীয়া একো নাই। কাৰণ আমাৰ চৰকাৰৰ মূল মন্ত্ৰ আছিল-'সবকা সাথ সবকা বিকাশ।' মাননীয় অধ্যক্ষ মহোদয়, 'সৱকা সাথ সৱকা বিকাশ' আমাৰ ইয়াত আপত্তি কৰিবলগীয়া একো নাই। সেইকাৰণে আজি এ এই ইউ ডি এফৰ বিধায়ক সকলে ক'ব লাগিব। ৫ বছৰ চৰকাৰ চলালো। কংগ্ৰেছ এই ফালে থাকিলে আপোনালোকৰ সমষ্টিত কিমান interfare হ'লহেঁতেন? কিন্তু আমাৰ আজি Interfare কৰা মেকানিজিম নাই। আমি interfare কৰা নাই। বিৰোধীৰ বিধায়ক সকল সকলোৰে ৰাজত্ব কৰি আছে। মই ধিং, ৰূপহী, দক্ষিণ শালমাৰাত এদিনো যোৱা নাই। কংগ্ৰেছত থকা হ'লে সদায় গ'লহেঁতেন। ৰাজনীতি চলি থাকিলহেঁতেন। আজি আমাৰ দিনত কোনোবাই যদি আৰামত ৰাজত্ব কৰিছে সেইসকল হৈছে-সংখ্যালঘু বিধায়ক সকল। হয়নে নহয় আপোনালোকে হাত উঠাই কওঁক। নহ'লে ৱাজেদ আলী ডাঙৰীয়া, ৰছিদ মণ্ডল ডাঙৰীয়াৰ বিপক্ষে প্ৰাৰ্থী দিবলৈ মই গ'লোহেঁতেন। জনীয়া, বাঘবৰ কংগ্ৰেছৰ তীৰ্থ হৈ যায়। এতিয়া যে বেনিফিচিয়াৰী দিব, সেইখিনি ১০০ শতাংশই আপোনালোকে দিব। আমি কিবা মাতিম নেকি? সেই কাৰণে আপোনালোকে কিয় সমালোচনা কৰে মই বুজি নাপাওঁ। আটাইতকৈ যদি ৰাজত্ব কৰি চলি আছে এইখন হাউচৰ সংখ্যালঘু বিধায়ক সকলে। কোনো interfare নাই, কোনো নতুন কেণ্ডিডেট নাই, কোনো পঞ্চায়ত নাই, কোনো জিলা পৰিষদ নাই, মুখ্যমন্ত্ৰী ডাঙৰীয়াও যোৱা নাই, মইয়ো যোৱা নাই, মতাৰ জেগাও নাই, আমি যোৱাও নাই। সকলো তো আপোনালোকৰ দৰেই চলি আছে, কি চলি আছে, নাজানো। গতিকে আজি এই চৰকাৰক সংখ্যালঘুৰ বিৰুদ্ধে কাম কৰাৰ অভিযোগ তুলিব নালাগে। মাদ্ৰাছা বন্ধ কৰাটো এটা Principle Stand. NRC ত কাৰোবাৰ নাম থাকিব নালাগে এইটো এটা Principle Stand. ইয়াৰ লগত ব্যক্তিগত ভাৱে কোনো মানুহক অন্যায় কৰা হোৱা নাই। আজি কলেজত নাম ভৰ্ত্তি, ইউনিফৰ্ম আদি প্ৰত্যেকটো পেকেজ সংখ্যালঘু সকলে পাইছে। এই "অৰুণোদয় আঁচনি"খন আমি যদি সফল কৰিব পাৰো, অসমখনে এটা নতুন দিশত গতি কৰিব মোৰ তাত কোনো সন্দেহ নাই। ইয়াৰ পিচত আমি যিবিলাক আঁচনি দিছো, প্ৰজ্ঞান ভৰতী আঁচনিত ল'ৰা-ছোৱালীয়ে কিতাপ পাব। ইয়াত যদি আপোনালোকে চাই তৰুণ গগৈ ডাঙৰীয়াই এটা অদ্ভুত কথা কৈ গ'ল যে নামঘৰত দিয়াতকৈ স্কুলত দিয়ক। তেতিয়া নামঘৰত দিয়াটোক লৈ কংগ্ৰেছ দলে বিৰোধীতা কৰিব নেকি? গগৈ ডাঙৰীয়াই কেতিয়াবা কিছুমান আচৰিত কথা কয়। কংগ্ৰেছ দলৰ গোটেই নীতি আদৰ্শৰ বিৰুদ্ধে কথা কৈ গুচি যায়। কি ভাৱি কয়, কিয় কয় মই নাজানো। যিজন মুখ্যমন্ত্ৰীয়ে খাৰীৰি মাদ্ৰাছাত টকা দিছিল, সেইজন মুখ্যমন্ত্ৰীয়ে নামঘৰত টকা দিলে আপত্তি কৰিব লাগে নেকি? অলপ বিবেকক সোধকচোন? খাৰিৰী মাদ্ৰাছাত কোৰাণ পঢ়োৱা হয়। তেওঁৰ ভাষণত কৈছে যে নামঘৰত দিয়াতকৈ স্কুলত দিয়ক।

মোৰ হাতত ৰেকৰ্ডত আছে। মই পঢ়ি দিব পাৰিম। তেওঁ ক'ব লাগে যে নামঘৰতো দিয়ক, স্কুলতো দিয়ক। কংগ্ৰেছ দলক মই ও মোৰ যৌৱন দিছো। কংগ্ৰেছ দলে যদি এইখন মঞ্চৰ পৰা নামঘৰৰ বিৰোধীতা কৰে এইটো হ'ব নেকি? স্কুলত দিছো ১ হাজাৰ কোটি, নামঘৰত দিছো ১৬০ কোটি টকা। নামঘৰত মহিলাসকলে বহিব, নাম গাব। আপোনালোক আৰু আমাকেই আৰ্শীবাদ কৰিব। মন্দিৰ, মছজিদ, গীৰ্জা আদিত দিয়া নাই। দিওঁতে মই কৈছো যে নামঘৰ অসমীয়া সংস্কৃতিৰ এটা বাহক। আজি যদি তৰুণ গগৈ ডাঙৰীয়াই খোলা-খুলিভাৱে কৈ থৈ যায় যে নামঘৰত দিয়াতকৈ স্কুলত দিব লাগে। এইটো শুনিব ভাল। যোৱাবাৰ কৈছিল যে চাহ বাগানতো দিছে। সাধাৰণ লোককো দিব লাগে। কংগ্ৰেছৰ মানুহে সাধাৰণ মানুহৰ তুলনা নকৰে। কাৰণ কংগ্ৰেছে জানে যে বাগিচাৰ মানুহক যদি আজি কিবা নিৰাপত্তা দিছিল আৰু আমাৰ কংগ্ৰেছ দলৰ পূৰণা মানুহখিনিৰ বাবেই বাগিচাৰ মানুহখিনিয়েই আইন সমূহ পাইছে। আজি কংগ্ৰেছ দলে যদি বাগানৰ শোষিত লোকসকলৰ লগত জেদ কৰে কেনেকৈ হ'ব? নামঘৰত যদি কংগ্ৰেছ দলে বিৰোধীতা কৰে কেনেকৈ হ'ব? আজি ৰাজ্যসভাত আপোনালোকে এ আই ডি এফৰ লগত যাওঁক। কিন্তু গোটেই জীৱনটো আপোনালোকে কিয় এৰি দিব? ৰাজনৈতিক কাৰণত আপোনালোক য'ত যাই যাওঁক, মই বাধা দিয়া নাই। মই বাধা দিয়া হ'লেহে আপোনালোকে বেয়া পালেহেঁতেন। ৰাজনৈতিক কাৰণত আপোনালোকে বৰা হুজুৰ, ছোটা হুজুৰ আৰু মিডিল হুজুৰৰ লগত যায়, সেইটো আপোনালোকৰ কথা। মোৰ তাত কোনো আপত্তি নাই। কিন্তু নাম ঘৰৰ বিৰোধীতা কৰাটো উচিত হোৱা নাই। আজি ৰকিবুল হুছেইন ডাঙৰীয়াই কৈছে চামগুৰিৰ মহিলাই বেংক লৈ গ'ল আৰু তেওঁৰ মুখলৈকে ঘূৰি নাচালে। এইটো এটা বৰ অসুবিধাৰ কথা। মোৰ সমষ্টিৰ মানুহক কংগ্ৰেছে চাকৰি দিয়ক বা ৰজা পাতক মোক দেখিলে কিন্তু ঘূৰি চাব। ভোট দিয়ক বা নিদিয়ক। যদি জনধন যোজনাৰ বাবে চামগুৰিৰ মানুহে ৰকিবুল ডাঙৰীয়াৰ মুখৰ ফালে ঘূৰি নোচোৱাৰ পৰিৱেশ হয়, মই এইটো বিশ্বাস নকৰো। মই ভাৱো চামগুৰিৰ মানুহে ৰকিবুল ডাঙৰীয়াক বহুত মৰম কৰে। নৰেন্দ্ৰ মোদী ডাঙৰীয়াই জনধন বা অন্য কোনো আঁচনিয়েই দিয়ক, চামগুৰিৰ মানুহে ৰকিবুল হুছেইন ডাঙৰীয়াক ঘূৰি চাবই। অসমীয়া মহিলাই টকা পালেই জীৱন, বিবেক বিক্ৰী কৰিব নেকি? মই পজিটিভ কথা কৈছো। চামগুৰিৰ মানুহে বেংকত যোৱা, নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ কথা এইবোৰ মোৰ শব্দ নহয়। মই যোৱাকালি ৰাতি পঢ়ি আচৰিত হৈ গৈছো। এইটো বহুত ডাঙৰ ভয়ঙ্কৰ পৰিৱৰ্ত্তন হ'বলৈ গৈ আছে। মই কথাটো বিশ্বাস নকৰো। মই ভাৱো চামগুৰিৰ মানুহে তেওঁক দোৱা দিবই, আৰ্শীবাদ কৰিবই। মই জানো। কাৰণ চামগুৰিত গৈছো আৰু দেখিছো। মাননীয় অধ্যক্ষ মহোদয়, আজি চামগুৰিৰ মানুহে যদি মাননীয় সদস্য গৰাকীৰ মুখলৈ ঘূৰি নোচোৱাৰ পৰিৱেশ সৃষ্টি হৈছে, তাৰ মানে এইবাৰ ভয়ঙ্কৰ হ'ব। ১০০-১৫০ শতকৰ উৎপাতত মানুহ থাকিব নোৱাৰা হ'ব। কাৰণ আমাৰ কোনো হিচাবত চামগুৰি নাই। কালিৰ পৰা মোৰ মনত আশা আহিছে যে এনেকুৱা পৰিৱেশ হ'ব নেকি? মাননীয় অধ্যক্ষ মহোদয়, মই ৰাজনীতি কৰিবলৈ যোৱা নাই। মই এটা গুৰুত্বপূৰ্ণ আলোচনাৰ মাজত অলপ ধেমালি কৰিলো। এইটো কাকো উদ্দেশ্য বা কটাক্ষ্য নহয়। বাতৰি কাকতত কেতিয়াবা বাতৰি ওলাই যে চৰকাৰে টকা খৰচ কৰিব পৰা নাই। জুন মাহত মই আকৌ ষ্টেটমেণ্ট দিম, মোৰ হিচাবত এইবাৰ আমি ৭৫,০০০ কোটি টকা অতিক্ৰম কৰিম আৰু আমাৰ বাজেট Expenditure ও ৭৫,০০০, কংগ্ৰেছৰ ৩৫,০০০ ৰ তুলনাত বহুতখিনি আগবাঢ়িছে। ভৱিষ্যতে হয়তো আৰু বহুতখিনি আগবাঢ়িব। কিন্তু অসম পজিটিভ লাইনত আছে। অসমৰ অৰ্থনীতি পজিটিভ লাইনত আছে আৰু আপোনালোকে বহুত পৰামৰ্শ দিছে। আপোনালোকে কৈছে যে কোনোবা

এখন স্কুলত ৪০০ টকা বৃত্তি পোৱা নাই। এইটো এটা খুব গুৰুত্বপূৰ্ণ কথা। এইটো আপোনালোকৰ চৰকাৰৰ ওপৰত ঠিক অভিযোগ নহয়। কিন্তু চৰকাৰে যিখিনি কৰাৰ প্ৰয়োজন আছিল বা চৰকাৰৰ কোনোবা আঁচনিয়ে কাৰোবাক ঢুকি পোৱা নাই, এই যিখিনি কথা আপোনালোকে উল্লেখ কৰিছে, এই সকলোখিনি আমি পজিটিভলি চাম। বিৰোধী সকলৰ পৰা যিমানখিনি পজিটিভ পৰামৰ্শ আহিছে, সেই গোটেই বিলাক আমি পজিটিভলি কঞ্চিডাৰ কৰিছো। মাননীয় অধ্যক্ষ মহোদয়, এই বাজেটখন এটা চিন্তা-চৰ্চ্চাৰ ফল। ইয়াত নিৰ্বাচনৰ কথা ক'তো নাই। যিমান হিতাধিকাৰী হ'ব, সদায়ৰ কাৰণে থাকি যাব। এই যে অৰুণোদয় হিতাধিকাৰী হ'ব, সদায়ৰ কাৰণে থাকিব। মাহত তেওঁলোকে পাব। টি গাৰ্ডেনত যি আমি আঁচনি লৈছো, এইখিনি জনগোষ্ঠীটো যেতিয়ালৈকে শোষণৰ পৰা মুক্ত হৈ নাহে, চলি থাকিব। আজি আমি বাগানৰ দৰমহাৰ কথা কৈছো, আমি সকলোৱে জানো যে বাগানৰ দৰমহাটো ৰাজ্যচৰকাৰে নিদিয়ে, মালিকে দিয়ে। কিন্তু অৰ্থনীতি সু-দৃঢ় হ'লে, মালিকে দিব পাৰিব। আজি অৰ্থডক্স টিৰ ক্ষেত্ৰত আমি কিছু পদক্ষেপ লৈছো, যাতে উদ্যোগটো শক্তিশালী হয়। আপোনালোকে আৰ্শীবাদ কৰিব আৰু আমি এটা লাইনত গৈ থাকিম আৰু এটা হিচাবত গৈ গৈ এটা স্থিত লক্ষ্যত আমি গৈ উপস্থিত হ'ম। সেইখিনি মই বিশ্বাস কৰো। গগৈ ডাঙৰীয়াই কৈছে স্কুল ঘৰবিলাকো নামঘৰ বিলাকতকৈ কম গুৰুত্বপূৰ্ণ নহয়। নামঘৰ আৰু স্কুলৰ comparision কিয় কৰিব লাগে। দুটা দুয়োটা জাগাত মহান। এটাই আমাক আধ্যাত্মিক শিকাই, এটাই আমাক text book ৰ জ্ঞান শিকাই। দুটাই parallel সমান্তৰাল। দুটাৰ মাজত তুলনাৰতো কোনো কথা নাই। বাধা বুলি মইও কোৱা নাই। মই কৈছো যে comparision আনি আছে। যে নামঘৰৰটো নামঘৰত দিছে। নামঘৰ আৰু স্কুলৰ comparision য়ে নাহে। মই excact শব্দকেইটাই কৈছো যে, তেওঁ কৈছে নামঘৰত দিছে, স্কুলত দিয়া নাই। আমি কৈছো যে, নামঘৰতো দিছো স্কলতো দিছো। নামঘৰ আৰু স্কুলৰ মাজত comparision অনাৰ কোনো প্ৰয়োজনেই নাই। সেইটো অপ্ৰয়োজনীয় comparision এটা। হাইস্কুল আৰু প্ৰাইভেট স্কুলৰ compare আনক। এইটো comparision প্ৰয়োজনীয় নহয়। সদৌ শেষত অধ্যক্ষ মহোদয়, implementation হ'ব। আমি যিধৰণে আঁচনিসমূহ কৰিছো, implementation ত বহুত অসুবিধা নহ'ব। আজি contractual teacher ৰ কথা কৈছিল মাননীয় শ্ৰী দেৱব্ৰত শইকীয়া ডাঙৰীয়াই পাঁচ হাজাৰ তিনি শ contractual teacher আছে। বাজেটখনত আমি দিয়েই দিছো যে এই গোটেই সমস্যাবোৰ পূজাৰ আগতে সমাধান হৈ যাব। পূজাৰ পিছত বহুত কম সমস্যাই থাকিব। চৰকাৰ চলালে আৰু নতুন সমস্যা আহিব। আপোনালোকে এই বাজেট বক্তৃতাত অংশ গ্ৰহণ কৰিলে, মই আপোনালোকক বহুত বহুত ধন্যবাদ জনাইছো। এটা শব্দই বাৰে বাৰে ক'ম যে, বেনিফিচাৰী চিলেক্ট নহয়, অসমৰ জনসাধাৰণৰ উন্নয়নৰ কথা সৰোগত কৰি আৰু তেওঁলোককে আমাৰ সাধনাৰ সৰ্বোত্তম স্তৰ বুলি গণ্য কৰি এই এই বাজেটখন আপোনালোকৰ আগত দাঙি ধৰা হৈছে। কোনোবাই কৈছে যে, আদৰ্শ যোজনা গাওঁৰ কি হ'ল এপ্ৰিল মাহৰ পৰা কাম আৰম্ভ হ'ব। টকা গৈ ইতিমধ্যে ডি চি অফিচত পাই গ'ল। সকলোবিলাক position ত আছে. কোনো স্কীম position ৰ বাহিৰত যোৱা নাই। দুটা স্কীম position ৰ বাহিৰত গৈছিল, এটা হৈছিল স্কুল বিলাকৰ ৱাল আৰু ঘৰ নিৰ্মাণ কৰা, সেইটো অলপ কাৰিকৰী অসুবিধা হৈছিল, এতিয়া ঠিক হৈ গ'ল। স্বয়ং আঁচনিখন position ৰ বাহিৰত গৈছিল, তাকো আমি এতিয়া লৈ আহিলো। বাকী সকলো ঠিক আছে। মুখ্যমন্ত্ৰী যিখন স্ব-নিয়োজন যোজনা আমি কৰিছিলো, তাক আপোনালোকে কয় যে, ক'ত গ'ল টকা? তেইছ হাজাৰখন গাওঁত তেইছ হাজাৰখন ট্ৰেক্টৰ পঠিয়ায় দিয়াটো কম সফলতা নহয়, দহ

লাখ টকাকৈ তাতে গৈছে মানুহৰ হাতত। আজি যি গাওঁৰ পৰা আমি ধান ক্ৰয় কৰি আছো, সেই ধান ক্ৰয় মিলিং কৰাৰ কাৰণে, প্ৰত্যেকজন কৃষকক আজি মিলিং কৰাৰ কাৰণে চাবচিদি মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম স্বৰক যোজনাৰ পৰা দি আছো। শ্ৰী পদ্ম হাজৰিকা ডাঙৰীয়াৰ সমষ্টিত চাৰি হাজাৰ যুৱকক ডায়েৰী আৰু ফিচাৰীৰ জৰিয়তে গ্ৰাম্য অৰ্থনীতি পৰিৱৰ্তন কৰাৰ কাৰণে মুখ্য মন্ত্ৰী সমগ্ৰ গ্ৰাম যোজনাৰ পৰা পুঁজি যোগান ধৰা হৈছে। মই ভাবো যে ৰকতিয়াবা আপোনালোকে এই প্ৰশ্নটোৰ ওপৰত এটা আলোচনা আনিব মই ও উত্তৰ দি ভাল পাম যে CMSGY ত আমি কিমানবোৰ কাম হাতত লৈছো আৰু ইয়াতে প্ৰত্যেকখন গাওঁত এক কোটিকৈ যোৱাৰ যিটো পৰিকল্পনা সেই পৰিকল্পনাটোৰ পম খেদি বহুতবোৰ উপলব্ধি আমাৰ হ'ল সেই উপলব্ধিবিলাক লৈ আপোনালোকে যদি এই হাউচতো এখন আলোচনা আনে তাৰ উত্তৰ দিবলৈ আমি প্ৰস্তুত। কাৰণ কাম ভাল আগবাঢ়িছে। বুনিয়াদ এটা নিমাৰ্ণ হৈছে। এতিয়া প্ৰত্যেকখন গাওঁত একো একো জন ল'ৰা নিযুক্তি হ'ব গৈ আছে। যোনে Village development Plan তাৰ already পৰিকল্পনা কৰা হৈছে আৰু UNBPA এই গোটেই আঁচনিখনৰ লগত সহযোগি হ'বলৈ আগবাঢ়ি আহিছে। কিন্তু বাজেটৰ আলোচনাত মই চি এম স্ব-নিয়োজনৰ ওপৰতে গোটেইখিনি ক'ব খোজা নাই। কেতিয়াবা আলোচনা আনিলে আমি কৰি অহা উপলব্ধিবিলাক আপোনালোকক কৈ ভাল লাগিব। মই বিশেষ নকও অধ্যক্ষ ডাঙৰীয়া, পুনৰ এবাৰ আপোনালোকক ধন্যবাদ দিছো, কেতিয়াবা কয় যে বহু দীঘলকৈ কৈ গ'ল, এতিয়া নোকোৱা বিলাক আপোনালোকৰ আপত্তি যে এইটো নক'লে সেইটো নক'লে। এতিয়া সেইবোৰ ক'লে দীঘলীয়া হৈয়ে যাব। গতিকে আপোনালোকৰ কাৰণে মই দীঘলীয়া কৰো। নহ'লে কোনেনো ভাল পায়, তিনি ঘণ্টা থিয় হৈ থাকি। কোনবাই ভাল পায় নেকি কওক? কষ্ট বহুত হয়। চাৰে তিনি ঘণ্টা এগিলাচ পানী খাই থিয় হৈ থকাতো। অধ্যক্ষ মহোদয়, এইটো কোনো আনন্দৰ কথা নহয়। এইবাৰ মই ইয়াতে দুই ঘণ্টা চল্লিছ মিনিট থিয় হৈছো। দুই ঘণ্টা চল্লিছ মিনিট সময় আমাৰ বয়সত থিয় হৈ থকাতো, কমলেক্ষ দে পুৰকায়স্থই পাৰিব, ৰূপজ্যোতি কুৰ্মীয়ে পাৰিব। কিন্তু আমাৰোতো বয়সে দেওনা লৈছে। সম্ভৱ নেকি? কিন্তু এই কাম বিলাক আপোনালোকেও কৰিব লাগে। এইবাৰ ইমান লিখি দিছে এইটো নকলে, সেইটো নকলে। অহাবাৰ কব গ'লে আৰু ডাঙৰ হ'ব। গতিকে এইটো আপোনালোকৰ কাৰণে কামবোৰ কৰি মইয়ে সমালোচনা খাব লাগে। মই ভাবো মোৰ কষ্টটো ক'ৰবাত আপোনালোকে বুজিব। পুনৰ এবাৰ ধন্যবাদ জনাই মোৰ বক্তব্য সামৰিছো।

**মাননীয় অধ্যক্ষঃ** General Discussion ৰ পাছত Question Answer নাথাকে। এতিয়া সদন অহা ইং ২৪ মাৰ্চ তাৰিখৰ পুৱা ৯.৩০ বজালৈ স্থগিত ৰখা হৈছে।